# গ্ৰন্থ পৰিচিতি

নবেম্বৰ, ২০১৮



# গ্ৰন্থ পৰিচিতি

**নৱেম্বৰ, ২০১৮**

# গ্ৰন্থবান্ধৱ

*গ্ৰন্থেৰে সমৃদ্ধ জীৱন....*

**সম্পাদক :** সঞ্জীৱ সভাপণ্ডিত
**এই সংখ্যাৰ সহযোগী :** অমৃতা সভাপণ্ডিত
**ব্যৱস্থাপনাঃ** ভিবজিঅৰ এন্টাৰপ্ৰাইজ – আমিনগাঁও, গুৱাহাটী
উৎপল দাস (স্বাগতম ৰিয়েল ইষ্টেট প্ৰাঃ লিঃ – চাৰ্ভে, বেলতলা, গুৱাহাটী)

www.granthabaandhav.in
granthabaandhav@gmail.com

**অসমীয়া দৰ্শক**

অলপতে বিশ্ব বেংকৰ সাহায্যেৰে অসমৰ গড়কাপ্তানী বিভাগে অসমৰ ৰাস্তাত নিৰাপদতাৰ বাবে গ্ৰহণ কৰা কিছুমান ব্যৱস্থা সম্পৰ্কত অলপ কাম কৰাৰ সুবিধা পাইছিলো। সেই সন্দৰ্ভত কিছু চৰকাৰী কাগজপত্ৰ পঢ়াৰ প্ৰয়োজন হৈছিল। তেনে কৰোঁতে আগেয়ে অলপ জনা কথা কিছুমান অলপ বেছিকৈ আৰু তথ্য সহকাৰে জানিবলৈ পাৰিলো যে-

ক) অসমৰ নামী-দামী-গুৰুত্বপূৰ্ণ প্ৰায় সকলোবোৰ ৰাস্তাৰ নিৰ্মাণৰ কাম অনা অসমীয়াই কৰে।

খ) অসমৰ সকলো ৰাস্তা সম্পৰ্কীয় জৰীপ-অধ্যয়নৰ কাম অনা অসমীয়াই কৰে।

গ) অসমৰ ৰাস্তাত কিমান দুৰ্ঘটনা হয়, ক'ত হয়, কিমান মানুহ মৰে, কিমান বাহনৰ কিমান ক্ষতি হয় সেইবোৰ অধ্যয়নো অনা অসমীয়াই কৰে।

ঘ) অসমৰ ৰাস্তাৰ নিৰ্মাণত ব্যৱহাৰ হোৱা সকলো আধুনিক সামগ্ৰী যেনে Cats Eye, চিহ্ন, ৰং আদি অনা অসমীয়াই যোগান ধৰে।

অসমীয়া চাকৰিয়াল থকা বিভাগটোৰে অনা অসমীয়াক কাম দিবলৈকে চাকৰি কৰিছে। সকলো জৰীপ আনে কৰে, সকলো ৰিপৰ্ট আনে তৈয়াৰ কৰে, সকলো অডিট আনে কৰে, সকলো টকা সিবিলাকে ঘটে।

আমাৰ মানুহৰ যোগ্যতা নাই, অভিজ্ঞতা নাই, ইচ্ছা নাই, খবৰ নাই আৰু সামৰ্থ্য নাই।

এই কথাৰ আলম লৈ মই অন্য বিভাগবিলাকৰনো ক'ত কি হৈছে খবৰ ল'লো।

সকলোতে একেখন ছবি।

সকলো ৰাষ্ট্ৰীয় ঘাইপথ, সকলো ফ'ৰলেন হাইৱে, সকলো পানী যোগান আঁচনি, সকলো দলং, সকলো বিদ্যুৎ উৎপাদন প্ৰকল্প, সকলো ডাঙৰ ঘৰ-চৌহদ (Complex), সকলো বৃহৎ দলং, সকলো বিদ্যুৎ পৰিবহন ব্যৱস্থা, সকলো চিকিৎসা সম্পৰ্কীয় যন্ত্ৰ পাতি, সকলো নিৰ্মাণৰ বাবে প্ৰয়োজনীয় সকলো যন্ত্ৰপাতি, সকলো পৰিৱেশ সম্পৰ্কীয় অধ্যয়ন, সকলো বান সমস্যাৰ সামগ্ৰী,... সকলো-সকলো-সকলো- অনা অসমীয়া মানুহে বা প্ৰতিস্থানে কৰে।

গোটেই ৰাজ্যখনৰ বাট-পথ-ৰাজহুৱা স্থান জাবৰ-জোঁথৰেৰে ভৰা। চাৰিওফালে লেতেৰা-কদৰ্য্য পৰিবেশ। জাবৰ য'ত পেলায় তাৰ ওচৰ পাজৰৰ মানুহৰ আপত্তি-গোন্ধ-বেমাৰ-বীজাণু। গতিকে বাহিৰৰ কোম্পানীক কোটী কোটী টকাৰ কাম দিছে- ঠিকা দিছে জাবৰ গোটাই তাত পেলাবলৈ ।

আমাৰ মানুহে ফুটনি মাৰিছেহে মাৰিছে। পঢ়িছেহে পঢ়িছে। ডিগ্ৰী লৈছেহে লৈছে। আনক সকলো কাম হাতত তুলি দিবৰ কাৰণে মাথো একোটা যন্ত্ৰ তৈয়াৰ হৈছে। কোনো কাম নিজে কৰিবলৈ আগবাঢ়ি অহা নাই। মগজুত খেলোৱাই নাই কথাটো!

অসমলৈ উন্নয়নৰ নামত হাজাৰ হাজাৰ কোটী টকা আহিছে। সচেতনতাৰ অভাৱত, ইচ্ছাৰ অভাৱত, যোগ্যতাৰ অভাৱত সকলো আনে নিছে।

এদিন এজন ডেকা ল'ৰা দিল্লীৰ ফালৰ- লগ পালো- উদ্যোগ বিভাগৰ কাৰ্য্যালয়ত। অসমত North East Industrial Policy সফল হৈছে নে নাই জৰীপ কৰিবলৈ আহিছে- দিল্লীৰ কোম্পানী এটাৰ হৈ।

এদিন মোৰ ওচৰলৈ এজন অন্ধ্ৰপ্ৰদেশৰ ল'ৰা আহিল গুৱাহাটীলৈ যে পাইপত ৰন্ধন গেছ আহিব, মই ল'ম নে ন'লম জানিবলৈ। তেওঁ জৰীপ কৰি আছে গ্ৰাহক বুজিবৰ বাবে। তেওঁও দিল্লীৰ এটা প্ৰতিস্থানৰ কৰ্মচাৰী।

অসমৰ সন্ত্ৰাসবাদৰ হিংসাৰ বলি হোৱাসকলৰ সংস্থাপনৰ বিষয়ে অধ্যয়ন কৰিবলৈ এজন আহিল- কলিকতাৰ পৰা- আমেৰিকাৰ বিশ্ববিদ্যালয়ৰ প্ৰজেক্ট।

জাপান চৰকাৰে অসমত কিহত কিহত বিনিয়োগ কৰিব পাৰিব জানিবলৈ জৰীপ কৰিবলৈ আহিল দিল্লীৰ প্ৰতিস্থান।

অসমত বিজুলী শক্তিৰ ব্যৱহাৰ কিমান আৰু কেনেকুৱা জানিবলৈ আহিল দিল্লীৰ প্ৰতিস্থান।

আৰে আমিবোৰে কি কৰি আছো? একোটা একোটা প্ৰকল্পৰ Social Audit হৈছে, Safety Audit হৈছে, Energy Audit হৈছে- সকলো বাহিৰৰ মানুহে কৰিছে। আমাৰ ইঞ্জিনিয়াৰ- আমাৰ পঢ়াশুনা কৰাবিলাকে কি কৰি আছে! কিহৰ যোগ্যতা আছে সিবিলাকৰ? কি কামৰ মানুহ সিবিলাক? ডিগ্ৰী লৈছে – দৰমহা লৈছে – গাড়ী লৈছে – চেমিনাৰলৈ গৈছে – ফাইল লৈছে – ফুটনি কৰিছে আৰু সকলো কাম অনা অসমীয়াক দি দিছে।

ভয়ংকৰ কথা হৈছে আচলতে।

আমাৰ পঢ়া শুনা কৰা মানুহবিলাকেই আচলতে অসমখনক ঠগি আছে। নিজে অযোগ্য-অলগৰ্দ্ধ অথচ বাকীবিলাকক হাঁহে। অনা অসমীয়াক হাঁহি হাঁহি কাম তুলি দিয়ে।

চৰকাৰৰ মন্ত্ৰী-আমোলাবিলাকো এসোপা দগাবাজ। অসমৰ মানুহৰ Skill (কাৰ্য্য কুশলতা) বৃদ্ধি কৰিবৰ বাবে একো এটা পদক্ষেপ লোৱা নাই। 'অসমীয়া! হাঃ- নোৱাৰে কৰিব।' এইটোৱেই সকলোৰে মূলমন্ত্ৰ হৈ পৰিছে। সেই শংকৰদেৱৰ কলাক্ষেত্ৰও যেনেকে সাজিল কলিকতীয়াই- আজিৰ ব্ৰহ্মপুত্ৰৰ দলঙো সাজিছে কলিকতীয়াই।

আমাৰ গল্পকাৰ-কবি-ঔপন্যাসিক সকলেও এইবোৰ একো নেদেখে। সাহিত্যত সমাজ প্ৰতিফলিত হয় বুলি কোৱা হয়। কিন্তু কেৱল প্ৰেম-সাধু-কৈ থাকিলেই সাহিত্য হ'ব নেকি? সেই পুৰণাকালৰ সাহিত্যৰ সংজ্ঞাৰ ভিতৰতে আমাৰ সাহিত্যিকসকল বন্দী হৈ আছে। আমাৰ সাহিত্যিকে আমাৰ মানুহৰ চকু মোকলাই দিব পৰা নাই। নোৱাৰেও। কাৰণ তেওঁলোক নিজেই অন্ধ।

ঘটনাবোৰ ঘটি আছে। অসমৰ কাম অসমীয়াই কৰা নাই। আমাৰ সকলো কাম আনে কৰি আছে আৰু আমি দৰ্শক হৈ চাই আছো। কিন্তু দৰ্শকেও কিছু কথা জানিব লাগে। খেল এখনৰ নিয়ম কানুন নাজানিলে খেল এখন কেনেকৈ উপভোগ কৰিব পাৰি?

কিন্তু অসমীয়াই অসমত কি ঘটি আছে একো নজনাকৈয়ে এনেয়ে বুৰ্বকৰ দৰে কেৱল চকুৰে চাই থকা দৰ্শক হৈ আছে।

## সূচীপত্ৰ


প্ৰৱন্ধ সংকলনঃ

১) শ্বেইক্সপীয়েৰৰ সুবাস (প্ৰথম খণ্ড)
২) স্ব-নিৰ্বাচিত ৰচনা-সম্ভাৰ

কবিতা সংকলনঃ

৩) সপোন বিচাৰি

ধৰ্ম/নীতিমূলকঃ

৪) ধৰ্ম, শংকৰদেৱ আৰু সংস্কৃতি

ভ্ৰমণঃ

৫) লাহুল-স্পিতি আৰু কিন্নৰ উপত্যকাত

বিচিত্ৰ:

৬) ভিন্ন স্বাদ

কলা বিষয়কঃ

৭) শিল্পচিন্তা

বাতৰি কাকতৰ পৰা -

দৈনিক জনমভূমিঃ

৮) কাব্য-বীথিকাত ড০ ভূপেন হাজৰিকা
৯) ভালপোৱা কেৱল তেজতেই নাথাকে
১০) আবৃত্তি সংগ
১১) অসমীয়া চুটি গল্প
১২) প্ৰসৱ বেদনাত মা আৰু মই
১৩) সংস্কৃতি সঁফুৰা
১৪) যুগনায়ক যুগদ্ৰষ্টা যুৱপ্ৰজন্ম
১৫) ডেমাজং
১৬) বিহুৰ বৈভৱ
১৭) অকথ্য আলাপ
১৮) চিৰদিন অসমীয়া
১৯) মানুহ মৰি মানুহ
২০) প্ৰজ্ঞাৰ সুবাস

সাদিনঃ

২১) Deword
২২) প্ৰেম আৰু মানৱতাৰ ভাৱনা
২৩) অভিশপ্ত নৰক
২৪) গীতঃ এক প্ৰেম গাথা
২৫) মেঘে ঢকা স্বদেশ
২৬) কুঁকি
২৭) এই কাহিনীবোৰ
২৮) শংখধ্বনি
২৯) বীক্ষণঃ বতাহ সলনিৰ কথকতা
৩০) ঈশ্বৰৰ কাষলে’ সমদল এটা
৩১) হেঁপাহৰ শব্দমালা

দৈনিক অগ্ৰদূতঃ

৩২) অসমৰ চুতীয়া জনগোষ্ঠীৰ ইতিহাস আৰু বিৱৰ্তন
৩৩) হিয়া দিয়া তুমি প্ৰিয়া

দৈনিক অসমঃ

৩৪) ৰামায়ণ বাক্যামৃত
৩৫) চিন্তা চিত্ৰ
৩৬) বাঁহনিবাৰীৰ গোন্ধ
৩৭) শিলৰ দলিচাত প্ৰিয়াৰ বিননি
৩৮) মন পলাশৰ বেদনা
৩৯) অসমীয়া বৰ্ণমালাৰ ৰহঘৰা
৪০) চিন্তা বিবিধা
৪১) মাৰ্টিন লুথাৰ কিং
৪২) মহিলা চিকিৎসক
৪৩) দ্বিতীয় মহাসমৰ আৰু অসম

অসমীয়া প্ৰতিদিনঃ

৪৪) ধনবৰৰ গুলটি আৰু শিক্ষাপুৰাণ @গৰল ডট কম
৪৫) পলে পলে অনুভৱ
৪৬) স্বপ্ন স্মৃতিৰ ককটেইল
৪৭) পণ্ডিত ৰাজমোহন নাথ স্মাৰক আলোচনী
৪৮) যাযাবৰৰ টোকাবহী
৪৯) এই হাঁহি কিহৰ হাঁহি
৫০) বেলিমুখী বনকুঁৱৰী
৫১) মহম্মদ ৰফী- দেৱকণ্ঠৰ পৰা দেৱসত্তালৈ
৫২) শৃংখলিত সপোনৰ সূৰুযমুখী গান
৫৩) ধৰ্মৰ ঊৰ্দ্ধত - এখন পূৰ্ণ বিশ্বৰ বাবে নৈতিক প্ৰমূল্য

৫৪) নুৰজাহান

আমাৰ অসমঃ

৫৫) অন্য এক পৃথিৱী
৫৬) মাধুৰী
৫৭) মৰিগাঁৱলৈ আহিবা
৫৮) গুণাকৰ গুণ মহন্ত
৫৯) মহানায়ক লাচিত বৰফুকন
৬০) আধাফুটা
৬১) তুমি হালধীয়া হ'লা
৬২) তাই আজি ৰাধা হ'ব খোজে
৬৩) সংস্কৃতি আৰু সংঘাত
৬৪) আঙুলি
৬৫) চিত্ৰৰ
৬৬) স্বৰ্ণকন্যা হিমা দাস
৬৭) পঢ়াত সফল হোৱাৰ কৌশল প্ৰণালী
৬৮) ৰ'দ আঁচলৰ গান
৬৯) সোণালী দিনৰ পদূলিৰ খৰিকাজাঁই
৭০) বাৰেক কৰোহো প্ৰণাম

The ASSAM TRIBUNE :

৭১) Symphonies
৭২) The Sun behind the Bamboo Jungle
৭৩) Blooming in the Snow
৭৪) Feminist Rani
৭৫) Luitor Paror Jatiya Chinta-Chetana
৭৬) The Rule Breakers
৭৭) The Paradoxical Prime Minister
৭৮) Asomiya Bhasa-Sahityar Khandachitra

**প্ৰবন্ধ সংকলনঃ**



**শ্বেইক্সপীয়েৰৰ সুবাস (প্ৰথম খণ্ড)**
**সম্পাদনা - ড০ পংকজ গোস্বামী, তুফেল জিলানী**
**প্ৰকাশক - বেদকন্ঠ, যোৰহাট**
**মূল্য - ২৫০.০০ টকা**

শ্বেইক্সপীয়েৰৰ বিষয়ে অধ্যয়ন কৰা ২৫ জন লেখকৰ ২৫ টা প্ৰবন্ধ সংকলন। কোনোবাটো লেখাত মানুহজন, কোনোবাটোত নাট্যকাৰজন, কোনোবাটোত কেৱল কিংলিয়েৰ বা হেমলেট বা মেকবেথ বা সমসাময়িক সমাজৰ ওপৰত বিশ্লেষণ কৰা হৈছে। কোনোটো লেখাত শ্বেইক্সপীয়েৰক সমালোচনা কৰা হোৱা নাই; বৰং বিশ্লেষণ আৰু মূল্যাংকনহে কৰা হৈছে। শ্বেইক্সপীয়েৰৰ নাটকক লৈ পৃথিৱীত ক'ত কি কৰা হোৱা নাই! বহুত ঠাইত স্থানীয়কৰণ কৰা হৈছে। অপভ্ৰংশও হৈছে। ছাঁ লৈ বেলেগ নাটক লিখা হৈছে। চিনেমা হৈছে। উপন্যাস হৈছে।

আমেৰিকাত শ্বেইক্সপীয়েৰ, মেকবেথ আৰু আব্ৰাহাম লিংকন-অখিল চক্ৰৱৰ্তীৰ এটা ভাল লেখা। নাট্যকাৰজনৰ দূৰন্ত প্ৰেমৰ বিষয়েও বিশদকৈ লিখা হৈছে- অনিল কুমাৰ শইকীয়াৰ লেখাটোত।

শ্বেইক্সপীয়েৰৰ কেনেকৈ সৃষ্টি হ'ল, কিয় হ'ল তাৰো কিছু উমান পোৱা যায়। যাক পৃথিৱীৰ সৰ্বশ্ৰেষ্ঠ নাট্যকাৰ বুলি কোৱা হয়, যাৰ প্ৰতিখন নাটকৰ প্ৰতিটো চৰিত্ৰ ইমান বিস্তৃতভাৱে আলোচিত হৈছে, যাৰ সমান চৰ্চা পৃথিৱীৰ কোনো সাহিত্যিকে পোৱা নাই- সেই মানুহজন বহুত নতুন ধৰণে উন্মোচিত হৈছে।

বৰ্দ্ধমান বিশ্ববিদ্যালয়ৰ ইংৰাজী সাহিত্যৰ মূৰব্বী অধ্যাপক ড০ দিলীপ কুমাৰ বৰুৱাৰ 'শ্ৰদ্ধাঞ্জলি' এটা উল্লেখযোগ্য প্ৰবন্ধ হৈছে।

অসমত শ্বেইক্সপীয়েৰ চৰ্চাৰ বাট ১৯ শতিকাতে কৰা হৈছিল কলিকতাত পঢ়িবলৈ যোৱা চাৰিজন ডেকাৰ যোগেদি। বহুদিন মহাবিদ্যালয়-বিদ্যালয়-বিশ্ববিদ্যালয়ৰ পাঠ্যক্ৰমতো শ্বেইক্সপীয়েৰ অন্তৰ্ভূক্ত আছিল। কিন্তু সামাজিকভাৱে এই চৰ্চা সৰ্বসাধাৰণৰ মাজলৈ লৈ অনাৰ এইটোৱেই এটা উল্লেখযোগ্য প্ৰয়াস।



**স্ব-নিৰ্বাচিত ৰচনা-সম্ভাৰ**
**লেখক - মুক্তানন্দ শৰ্মা**
**প্ৰকাশক - অশোক বুক ষ্টল**
**মূল্য - ২০০.০০ টকা**

৯০ বছৰ বয়সত এজন সাধাৰণ মানুহ কিমান সক্ৰিয়-কৰ্মঠ-সৃজনশীল হৈ থাকিব পাৰে বাৰু ? মুক্তানন্দ শৰ্মাক নেদেখিলে ঠাৱৰ কৰা টান। এটা সাত্বিক জীৱন প্ৰণালীৰে নিজকে পৰিচালিত কৰা, আধ্যাত্মিক ভাব-চিন্তাৰ সন্মোহিনী শক্তিৰে শক্তিমান, প্ৰচুৰ অধ্যয়নেৰে গভীৰ কৰি তোলা বিচাৰ-মনন- এই সকলোবোৰ প্ৰতিফলিত হৈছে কিতাপখনত। কোনো নিৰ্দ্দিষ্ট বিষয়ত আবদ্ধ থকা নাই লেখাসমূহ। লেখাবিলাকৰ শিৰোনামেই কয় সেই কথা। লাল বাহাদুৰ শাস্ত্ৰীৰ 'পাৰ'ৰ পৰা সৃষ্টি হোৱা সত্যাগ্ৰহী আচৰণ বা ষ্টেলিনৰ ৰাধাকৃষ্ণণৰ প্ৰতি প্ৰকাশ পোৱা নিতান্তই ব্যতিক্ৰমী আচৰণ বা বিদগ্ধ সংস্কৃত পণ্ডিত মেক্সমুলাৰ তথা চাৰ উইলিয়াম জনছ (শকুন্তলা আৰু মনুস্মৃতি ইংৰাজীলৈ তৰ্জমা কৰা সেই সময়ৰ কলিকতাত থকা ভাৰতৰ চুপ্ৰীম কোৰ্টৰ মূখ্য ন্যায়াধীশ)ৰ আচৰণ যে এক সংস্কৃত জীৱনৰ বাবে প্ৰণিধানযোগ্য সেই কথা এই কিতাপে পতিয়ন নিয়াব

পাৰিছে। বহুত কথা তেখেতে ব্যতিক্ৰমী দৃষ্টিভংগীৰে চাইছে-যেনে, বিভীষণক ঘৰ শত্ৰু বুলি দিয়া লোক অপবাদ কিমনদূৰ যুক্তিসংগত?

লেখাবিলাক- ‘প্ৰাৰ্থনাৰ শক্তি’, ‘গুৰু পূৰ্ণিমা আৰু গুৰু-শিষ্যৰ পৰম্পৰা’, ‘কৰ্মযোগ কি আৰু কিয় প্ৰয়োজন’, ‘ৰামায়ণৰ আদৰ্শ আৰু প্ৰাসংগিকতা’, ‘আধ্যাত্মিকতাৰ অনুশীলন’, ‘মহাভাৰতৰ মহান শিক্ষা’, ‘গীতাৰ অমিয়া সন্ধান’, ‘গায়ত্ৰী মন্ত্ৰ, ইয়াৰ ব্যাখ্যা আৰু প্ৰয়োজনীয়তা’, ‘ভাৰতীয় সংস্কৃতিপ্ৰেমী দুগৰাকী অভাৰতীয়’, ‘মানৱীয় মূল্যৰ শিক্ষা আৰু পিতৃ-মাতৃৰ দায়িত্ব’, ‘যীশুখ্ৰীষ্টৰ সংক্ষিপ্ত জীৱনী আৰু বাণী’, ‘লাল বাহাদুৰ শাস্ত্ৰী- ব্যতিক্ৰমী শৈশৱ কালত এভুমুকি’, ‘মাকাম’-সাম্প্ৰতিক অসমীয়া উপন্যাসৰ এক আলোক স্তম্ভ’, ‘প্ৰবীণ শিক্ষাবিদ প্ৰবোধ চন্দ্ৰ গোস্বামীৰ সাহিত্য আৰু ব্যক্তিত্ব’, ‘বিহঙ্গম দৃষ্টিত- মামণি ৰয়ছম গোস্বামীৰ সাহিত্য আৰু ব্যক্তিত্ব’, ‘আমাৰ শিক্ষা আৰু সংস্কৃতি’, ‘বিভীষণৰ লোক-অপবাদ ন্যায়সংগতনে?’, ‘স্কুলীয়া শিক্ষা, পৰীক্ষা আৰু শিক্ষক সম্পৰ্কে যৎকিঞ্চিৎ’, ‘কটন কলেজৰ মধুৰ স্মৃতি’, ‘সাধুক চিনিবা লেন-দেন কৰি বিত’, ‘অসমৰ ভৱিষ্যৎঃ কিছু প্ৰাসংগিক চিন্তা’, ‘চাকৰি জীৱনৰ ডুখৰীয়া স্মৃতি (কিছু তিতা-কেঁহা, কিছু মিঠা)’, ‘নীতি-গৰ্ভ উপদেশ তিনিটা আৰু এটি শিক্ষা (অনূদিত)’, ‘পৰম ভক্ত আনন্দ’, ‘গ্ৰীক দাৰ্শনিক পণ্ডিত ছক্ৰেটীছ’, ‘জীৱনৰ ভৱিষ্যৎ(অনূদিত)’, ‘ষ্টেলিন নেতাজন আৰু ব্যক্তিজন(অনূদিত)’ আৰু ‘পৰিশিষ্ট’।

## কবিতা সংকলনঃ




**সপোন বিচাৰি**
**কবি - হেমন্ত কুমাৰ দেব চৌধুৰী**
**প্ৰকাশক - শান্তি প্ৰকাশন**
**মূল্য - ১৫০.০০ টকা**

বৃত্তিগতভাৱে অভিযন্তা, কবিয়ে নিতান্তই মনৰ তাগিদাতে এই কবিতাবোৰ লিখিলে। জীৱনৰ চাকৰিকালৰ সৰহভাগ সময় ৰাজ্যৰ বাহিৰতে কটোৱা কবিয়ে অসমৰ নৈসৰ্গিকতা বা প্ৰকৃতি বা জনজীৱনলৈ চাব পৰা নাই। তেওঁ কেৱল অন্তৰ্দৃষ্টিৰে মানুহ বিচাৰি ফুৰিছে- নিজকে বিচাৰি ফুৰিছে- নৈৰ্ব্যক্তিক জীৱনৰ সন্ধান কৰিছে। কবিয়ে ভাবে-প্ৰতিগৰাকী কবিয়েই একোটা কবিতা (কবি)। নিজকে বিচাৰি ফুৰাৰ সম্ভেদ পোৱা যায়- কোন বাৰু মই’ কবিতাত। ব্যক্তিমনৰ খবৰ লোৱাৰ মাজেৰেই কবিয়ে নিজৰ আৰু আনৰ উত্তৰণ বিচাৰিছে। কিন্তু কোনো কবিতাত সমাজৰ কথা কবিয়ে পোনপটীয়াকৈ একো কোৱা নাই। ঠিক কিহে কবিক আলোড়িত বা প্ৰৰোচিত কৰিছে বুজা নাযায়। ক’ৰবাত প্ৰেমৰ সন্ধান, ক’ৰবাত সপোন বিচৰা, ক’ৰবাত নাৰীৰ সংজ্ঞা বিচাৰি- কবি ঘূৰি ফুৰিছে। তথাপিও সাম্প্ৰতিক সময়ৰ কিছু বাতৰিয়েও কবিক নোকোবোৱাকৈ থকা নাই- যেনে, কন্যা ভ্ৰূণ হত্যা বা বেশ্যাৰ দুখত কবি শোকাৰ্ত। নিজৰ ঠাইৰ কালদিয়া নদীৰ কথাও দূৰৈৰ স্মৃতিৰে কবিয়ে জীয়াই ৰাখিছে। মানুহ আৰু সভ্যতাৰ মাজত সাঁকোখন কবিয়ে বুজে আৰু সেইবাবেই কবিৰ প্ৰায় সকলোবোৰ কবিতাই আশাব্যঞ্জক।

‘প্ৰেমৰ এক স্বৰ্গীয় পোহৰ
পোহৰাবলৈ জ্বলায় দুখনি অন্তৰ।’

‘এখন বৈধ বেশ্যালয় লাগে।
আমাৰ যৌনতাৰ বাবেই তাই ধৰ্ষিতা। আত্মহত্যা এক কৰুণ প্ৰতিবাদ।’

২০৮ পৃষ্ঠাৰ এই কবিতা পুথিখনত ১৫০ মান কবিতা আছে। এজন আধুনিক মুকলি মনৰ মানুহ কবিতাবোৰত ফুটি উঠিছে।

## ধৰ্ম / নীতিমূলকঃ




**ধৰ্ম, শংকৰদেৱ আৰু সংস্কৃতি**
**লেখক - হেমেন দাস**
**প্ৰকাশক - হেমেন দাস**
**মূল্য - ৪৫.০০ টকা**

শংকৰদেৱক কেন্দ্ৰ কৰি এইখন এখন ব্যতিক্ৰমী পুথি। ধৰ্মৰ অস্তিত্ব নাই সমাজ অবিহনে– সৰ্বপল্লী ৰাধাকৃষ্ণণৰ ব্যাখ্যাৰে এই কথা ব্যাখ্যা কৰা হৈছে।

ধৰ্ম আৰু তত্বৰ মাজৰ পাৰ্থক্য আৰু গূঢ়াৰ্থ বুজাবলৈ প্ৰয়াস কৰা হৈছে।

ঈশ্বৰ প্ৰকাশিত আৰু প্ৰাকৃতিমূলক, বহু ঈশ্বৰবাদ আৰু এক ঈশ্বৰবাদ, বিবেকমূলক আৰু সহজজ্ঞানমূলক আদি কথাৰ অৱতাৰণা কৰি সৃষ্টি তত্ব বুজাবলৈ বিচৰা হৈছে।

মহাপুৰুষ শংকৰদেৱ উদ্ভৱ হোৱাৰ পশ্চাদপট বৰ্ণনা কৰা হৈছে।

লোকমান্য বাল গংগধৰ তিলকে কৈছিল – If God were to tolerate Untouchability, I would not recognize him as God at all – শংকৰদেৱো যেন এই কথাৰেই পৰিচালিত আছিল। সংস্কৃতি আৰু শংকৰদেৱক সমাৰ্থ কৰি লিখা হৈছে এটা অধ্যায়।

শংকৰদেৱৰ বিষয়ে বৰেণ্য ব্যক্তিৰ অভিমত অধ্যায়ত অন্তৰ্ভূক্ত কৰা হৈছে– অনন্ত কন্দলী, মাধৱদেৱ, গোপালচৰণ দ্বিজ, লক্ষ্মীনাথ বেজবৰুৱা, অতুলচন্দ্ৰ হাজৰিকা, অম্বিকাগিৰী ৰায়চৌধুৰী, চন্দ্ৰ কুমাৰ আগৰৱালা, আনন্দ চন্দ্ৰ আগৰৱালা, ড০ সূৰ্য্য কুমাৰ ভূঞাঁ, জ্যোতি প্ৰসাদ আগৰৱালা, গিৰিধৰ শৰ্মা, ডিম্বেশ্বৰ নেওগ, ড০ মহেশ্বৰ নেওগ, যুগল দাস, ৰজনীকান্ত দেৱশৰ্মা, নাৰায়ণ বেজবৰুৱা, আব্দুছ ছাত্তাৰ, মহাত্মা গান্ধী, ড০ সুনীতি চেটাৰ্জ্জী, লৰ্ড চেমছফোৰ্ড, পীতাম্বৰ দেৱগোস্বামী, বৈকুন্ঠনাথ ভট্টাচাৰ্য্য, সৰ্বপল্লী ৰাধাকৃষ্ণণ, আচাৰ্য্য বিনোৱা ভাবে, ড০ কৃপাল সিং নাৰাং, শান্তিদেৱ ঘোষ, কাকা চাহেব কালেলকাৰ, ইন্দ্ৰেশ্বৰ পেগু, মহেন্দ্ৰ বৰা, নিৰ্মলপ্ৰভা বৰদলৈ, কৃষ্ণানন্দ ব্ৰহ্মচাৰী, ভূপেন হাজৰিকা, বিষ্ণুপ্ৰসাদ ৰাভা আদিয়ে কি কৈছিল উদ্ধৃতি দিছে।

'কল্পতৰু' নামৰ এখন অংকীয়া নাট সন্নিৱিষ্ট কৰা হৈছে প্ৰতীকধৰ্মী কাল্পনিক কাহিনীৰ আধাৰত শংকৰদেৱৰ আদৰ্শ আৰু সৃষ্টিসমূহৰ ওপৰত আলোকপাত কৰিবলৈ।

শংকৰদেৱক নতুন দৃষ্টিৰে চোৱাৰ এক উন্নত প্ৰয়াস।

**ভ্ৰমণঃ**



**লাহুল-স্পিতি আৰু কিন্নৰ উপত্যকাত**
**লেখক - সৌম্যদ্বীপ দত্ত**
**প্ৰকাশক - ভবানী বুকছ**
**মূল্য - ২৮০.০০ টকা**

হিমাচলী পাঞ্জাবী / শিখ ছোৱালী জছমীত কৌৰক বিয়া কৰাই দিল্লীৰ বাসিন্দা হোৱা ভাৰত চৰকাৰৰ বিষয়া চন্দন ব্ৰহ্ম, বৌদ্ধ ভিক্ষু থূপতেন লামা(গ্যালছেন নেগী) আৰু দুজনৰ লগত স্পিতি নদীৰ উপত্যকা- কিন্নৰ উপত্যকা, পশ্চিম হিমালয়, তাৰ বৌদ্ধ গুম্ফা আৰু স্থাপত্যৰ জগত চাবলৈ যোৱা আৰু লগতে পুৰণা কামৰূপৰ লগত সেই গুম্ফাবোৰৰ কি সম্পৰ্ক আছিল সেইবোৰ অধ্যয়ন কৰাৰ উদ্দেশ্যে সৌম্যদ্বীপ দত্তই কৰা ভ্ৰমণ বৃত্তান্ত হ'ল এই পুথি।

পূব হিমালয় আৰু পশ্চিম হিমালয়ৰ মাজত আকাশ পাতাল পাৰ্থক্য। পূবত গছ-গছনি-চৰাই-চিৰিকতি আদিৰ বৃহৎ Bio diversity। পশ্চিমত শুকান শীতল মৰুভূমি- এটা চৰাই, এটা ভেকুলী, এটা ঝিলিৰ মাত শুনিবলৈ নাই। পশ্চিম হিমালয়ৰ সকলো ঠাইয়েই বিপদসংকুল। প্ৰতিখন ঠাইতেই আছে মহাযান বৌদ্ধসকলৰ মন্দিৰ-স্থাপত্য-ঐতিহ্য। শ শ বছৰ ধৰি সংৰক্ষিত হৈ থকা লামাৰ মৃতদেহ আছে মন্দিৰৰ ভিতৰত। হিমাচল প্ৰদেশৰ সৰ্ববৃহৎ 'কি' মনেষ্ট্ৰি- এক জীৱন্ত যাদুঘৰ। শিলাস্খলন-ভূমিস্খলন-তুষাৰস্খলন-দুৰ্গম বাট পথ- শীত বৰষুণ সকলো নেওচি তাত মানুহ জীয়াই আছে- নিজক সংৰক্ষণ কৰি- নিজকে বুজি- চিনি- ভাল পাই- মানুহক ভাল পাই- মৰম কৰি- শান্তিৰে। চন্দ্ৰা নদী-হিমবাহ-নাকো হ্ৰদ-বন মন্দিৰ-টাবো-চোলান- পৃথিৱীৰ সৰ্বোচ্চ স্থানত থকা গাঁও-কিবৰ-টম্বুবাস-চোৰতেন-গিৰিপথ-ৰেকন পিয়ো-সপিলো খৰস্ৰোতা নদী সকলোবোৰৰ বিচিত্ৰ মাদকতা ভৰা অভিজ্ঞতা এই ভ্ৰমণবিলাসী দায়িত্বশীল ব্যক্তিজনে আমাৰ আগত দাঙি ধৰিছে।

**বিচিত্ৰঃ**




**ভিন্ন স্বাদ**
**লেখক - হেমেন দাস**
**প্ৰকাশক - হেমেন দাস**
**মূল্য - ২৪৫.০০ টকা**

১৯৭০ চনৰ পৰাই এৰা ধৰাকৈ লেখি অহা বিভিন্ন বাতৰি কাকত-আলোচনী, স্মৃতিগ্ৰন্থ আদিত প্ৰকাশিত শ্ৰী দাসৰ লেখাৰ নিৰ্বাচিত একত্ৰ সংকলন।

'নাট্যশিল্প', 'পম খেদি', 'অভিনয়', 'চিনেমা', 'অকণিহঁত চিনেমা নিৰ্মাণ কৰো আঁহা', 'চলচ্চিত্ৰ প্ৰসংগত', 'শিল্প চিন্তা', 'ধৰ্ম, শংকৰদেৱ আৰু সংস্কৃতি' আদি বিভিন্ন পুথিৰ ৰচক শ্ৰী দাস এজন নিষ্ঠাবান সাংস্কৃতিক কৰ্মী। সামাজিক ভাবে তেখেত খুবেই সচেতন আৰু সংবেদনশীল। বিবেক, নিজৰ অধ্যয়ন আৰু প্ৰত্যয়ৰ ভিত্তিতে তেখেতৰ সমস্ত ৰচনাৰাজিৰ সৃষ্টি। নিতান্তই নিজৰ তাড়ণাতে তেখেতে লিখে। অসমত সাংস্কৃতিক তথা বৌদ্ধিক চৰ্চাৰ পৰিমণ্ডল নিতান্তই সীমিত। তাৰ মাজতো দাসে নিজৰ অধ্যয়নেৰে নিজৰ আৰু আনৰ কৰ্মক্ষেত্ৰ চহকী কৰিবলৈ চেষ্টা কৰিছে। লেখাবিলাকৰ শিৰোনামাই তেখেতৰ মনৰ বিস্তৃতিৰ উমান দিয়ে। 'প্ৰসঙ্গঃ আঞ্চলিকতাবাদী আন্দোলন', 'নাটকৰ মননশীলতাৰ মধ্যমণি বাৰ্ণাৰ্ড শ্ব', 'প্ৰসঙ্গঃ শিল্পসত্য', 'বিশ্ব আত্মিকতাৰ আন্তন চেখভ', 'বিদেশী খেদা'ৰ ঠাইত জনজাতীয় ৰাজ্যৰ আন্দোলনহে হ'ব লাগিছিল',

‘প্ৰসঙ্গঃ দৰ্শক’, ‘কৃত্ৰিম বানপানীৰ গ্ৰাসৰ পৰা গুৱাহাটীক কোনেও উদ্ধাৰ কৰিব নোৱাৰে’, ‘প্ৰসঙ্গঃ শিল্প আৰু শিল্পী’, ‘মঞ্চাভিনয় আৰু চলচ্চিত্ৰাভিনয়’, ‘মামণি বাইদেউক সুঁৱৰি’, ‘প্ৰসঙ্গঃ নাটক আৰু চলচ্চিত্ৰ’, ‘বিহু নৃত্য-গীত কিমান শ্লীলঃ কিমান অশ্লীল?’, ‘সম্ৰাট আকিৰা কুৰোছোৱাৰ চুগাতা আৰু চানছিৰো চুগাতা’, ‘চানছিৰো চুগাতা’, ‘বিচ্ছিন্নতাবাদৰ জেৰ টানি’, ‘অধ্যয়নশীল ব্যক্তি শৰৎ চন্দ্ৰ সিংহ’, ‘প্ৰসঙ্গঃ শিল্প-সাহিত্যৰ সমালোচনা’ ‘মঞ্চৰ পৰা চলচ্চিত্ৰ’, ‘সন্ত্ৰাসবাদতকৈয়ো ভয়াৱহ মাদক দ্ৰব্যৰ বিৰুদ্ধে যুদ্ধ মিজোৰামৰ’, ‘অ’ল্ড ভিক থিয়েটাৰ’, ‘নিজৰ সৃষ্টিৰ কাৰণেও মানুহ লজ্জিত হয়’, ‘বলীউডৰ ছবিৰ কাৰচাজি’, ‘সশস্ত্ৰ বিপ্লৱৰ দলিল-‘আলচিনো এণ্ড দ্যা কণডোৰ’, ‘পিৰাণ্ডেলোৰ শিল্প-চেতনা’, ‘বৃত্তিমুখী শিক্ষাৰ পৰিৱেশ আজিও পুতৌজনক’, ‘উপন্যাস বনাম চলচ্চিত্ৰ’, ‘ৰাতিটোতে মাৰ্কিন নাট্যজগতত সুপ্ৰতিষ্ঠিত নাট্যকাৰ ক্লিফোৰ্ড ওৰেটছ’, ‘অন্তৰায় জীৱন সমস্যা’, ‘টমাচ আলভা এডিচন’, ‘গণতান্ত্ৰিক যোদ্ধা নাট্যকাৰ আৰ্থাৰ মিলাৰ’, ‘ব্ৰেখটৰ আদৰ্শক অটুত ৰখা বাৰ্লিণাৰ আঁচেম্বল’, ‘বিচ্ছিন্নতা আৰু সংযোগৰ ছবি ‘হিৰোছিমা মন অমুৰ’, ‘শোষিত সমাজৰ প্ৰতীক ‘ওকা উৰি কথা’, ‘ইউৰোপত নৱ নাট্যচিন্তা’, ‘যশস্বী নাট্যকাৰ অ্যালবি আৰু হান্সবেৰি’, ‘আৰউইন পিচকেটৰ আৰু ব্ৰেখট’, ‘অসমৰ ঐতিহ্যপূৰ্ণ কৃষ্টিসমূহৰ অন্যতম ‘ম’হ যুঁজ’, ‘জি এছ ৰোড কাণ্ডৰ জেৰ টানি’, ‘এখন শান্তি যুদ্ধৰ বাবে’ ইত্যাদি।

‘এখন শান্তি যুদ্ধৰ বাবে’ এখন নাটক সন্নিৱিষ্ট হৈছে যিখন কানপুৰত অনুষ্ঠিত হোৱা সৰ্বভাৰতীয় ভিক্ষাৰী নাট প্ৰতিযোগিতাত তৃতীয় শ্ৰেষ্ঠ চিত্ৰনাট্য হিচাবে পুৰস্কৃত হৈছিল।

পৰিশেষত লেখকৰ লগত এটা সাক্ষাৎকাৰো দিয়া হৈছে য’ৰ পৰা এজন স্পষ্টবাদী- বহুত কৰিবলৈ বিচৰা-সমাজৰ দুমুখীয়া চৰিত্ৰৰ বিৰুদ্ধে অসন্তুষ্ট এজন মানুহৰ মনৰ খবৰ পোৱা যায়।

## কলা বিষয়কঃ




**শিল্পচিন্তা**
**লেখক - হেমেন দাস**
**প্ৰকাশক - অসম প্ৰকাশন পৰিষদ**
**মূল্য - ২৫০.০০ টকা**

একমাত্ৰ সামাজিক দায়বদ্ধতাৰে অসমৰ নাট্য-চলচ্চিত্ৰ জগতত মৌলিক চিন্তাৰে অৰিহণা যোগাবলৈ কৰা চেষ্টাৰ ফল হৈছে এই বৃহৎ কলেৱৰৰ গ্ৰন্থখন। আচলতে কিতাপখন কেইবাখনো সৰু ডাঙৰ গ্ৰন্থৰ সমাহাৰ-‘নাট্য শিল্প’, ‘পম খেদি’ ‘চিনেমা চিনেমা’, ‘অভিনয়’, ‘অকণিহঁত চিনেমা নিৰ্মাণ কৰো আহা’, ‘চলচ্চিত্ৰৰ প্ৰসংগত’।

নাট্যশিল্পত আছে- ‘আমাৰ কথা’, ‘নাট্য-শিল্পৰ চমু অতীত ৰোমন্থন’, ‘বৰ্তমানৰ নাট্য-আন্দোলন’, ‘নাট্য-চৰ্চাৰ প্ৰয়োজনীয়তা’, ‘নাট প্ৰযোজনা’, ‘পৰিচালনা’, ‘পৰিচালকৰ আন আন কৰ্তব্য’, ‘নাটক নিৰ্বাচন’, ‘অভিনয়’, ‘অভিনয় শিল্পীৰ দায়িত্ব’, ‘ৰিহাৰ্চেল’, ‘মঞ্চ’, ‘দৃশ্য-সজ্জা’, ‘আলোক সম্পাত’, ‘আৱহ সংগীত আৰু শব্দক্ষেপণ’, ‘পৃথিৱীৰ নাট্য-শিল্পৰ প্ৰচলিত কেইটিমান থিয়েটাৰ’, ‘অনাতাঁৰ নাটক’, ‘শিল্পীৰ সামাজিক দায়িত্ব আৰু স্বীকৃতি’, ‘আমাৰ অতীত নাট্য-ভাবনাৰ উৎস’, ‘নাট্য সাহিত্যত প্ৰয়োগৰ দিশত কেইটিমান শৈল্পিক আন্দোলনৰ সংজ্ঞা’ আৰু ‘নাট্য-শিল্পত পৃথিৱীৰ কেইগৰাকীমান খ্যাতনামা ব্যক্তিৰ অভিমত’।

পমখেদিত আছে- ‘অভিনয়ৰ পমখেদি’, ‘ইংলণ্ডৰ নাট্য ইতিহাসৰ পমখেদি’, ‘সাহিত্যৰ ভাষাৰ পমখেদি’, ‘শিল্প, সাহিত্য, সমালোচনাৰ পমখেদি’ আৰু ‘দেৱদাসী প্ৰথাৰ পমখেদি’।

চিনেমা চিনেমাত আছে- ‘শিল্পকলানো কি?’, ‘চলচ্চিত্ৰনো কি?’, ‘চলচ্চিত্ৰ দৰ্শন’, ‘দৃশ্য শিল্প’, ‘চলচ্চিত্ৰৰ চমু ইতিহাস’, ‘চলচ্চিত্ৰৰ বিৱৰ্তন’, ‘চিত্ৰনাট্য’, ‘কলা নিৰ্দেশনা’, ‘চিনে ফটোগ্ৰাফি’, ‘শব্দ’, ‘বিশেষ কৌশল বা স্পিচিয়েল ইফেক্ট’, ‘সংগীত’, ‘সম্পাদনা’, ‘চলচ্চিত্ৰৰ চেন্সৰশ্বীপ’, ‘চলচ্চিত্ৰ শিক্ষা’ শিশুৰ কাৰণে চলচ্চিত্ৰ শিক্ষা’, ‘চলচ্চিত্ৰ প্ৰচলিত কেইটামান ধাৰা’ আৰু প্ৰশ্ন আৰু উত্তৰ (Question and Answer)।

অভিনয়ত আছে- ‘মঞ্চ আৰু চলচ্চিত্ৰ অভিনয়’, ‘চলচ্চিত্ৰ অভিনয়’, ‘নাটক আৰু চলচ্চিত্ৰ’, ‘অভিনয়ৰ ৰীতি-নীতি’, ‘পৰিচালক আৰু অভিনেতা-অভিনেত্ৰী’, মুকাভিনয়’, ‘মেজিকাভিনয়’ আৰু চাৰিগৰাকী বিশেষ প্ৰতিভাৰ অভিনেত্ৰী’।

চিনেমা চিনেমা ভাগটোৰ কাষত ভালেমান প্ৰশ্ন আৰু উত্তৰ সন্নিৱিষ্ট কৰা হৈছে।

বিশ্বৰ কেইখনমান উল্লখযোগ্য ছবি শিতানত ভালেকেইখন ভাল আৰু ব্যতিক্ৰমী চিনেমাৰ কাহিনী আৰু ট্ৰিটমেন্টৰ কথা কোৱা হৈছে।

চলচিত্ৰ নিৰ্মাণৰ বিভিন্ন কথা, অভিনয় শিল্পৰ বিভিন্ন কথা, চিত্ৰনাট্য লিখাৰ কথা, পোহৰৰ প্ৰয়োগ-নিৰ্বাচন, কেইগৰাকীমান বিশিষ্ট অভিনেতা-অভিনেত্ৰীৰ অভিনয়ৰ বিশিষ্টতা আদি বহুত কথা সন্নিৱিষ্ট কৰি এই কিতাপখন সকলো চিনেমা ৰসিক আৰু চলচিত্ৰ নিৰ্মাণৰ প্ৰতি আগ্ৰহী নশিকাৰুৰ বাবে এক অৱশ্য পঠনীয় আৰু গুৰুত্বপূৰ্ণ কিতাপ হিচাবে চিহ্নিত হৈছে। অতি কম সময়ত কিতাপখনৰ তিনিটা সংস্কৰণ প্ৰকাশ পোৱা কথাটোৱেও কিতাপখনৰ ভাল মানদণ্ডৰ কথা কয়।

লেখকৰ প্ৰকাশভংগী অতি প্ৰাঞ্জল আৰু ভাষা প্ৰয়োগ খুবেই স্থানীয় আৰু সাৱলীল। বিস্তৰ অধ্যয়ন আৰু গভীৰ মনোনিবেশ তথা একাগ্ৰতাৰ ফচল এই পুথি।

সাহিত্য-শিল্প-সমালোচনাৰ বহুত নজনা কথাৰ উন্মেষ হৈছে। লেখকৰ বিষয়বস্তুৰ প্ৰতি আগ্ৰহ আৰু নিষ্ঠা সুন্দৰ ৰূপত প্ৰকাশ হৈছে। লেখকৰ দৃষ্টিভংগী নিৰপেক্ষ আৰু বিজ্ঞানসন্মত। যথেষ্ঠ তথ্য-চিত্ৰ-ছবি-ব্যাখ্যা-উদাহৰণ আৰু মন্তব্যৰে ভৰপুৰ এই কিতাপ অসমীয়া শিল্প সাহিত্যৰ ক্ষেত্ৰলৈ এক গুৰত্বপূৰ্ণ অৱদান।

**বাতৰি কাকতৰ পৰা -**

**দৈনিক জনমভূমিঃ**

**(০৩/১১/২০১৮)**

**কব্য-বীথিকাত ড০ ভূপেন হাজৰিকা**
**সংকলন আৰু সম্পাদনা - ড০ নন্দিতা গগৈ ৰাজমহন**
**আলোচক - ড০ নৱ কুমাৰ চমুৱা**

অসমৰ সংগীত সূৰ্য ভূপেন হাজৰিকা এক বিশাল ব্যক্তিত্বৰ অধিকাৰী ব্যক্তি। তেখেতৰ জীৱনৰ সৰ্বকালৰ গুণমুগ্ধসকল, তেওঁৰ প্ৰতিটো গীতৰ লহৰে লহৰে জীৱনজুৰি আন্দোলিত হৈ থাকিব। ভূপেন হাজৰিকাই অসমীয়াৰ স্বভিমান আৰু আৱেগ-সত্তাত এটা নতুন উদ্দীপনাৰ সঞ্চাৰ কৰিলে। কথাষাৰ এনেদৰেও ক’ব পাৰি- শংকৰদেৱে সমগ্ৰ ভাৰত মন্থৰ কৰি অসমীয়া সাংস্কৃতিৰ বীজ ৰোপণ কৰিলে; জ্যোতি-বিষ্ণুৱে অসমীয়া ঐতিহ্যৰ শিপা মথি জাতীয়ত্ববোধৰ পোহৰ মেলিলে আৰু ভূপেন হাজৰিকাই বিশ্ব মন্থন কৰি অসমীয়াৰ স্পন্দন জগৎমুখী কৰি দিলে। ক্ষণজন্মা কিংবদন্তি পুৰুষ ভূপেন হাজৰিকাৰ জীৱন আৰু ব্যক্তিত্বৰ জিলিঙনিৰে এতিয়ালৈকে বহুতো গ্ৰন্থ প্ৰকাশিত হৈ আছে। সম্প্ৰতি অসমৰ নবীন-প্ৰবীণৰ কবিতাৰ চিন্তাৰ দ্যোতনাত ভূপেন হাজৰিকাৰ জীৱন-স্মৃতি-ব্যক্তিত্বৰ আনুভূতিক গুঞ্জনেৰে প্ৰকাশ হৈছে ‘কাব্য-বীথিকাত ড০

ভূপেন হাজৰিকা’ নামৰ কবিতাৰ সংকলন। সংকলনটোত সন্নিৱিষ্ট হৈছে,-নলিনীধৰ ভট্টাচাৰ্য, মামণি ৰয়ছম গোস্বামী, নগেন শইকীয়া, ৰাম গোস্বামী, ৰত্ন ওজা, কৰবী ডেকা হাজৰিকা, আনিছ্ উজ জামান, সমীৰ তাঁতী, নীলিম কুমাৰ, অমৰজ্যোতি চৌধৰী, সুমিত্ৰা গোস্বামী, ভূপেন চক্ৰৱৰ্তী, প্ৰদীপ শইকীয়া, দেৱপ্ৰসাদ তালুকদাৰ, অৱনী বৰা, প্ৰেম গগৈ, গৰগামোহন মিলি, প্ৰাণজিৎ বৰা, তপন বৰুৱা, সমীন্দ্ৰ হুজুৰী, প্ৰণয় ফুকন, নন্দ সিং বৰকোলা, বিৰিঞ্চি ভট্টাচাৰ্য, মেঘালী হাজৰিকা কাকতি, দিলীপ ৰঞ্জন দত্ত, গৌতম প্ৰসাদ বৰুৱা, বিৰিঞ্চি কুমাৰ মেধি, জয়জ্যোতি গগৈ, অজিত কুমাৰ বৰদলৈ, অৰুণ মহন্ত, ধ্ৰুৱজ্যোতি দাস, চৈয়দ চাদুল্লা, বনজিৎ তালুকদাৰ, ৰাজীৱ কুমাৰ ফুকন, তুলিকা চেতিয়া য়েইন, জোনমণী দাস, কমলেশ্বৰ কলিতা, বৰ্ণালী ভৰালী, কমল কটকী, ৰবীন ভূঞা, নগেন বৰা, পীতাম্বৰ দেৱগোস্বামী, অভিজ্ঞান অনুৰাগ, নীৰেন বৰুৱা, শোভেন হাজৰিকা, কমল বৰা, ৰাজীৱ ভূঞা, ত্ৰিদিব নন্দন বৰা, হৰেকৃষ্ণ দাস, সমীৰণ বৰদলৈ, অমৰেন্দ্ৰ নাথ বৰুৱা, ৰূপ কুমাৰ বৰা, বীৰেন হাজৰিকা, দেৱব্ৰত মহন্ত, হৃষীকেশ দাস, ত্ৰৈলোক্য চন্দ্ৰ বৰা, সুব্ৰত চন্দ্ৰ, পৰশমণি দাস, মানসী গগৈ আৰু নন্দিতা গগৈ ৰাজমহনৰ কবিতা। তদুপৰি তিনিগৰাকী বাংলা পুৰোধা কবিৰ কবিতাও সংকলনটোত ঠাই পাইছে।

‘কাব্য-বীথিকাত ড° ভুপেন হাজৰিকা’ কাব্য সংকলনটো কবিৰ মন, মগজু আৰু বৌদ্ধিক চেতনাত প্ৰতিভাত হৈ উঠা বিমূৰ্ত অনুভৱৰ প্ৰতিধ্বনি। ভূপেন হাজৰিকাৰ প্ৰতি আমাৰ কবিসকলৰ ই এক স্মৃতিমাল্য। ভূপেন হাজৰিকাক উপজীব্য কৰি ৰচনা কৰা এই কবিতাসমূহ কেৱল আবেগৰ উথলা নহয়। ইয়াত আছে সেই জাতিৰ প্ৰতিনিধিজনৰ এক আন্দোলিত গুঞ্জন। বহু সময়ত ইংৰাজী সাহিত্য ধাৰাত প্ৰচলিত ‘অ’কেজনেল পয়েমছ’ বা উপলক্ষমূলক কবিতাৰ ভিত্তিত উঠায়ো এই কবিতা সংকলনখন বিচাৰ কৰিব পৰাৰ অৱকাশ আছে। সংকলনটোত সন্নিৱিষ্ট কবিতাসমূহত আছে, ভূপেন হাজৰিকাৰ বিয়োগত কবিসকলৰ মনত সৃষ্টি হোৱা ভিন্ন ভাব আৰু আৱেগৰ প্ৰতিফলন। এইবিষয়ে সংকলনৰ পাতনিত উল্লেখ আছে, ‘ভূপেন হাজৰিকাৰ মহাপ্ৰয়াণে কবিসকলৰ মানসলোকত সৃষ্টি কৰা ভিন্ন ভাব আৰু আৱেগৰ দোলনৰ লগতে জাতীয় মহানায়কজনৰ গীতৰ মাজত প্ৰতিফলিত হোৱা স্বদেশ চেতনা, মানৱ প্ৰেম, সমন্বয় চেতনা, ঐতিহ্য প্ৰীতি, বিপ্লৱী চেতনা, বিশ্বপ্ৰেম আদি ভিন্ন অনুষংগৰ প্ৰতি ঐকান্তিক সন্মোহন। এজন চিৰন্তন, স্বভাৱসিদ্ধ কলাকাৰৰ প্ৰতি আৱেগসিক্ত শ্ৰদ্ধা আৰু ভক্তিপুৰ্ণ অঞ্জলিও কিছুসংখ্যক কবিতাৰ প্ৰতিপাদ্য বিষয়।

**ভালপোৱা কেৱল তেজতেই নাথাকে**
**লেখক - মনোৰঞ্জন বৰগোহাঞি**
**আলোচক - অংকুৰ ৰঞ্জন চাংমাই**

মোৰ ব্যক্তিগত অনুভৱ- কবিতা হ’ল নিঃচৰ্ত আত্মসমৰ্পণ। অন্তৰৰ অনুভূতি নহ’লে কবিতা সুন্দৰ হৈ নুঠে। কবিয়ে কবিতা গঢ়ে ধ্বনিৰে, শব্দেৰে, ছন্দেৰে, ব্যঞ্জনাৰে। সেই দিশৰ পৰা কবিসকল কবিতা গঢ়া কাৰিকৰ। কিন্তু সকলো কবি, কবিতাৰ প্ৰতিমা সজা খনিকৰ নহয়। প্ৰতিমাত যিদৰে কাৰিকৰী কৌশলক অতিক্ৰম কৰি নিহিত থাকে এক ৰূপময়তাৰ ইংগিত; প্ৰকৃত কবিতাতো থাকে শিল্পময়তাৰ ঊৰ্দ্ধৰ কোনো অনিৰ্বচনীয় অৰ্থময়তা। প্ৰাচীন সংস্কৃত সাহিত্যত কবি শব্দৰ এটা অৰ্থ আছিল দ্ৰষ্টা। মোৰ বোধেৰে যিজনে দৃষ্টি লাভ কৰিছে তেৱেঁই দ্ৰষ্টা নহয়; দ্ৰষ্টা তেৱোঁ যিজনে দৃষ্টি বিচাৰিছে, যাৰ আছে দৰ্শনৰ ইচ্ছা- চাবলৈ, পাবলৈ, বিচাৰিবলৈ অনিৰ্বাৰ ইচ্ছা। প্ৰকৃত কবিৰেই থাকে অবিৰত জিজ্ঞাসা, অফুৰন্ত অনুসন্ধান। আধুনিক কবিসকল সমসাময়িক সমাজৰ এজন নিৰ্মোহ নিৰীক্ষক, দায়িত্বশীল ভাষ্যকাৰ আৰু নিৰ্দয় সমালোচক। তেওঁলোকে আৱশ্যক বুজি মননশীলতাৰ শাণিত অস্ত্ৰেৰে সমাজ-দেহৰ ব্যৱচ্ছেদ কৰে। হয়, অস্থিৰতাই মানুহৰ সৃজনীশক্তিক অৱদমিত কৰি তোলে। হ’লেও একমাত্ৰ মানুহেই পাৰে উন্মাদনাত... হৃদয়তন্ত্ৰীত ঝংকাৰ তুলিব

পৰা মনুষ্যত্বৰ অবিনাশী গান, কবিতাৰ স্তোত্ৰ...। কবিয়ে ইয়াক অপেক্ষা কৰিব নোৱাৰি সুদীৰ্ঘ কাল কবিতা-চৰ্চা অব্যাহত ৰখাৰ ফলত কাব্যানুৰাগী পাঠকক উপহাৰ দিলে এই কিতাপখন। সেয়ে নিৰ্দ্বিধাই ক'ব পাৰিছে- '...উৎসৱৰ বতৰত অস্থিৰ হৈ পৰে মোৰ মন/ দিনে দিনে বাঢ়ি অহা ভোগৰ সংসাৰখনে সোঁৰৰাই যায়/ ভালপোৱা কেৱল তেজতেই নাথাকে, ভোকতো থাকে।' (উৎসৱৰ বতৰত)

মৌ-মাখিয়ে এটোপাল মৌ সৃষ্টিৰ বাবে দুহেজাৰপাহ ফুলৰ পৰা ৰস শুহি গোটাই আনে। সৃষ্টি কৰা নতুন টোপালটোত দুহেজাৰপাহ ফুলৰ সুকীয়া ৰস থাকিলেও ইয়াৰ অস্তিত্ব সম্পূৰ্ণ সুকীয়া। কবিসকলো ঠিক তেনেকুৱাই। মনোৰঞ্জনৰ কাব্য সংকলনটোও যেন সন্মিলিত নিৰ্দিষ্ট সেই মৌ টোপালটো। সংকলনখনত সন্নিৱিষ্ট কবিতাবোৰ ইটোৰ পৰা সিটো পৃথক হ'লেও সামগ্ৰিক ভাবাৰ্থ সেই একেটাই- মৌবৰষা প্ৰেম, ভালপোৱা। 'উপকূলীয় তাপ'- শীৰ্ষক কবিতাটোত সেয়ে তেওঁ কৈছে- '...জীয়াইতো আছোঁ জুখিবলৈ' জীৱনৰ সপোন যেন মৌ/ দুখৰ চাকনৈয়াত হেৰুৱাবলৈ আপোন সুৰ/ জ্বলাই লৈ বুকুত উৰঁলি যোৱা পাপ/ আৰু তোমাৰ প্ৰেমৰ উপকূলীয় তাপ।'

কবিতাবোৰ পঢ়ি অনুভৱ হৈছে তেওঁ যি ক'ব বিচাৰিছে সেয়া অকপটে স্বাধীন ব্যক্তিসত্তাৰ দৰে পোনপটীয়াকৈ কৈ দিছে। অৰ্থাৎ কবি মনোৰঞ্জন পৰম বাস্তৱ 'আলটিমেট ৰিয়েলিটী'ৰ অনুসন্ধানী। 'নিৰ্বাচনৰ মালিতা' শীৰ্ষক কবিতাত তেওঁ কৈছে- '...নিৰ্বাচন আহিলে বক্তৃতা দি দি নেতাবোৰ ভাগৰি নপৰে/ দুপৰ নিশালৈকে দৰ্শনাৰ্থীৰ লগত আলাপ কৰিব পাৰে/ অনুৰাগীক দিব পাৰে গোপন মন্ত্ৰণা/ ভাঙিবলৈ শত্ৰুৰ দুৰ্গ, দৰদাম চলে ভোট আৰু বিবেকৰ/ মদ আৰু মঙহৰ।'

উল্লেখযোগ্য যে সাম্প্ৰতিক কবিসকলে কবিতাত কোনো ভাঁজ বা কেঁকুৰি নাৰাখি এক সৰলৰৈখিকৰ দৰে (সংবাদ সাহিত্যৰ লেখক, সাংবাদিকৰ যিটো ধৰ্ম) পোনপটীয়াকৈ ক'ব বিচাৰে, বিচৰণ কৰে। এই কাব্য সংকলনৰ স্ৰষ্টায়ো তেওঁৰ কবিতাৰ জৰিয়তে আধুনিক নাগৰিক জীৱনৰ প্ৰাত্যহিকতাক স্বীকাৰ কৰিও শোষণ-নিষ্পেষণৰ বন্ধনৰ পৰা মুক্ত হৈ মানুহৰ আত্মমৰ্যদা প্ৰতিষ্ঠাৰ মৌলিক দাবী কৰিবলৈ বিচাৰিছে উজ্জীৱিত। মাটিৰ নিৰ্যাস লৈ থকা তেজ-মঙহৰ নাৰী-পুৰুষেই ভাস্বত আৰু প্ৰতিফলিত হৈছে তেওঁৰ কবিতাত। প্ৰথমখন কাব্য সংকলনতেই এন্ধাৰত জোনাকী পৰুৱাৰ জিকমিকনিৰ দৰে আশাবাদৰ এটি সুৰ ধ্বনিত হৈছে।

এটা কথা উপলব্ধি হৈছে আৰু অপ্ৰিয় হ'লেও সেই কথাষাৰ হৈছে- সাম্প্ৰতিক অসমত এটা বস্তুৰ চমৎকাৰ খেতি হ'বলৈ লৈছে। সকলো ঋতুতেই সেয়া উচ্চ ফচনশীল। সেই বস্তুটোৱেই হ'ল প্ৰশস্তি। এই বহুধা বিস্তৃত প্ৰশস্তিৰ জালত ধৰা নিদি যিসকলে নিজস্ব সু-চেতনাত সুস্থিৰ হৈ থাকি নিজকে আঁতৰাই সাধনা চলাই যাব পাৰে তেওঁলোক নমস্য, ব্যতিক্ৰম।

**আবৃত্তি সংগ**
**লেখক - ৰিজুমণি শইকীয়া তামুলী**
**প্ৰকাশক - বাক প্ৰকাশন**
**আলোচক - প্ৰাঞ্জল প্ৰতিম বড়া**
**মূল্য - ৫০০.০০ টকা**

আবৃত্তি সৰ্বশাস্ত্ৰানাং বোধদপি গৰীয়সী। আবৃত্তি এক শিল্প। বৰ্ণৰ শুদ্ধ উচ্চাৰণৰ আবৃত্তি এক মাধ্যম। শুদ্ধ উচ্চাৰণে শ্ৰোতাক অন্তৰলৈ কঢ়িয়াই নিব পাৰে ভাব আৰু অনুভৱ। আবৃত্তিক কোৱা হয় সকলো শাস্ত্ৰ বুজি পোৱাতকৈও বেছি গুৰুত্বপূৰ্ণ। কাৰণ ই শাস্ত্ৰৰ অন্তৰ্নিহিত সাৰমৰ্ম বুজিব পৰাকৈ বাট কাটি দিয়ে।

কবিতাৰ আবৃত্তিও হ'ল মেটমৰা এক শিল্পকৰ্ম। এনে এক শিল্প কৰ্মৰ সমল হ'ল পাঁচ শতাধিক আবৃত্তিযোগ্য কবিতাৰ এই সংকলনখন।

'আবৃত্তিয়ে পূৰ্ণ কৰে কবিতাৰ জীৱন' শীৰ্ষক পাতনিৰে আৰম্ভ হোৱা গ্ৰন্থখনে বিভিন্ন দিশত বিশেষ তাৎপৰ্য বহন কৰিছে। পাতনিতে কবিতা আবৃত্তিৰ গ্ৰহণযোগ্যতা আৰু জনপ্ৰিয়তাৰ প্ৰসংগ উত্থাপন কৰি উল্লেখ কৰা হৈছে যে অসমত নৱ-বৈষ্ণৱ আন্দোলনৰ মাজেৰে শংকৰ-মাধৱে যি নামধৰ্ম প্ৰচাৰ কৰিছিল তাতো কীৰ্তন পাঠ, ভাগৱত পাঠ আদি পঠন কাৰ্যৰ যোগেদি আবৃত্তি কলাৰ লৌকিক ৰীতি গঢ় লৈ উঠিছিল। শিশুক ওমোলোৱা, জীৱনৰ নীতিশিক্ষা দিয়া, জীৱনক বৰ্ণনা কৰাৰ পৰা আৰম্ভ কৰি জনসাধাৰণৰ চিন্তা-চেতনাক জাগ্ৰত কৰা গণসংযোগৰ শক্তিশালী মাধ্যম ৰূপে কবিতা আবৃত্তিক প্ৰতিষ্ঠা কৰিব পাৰি। এনে উদ্দেশ্য আগত ৰাখিয়েই 'আবৃত্তি সংগ' প্ৰস্তুত কৰা হৈছে বুলি ধাৰণা কৰিব পাৰি। গ্ৰন্থখনৰ কেইটামান বিশেষ বৈশিষ্ট্য চকুত পৰে। কেৱল আবৃত্তি কৰা উদ্দেশ্যৰেই গ্ৰন্থখনত কবিতাৰ নিৰ্বাচন কৰা হোৱা নাই। গ্ৰন্থৰ সূচীপত্ৰই প্ৰমাণ কৰিছে কবিতাৰ মাধ্যমেৰে জাতীয় চেতনা উদ্বুদ্ধ কৰা, ভাষা আৰু জননীৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰাৰ প্ৰশংসনীয় উদ্দেশ্য আগত ৰাখি সংকলনখনক এখন সংৰক্ষণযোগ্য গ্ৰন্থৰ আৰ্হিত প্ৰস্তুত কৰিছে। যিহেতু যুগে যুগে প্ৰতিখন দেশত প্ৰতিটো ভাষাত কবিত আবৃত্তিৰ চৰ্চা চলি আহিছে, গতিকে অসমীয়া কবিতা আবৃত্তিত এক বিশেষ ভূমিকা ল'ব পৰাকৈ গ্ৰন্থখন সজোৱা হৈছে। কথাশিল্পী ড নগেন শইকীয়াৰ 'শুভেচ্ছা-সন্দেশ' শীৰ্ষক আদৰণি লিখনীৰে সমৃদ্ধ সংকলনখনৰ সূচীপত্ৰ আৰম্ভ হৈছে ব্যতিক্ৰমী চিন্তাৰে। জাতীয় সংগীত 'অ' মোৰ আপোনাৰ দেশ', অসম সাহিত্য সভাৰ উদ্বোধনী গীত 'চিৰ চেনেহী মোৰ ভাষা জননী', বিহু সন্মিলনৰ উদ্বোধনী গীত 'শ্ৰীময়ী অসমী' আৰু শ্লোক, প্ৰাৰ্থনাৰে আৰম্ভ হৈছে। সংকলনখনৰ আন এক বৈশিষ্ট্য হ'ল ইয়াত সন্নিৱিষ্ট আবৃত্তিযোগ্য কবিতাবোৰ ওমলা কবিতা, শিশু কবিতা, লোক কবিতা আৰু আবৃত্তি উপযোগী কবিতা ইত্যাদি নামকৰণেৰে ভাগ ভাগকৈ সজোৱা হৈছে। মিত্ৰদেৱ মহন্তৰ পৰা আৰম্ভ কৰি নতুন প্ৰজন্মৰ কবি মৃদুল হালৈলৈকে সৰ্বমুঠ ১৩১ জন কবিৰ কবিতা ইয়াত অন্তৰ্ভুক্ত হৈছে। অসমীয়া সাহিত্যৰ যুগ কিম্বা শতিকা অনুযায়ী কবিসকলক সূচীপত্ৰত একাদিক্ৰমে অন্তৰ্ভুক্ত নকৰি কবিতাৰ বৈশিষ্ট্যৰেহে কবিতাসমূহ সূচীপত্ৰত উল্লেখ কৰা দেখা গৈছে। কবিৰ কবিতাৰ উপৰি 'ৰজাই হুকুম দিছে', 'এইটো কাৰ দ'ল', 'অ' ফুল, অ' ফুল নুফুলনো কিয়?' ইত্যাদি ১৫ টা লোক কবিতাকো ইয়াত সন্নিৱিষ্ট কৰা হৈছে। প্ৰাচীন যুগৰ কবি শংকৰদেৱৰ 'কৰতল কমল কমল দল নয়ন', মাধৱদেৱৰ কবিতা অসমীয়া ভাষা আৰু সাহিত্যৰ গুৰি ধৰোঁতা লক্ষ্মীনাথ বেজবৰুৱা, জ্যোতিপ্ৰসাদ আগৰৱালা, আনন্দ চন্দ্ৰ আগৰৱালাৰ কবিতা, কবিতাৰে অসমীয়া সাহিত্য যুগৰ সৃষ্টি কৰা অম্বিকাগিৰী ৰায়চৌধুৰী, ৰঘুনাথ চৌধুৰী, নলিনীবালা দেৱী, পাৰ্বতী প্ৰসাদ বৰুৱা, মামণি ৰয়ছম গোস্বামীৰ আবৃত্তিযোগ্য যুগজয়ী কবিতাবোৰ পৰ্যায়ক্ৰমে অন্তৰ্ভুক্ত কৰা হৈছে। শিশু কবিতাৰ তালিকাত লক্ষ্যধৰ চৌধুৰীৰ বহু জনপ্ৰিয় কবিতা 'মোৰ লক্ষ্য', নিৰ্মলপ্ৰভা বৰদলৈৰ 'মাহীদেউৰ পুতলা', ড ভূপেন হাজৰিকাৰ 'ভূপেন মামাৰ এক দুই তিনি', মহিম বৰাৰ 'ভয়'ৰ পৰা কৰবী ডেকা হাজৰিকাৰ 'আমাৰে মইনা', নীলকান্ত শইকীয়াৰ 'বগ বগ বগলী'লৈকে ভালেকেইটা কবিতা সন্নিৱিষ্ট কৰা হৈছে। স্কুল-কলেজৰ ছাত্ৰ-ছাত্ৰীয়ে কবিতা আবৃত্তি প্ৰতিযোগিতাত সততে বাছি লোৱা বহু জনপ্ৰিয় কবিতাই ইয়াত স্থান পাইছে। গণেশ গগৈ, অমূল্য বৰুৱা, দেৱকান্ত বৰুৱা, চৈয়দ আব্দুল মালিক, বিৰিঞ্চি কুমাৰ ভট্টাচাৰ্য, হেম বৰুৱা, কেশৱ মহন্ত, নৱকান্ত বৰুৱা, হেমাংগ বিশ্বাস, বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য, মহেন্দ্ৰ বৰা, অজিৎ বৰুৱা, কবীন ফুকন, ৰাম গগৈ, হীৰেন ভট্টাচাৰ্য, অৱনী চক্ৰৱৰ্তী, ৰবীন্দ্ৰ সৰকাৰ, গৌতম প্ৰসাদ বৰুৱা, হোমেন বৰগোহাঞি, নীলমণি ফুকন, নগেন শইকীয়া, হৰেকৃষ্ণ ডেকা, আনিছ উজ জামান প্ৰমুখ্যে বৰেণ্য সাহিত্যিকসকলৰ নাম এই ক্ষেত্ৰত উল্লেখ কৰিব পাৰি। ঠিক তেনেদৰে বৰ্তমান সময়ৰ প্ৰতিষ্ঠিত কবি সনন্ত তাঁতী, সমীৰ তাঁতী, অনুপমা বসুমতাৰী, অৰ্চনা পূজাৰী, নীলিমা ঠাকুৰীয়া হক, নীলিম কুমাৰ, ৰফিকুল হুছেইন, লুটফা হানুম ছেলিমা বেগম, এম কামালুদ্দিন আহমেদ, সৌৰভ শইকীয়া, জীৱন নৰহ, জ্যোতিৰেখা হাজৰিকা, ৰীতা বৰুৱা, বিপুলজ্যোতি শইকীয়া, প্ৰাণজিৎ বৰা, ধ্ৰুৱ কুমাৰ তালুকদাৰ, মণিকুনতলা ভট্টাচাৰ্য, উদয় কুমাৰ শৰ্মা, চেনিৰাম গগৈ, মাখন কলিতাৰ নিৰ্দিষ্ট কবিতাই সংকলনখনক এক কাব্যিক ওজন দিছে। সংকলকে আবৃত্তিৰ যোগে কাব্যপ্ৰেমীৰ হৃদয় স্পৰ্শ কৰা আধুনিক কবিতাকো অন্তৰ্ভুক্ত কৰিছে। অন্তৰ্ভুক্ত হৈছে অমৰজ্যোতি চৌধৰীৰ 'মৃত্যু জিনাৰ গান' প্ৰণৱ কুমাৰ

বৰ্মনৰ ‘সন্দিকৈ কলেজৰ তুমি সাগৰিকা বৰদলৈ’ৰ দৰে জনপ্ৰিয় কবিতা। সাম্প্ৰতিক অসমীয়া কাব্য সাহিত্যত চিনাকি নাম হৈ উঠা বহুকেইজন কবিৰ এটাকৈ কবিতা অন্তৰ্ভুক্ত কৰি আধুনিক কবিতাৰ আবৃত্তিৰ যোগ্যতা সম্পৰ্কেও আলোচনা কৰাৰ সুবিধা পাঠকক দিয়া হৈছে। দেৱপ্ৰসাদ তালুকদাৰ, প্ৰণয় ফুকন, ৰাজীৱ বৰুৱা, ৰনজন কুমাৰ ৰেগন, প্ৰদীপ শইকীয়া, নন্দ সিং বৰকলা, ৰাজীৱ বৰা, গংগামোহন মিলি, ৰবীন ভূঞা, পংকজ গোবিন্দ মেধিৰ পৰা আৰম্ভ কৰি হৰেন গগৈ, বিশাল অনুৰাগ, জিতুমণি শইকীয়া, কমল কুমাৰ মেধি, বৰ্ণালী বৰগোহাঁই,ৰণজিৎ গগৈ, উজ্জ্বল পাওগাম, প্ৰাঞ্জল প্ৰতিম বড়া, বিজয় শংকৰ বৰ্মনলৈ বহুকেইজন কবিৰ অতি সাম্প্ৰতিক সময়ৰ কবিতাই আবৃত্তি সম্পৰ্কীয় নতুন নতুন পৰীক্ষা-নিৰীক্ষা আৰু কবিতাত আবৃত্তি কলা প্ৰয়োগেৰে কবিতালৈ এটা ৰূপান্তৰ অনাত কেনেদৰে সহায়ক হৈছে তাক গৱেষণামূলক দৃষ্টিৰে গ্ৰন্থখনে দাঙি ধৰিছে। এক কথাত ক’বলৈ গ’লে ‘আবৃত্তি সংগ’ হ’ল কবিতা আবৃত্তিৰ সংগস্বৰূপ এখন গ্ৰন্থ। প্ৰাচীন কালৰ পৰা বৰ্তমান সময়লৈকে অসমীয়া আবৃত্তিযোগ্য কবিতাৰ বিষয়ত গৱেষণা হ’লে এই গ্ৰন্থ হৈ উঠিব এখন অতি নিৰ্ভৰযোগ্য আৰু তথ্যপূৰ্ণ গ্ৰন্থ।

**(১০/১১/২০১৮)**

**অসমীয়া চুটি গল্প**
**লেখকা - ড° প্ৰাপ্তি বৰঠাকুৰ**
**প্ৰকাশক - পূৰ্বাঞ্চল প্ৰকাশন**
**আলোচক - অপূৰ্ব বৰা**
**মূল্য - ৩০০.০০ টকা**

প্ৰাপ্তি ঠাকুৰে ইতিমধ্যে ‘ৰামধেনুৰ গল্পঃ বিচাৰ আৰু বিশ্লেষণ’, ‘গল্প আৰু গল্পকাৰ’– শীৰ্ষক দুখন গল্পৰ সমালোচনা বিষয়ক গ্ৰন্থ অসমীয়া সাহিত্যলৈ আগবঢ়াইছে।

গ্ৰন্থখনত লেখিকাই ঊনৈশটা অসমীয়া চুটিগল্প সম্পৰ্কীয় লেখা সন্নিৱিষ্ট কৰিছে। ইয়াৰ ভিতৰত লক্ষ্মীনাথ বেজবৰুৱা, বীণা বৰুৱা, আব্দুল মালিক, মহিম বৰা, সৌৰভ কুমাৰ চলিহা, স্নেহ দেৱী, কৃষ্ণ ভূঞা, বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য, অতুলানন্দ গোস্বামী, ৰোহিনী কুমাৰ কাকতি, বাসন্তী বৰুৱা, প্ৰবীণা শইকীয়া, ড° ভবেন্দ্ৰ নাথ শইকীয়া, হোমেন বৰগোহাঞি, মামণি ৰয়ছম গোস্বামী, প্ৰফুল্ল চন্দ্ৰ বৰা, যতীন্দ্ৰ কুমাৰ বৰগোহাঞি, এই সোতৰজন গল্পকাৰৰ গল্পৰ বিষয়ে আলোচনা কৰিছে। এই আলোচনাত লেখিকাই গল্পকাৰসকলৰ গল্পৰ বিভিন্ন দিশবোৰ আলোচনা কৰাৰ লগতে কেইজনমান গল্পকাৰৰ নিৰ্দিষ্ট কেইটামান গল্পৰ নিৰ্বাচন আগবঢ়াইছে। তেনে কেইটামান গল্প– লক্ষ্মীনাথ বেজবৰুৱাৰ ‘ধোঁৱাখোৱা’, বীণা বৰুৱাৰ ‘আঘোণী বাঈ’, ‘মালিকৰ ঢাকনি’ আৰু ‘স্পন্দন’, সৌৰভ কুমাৰ চলিহাৰ ‘বীণা কুটিৰ’ আৰু ‘গোলাম’, ভবেন্দ্ৰ নাথ শইকীয়াৰ ‘বৰ্ণবোধ’। ইয়াৰ উপৰি প্ৰবীণা শইকীয়াৰ ‘অবিনাশী স্বপ্ন’ গল্প সংকলনখনৰ গল্পকেইটাৰ বিষয়ে আলোকপাত কৰিছে। গল্পসমূহৰ এনে আলোচনাই গ্ৰন্থখনৰ বিদ্যায়তনিক গুৰুত্ব বৃদ্ধি কৰিছে। বিশেষকৈ যিকেইটা গল্প লেখিকাই নিৰ্বচনৰ কাৰণে তুলি আনিলে সেইকেইটা গল্প প্ৰায়েই মহাবিদ্যালয় পৰ্যায়ৰ পাঠ্যক্ৰমত সন্নিৱিষ্ট হৈ থাকে। গতিকে এনে নিৰ্বাচনে আগ্ৰহী পাঠকৰ লগতে ছাত্ৰ-ছাত্ৰীসকলকো উপকৃত কৰিব বুলি আমাৰ বিশ্বাস।

গ্ৰন্থখনৰ এটা বিশেষ উল্লেখনীয় দিশ হ’ল– লেখিকাই অসমীয়া গল্প সাহিত্যৰ কেইজনমান গুৰুত্বপূৰ্ণ অথচ একপ্ৰকাৰ উপেক্ষিত গল্পকাৰৰ গল্পৰ আলোচনা কৰি তেওঁলোকৰ সৃষ্টি প্ৰতিভাৰ লগত পাঠকক পৰিচয় কৰাই দিছে। এই ক্ষেত্ৰত ৰোহিনী কুমাৰ কাকতি, বাসন্তী বৰুৱা, প্ৰফুল্ল চন্দ্ৰ বৰা, যতীন্দ্ৰ কুমাৰ

বৰগোহাঞিৰ নাম উল্লেখনীয়। আটাইকেইজন গল্পকাৰৰ অসমীয়া সাহিত্যৰ প্ৰতি যথেষ্ট বৰঙণি আছে। কিন্তু সমালোচকসকল তেখেতসকলৰ বিষয়ে অত্যন্ত উদাসীন। বাসন্তী বৰুৱাৰ বাহিৰে বাকীকেইজনৰ নাম কোনোবাই ক'ৰবাত উল্লেখ কৰিলেও বাসন্তী বৰুৱাৰ ক্ষেত্ৰত সকলো নীৰৱ। ৰামধেনু যুগৰ এইগৰাকী গল্পকাৰৰ গল্পৰ আলোচনা কৰি প্ৰাপ্তি ঠাকুৰে এটা উচিত কাম কৰিছে।

গ্ৰন্থখনত সন্নিৱিষ্ট এটা গুৰুত্বপূৰ্ণ প্ৰবন্ধ হ'ল– 'অসমীয়া চুটিগল্পত ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ প্ৰতিফলন'। প্ৰবন্ধটোত ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ বিভিন্ন প্ৰেক্ষাপট আলোচনা কৰি সেই প্ৰেক্ষাপটে অসমীয়া চুটিগল্পৰ ক্ষেত্ৰখন কেনেদৰে সমৃদ্ধ কৰিছিল আৰু তাৰ লগতে স্বাধীনতা আন্দোলনৰ পটভূমিত ভিন্ন দৃষ্টিকোণেৰে লিখা গল্প সম্পৰ্কে বিশদ আলোচনা কৰিছে। স্বাধীনতা আন্দোলনৰ বিভিন্ন স্তৰত অসমীয়া চুটিগল্পৰ ভাববস্তুৱে কেনেদৰে সুৰ সলাইছিল আৰু স্বাধীনতা আন্দোলনৰ পৰিণতিয়ে গল্পকাৰসকলৰ মনত কেনেদৰে ভিন্ন ধৰণৰ প্ৰক্ৰিয়াৰ সৃষ্টি কৰিছিল এই দিশবোৰ প্ৰবন্ধটোত বিষদভাৱে আলোচনা কৰিছে।

গ্ৰন্থখনৰ বিশেষ দিশ হ'ল– 'আগলি পাত' শীৰ্ষকেৰে নগেন ঠাকুৰে লিখা পাতনিখন। পাতনিখনত তেখেতে গ্ৰন্থখনত সন্নিৱিষ্ট প্ৰতিটো প্ৰবন্ধৰ ওপৰত আলোকপাত কৰাৰ উপৰি গল্পকাৰ আৰু গল্প সম্পৰ্কত নিজস্ব মন্তব্য আগবঢ়াইছে। তেখেতৰ এনে মন্তব্যই পাঠকসকলৰ গল্প পাঠৰ ক্ষেত্ৰত নতুন দিশৰ সন্ধান দিব। পাতনিত তেখেতে প্ৰাপ্তি ঠাকুৰে আলোকপাত নকৰা দুই–এটা দিশ উন্মোচিত কৰিছে। এইটো পাঠকসকলৰ এটা মূল্যৱান উপৰুৱা প্ৰাপ্তি। পাতনিখনত ঠাকুৰে, উচিতভাৱেই মন্তব্য কৰিছে– 'গ্ৰন্থখন অসমীয়া গল্প সাহিত্যৰ অধ্যয়নৰ অন্যতম এক মাইলৰ খুঁটি হৈ ৰ'ব বুলি আশা কৰিব পাৰি। প্ৰাপ্তিৰ অধ্যয়ন আছে, বিশ্লেষণ কৰিব পৰা দক্ষতা আছে আৰু সবাৰো উপৰি তেওঁৰ লেখন–শৈলী শক্তিশালী।

**(১২/১১/২০১৮)**

**প্ৰসৱ বেদনাত মা আৰু মই**
**লেখিকা - ৰীতা গোৱালা**
**প্ৰকাশক - অসম চাহ জনগোষ্ঠী সাহিত্য সভা**
**আলোচক - ৰেণু গোৱালা**

'মা' হল এক স্বৰ্গীয় অনুভূতি, এক ঐশ্বৰিক শক্তি। প্ৰতিগৰাকী নাৰীৰ অন্তৰত নিভৃত কোণত এই অনুভৱ গোপনে লালিত পালিত হৈ বাঢ়ি আহে এজোপা বৃক্ষৰ দৰে। বিয়াৰ পাছত প্ৰতিগৰাকী নাৰীয়ে সপোন দেখে মাতৃ হোৱাৰ। মাতৃত্বৰ গৌৰৱ অনুভৱ কৰি আত্মহাৰা হোৱাৰ কত যে উদাহৰণ আছে ইতিহাসত। প্ৰতিটো যুগতে মাতৃ আৰু সন্তানক লৈ সৃষ্টি হৈছে অনেক গ্ৰন্থ। যেনে মহাভাৰত কৃষ্ণৰ লীলা। আই–মাতৃৰ ব্যাকুলতা ইত্যাদি। আনহাতে, মেক্সিম গাৰ্কিৰ কালজয়ী সৃষ্টি 'মা'। ৰাছিয়াৰ বৰ্বৰ জাৰতন্ত্ৰৰ বিৰুদ্ধে শ্ৰমিক, কৃষক আৰু সাধাৰণ মানুহৰ অবিৰত সংগ্ৰামৰ প্ৰতীক। সন্তানৰ কাৰণে কেনেদৰে মাতৃয়ে ত্যাগ কৰিব পাৰে। মাতৃ পেলগী নিল'ৱানাই কি দৰে প্ৰথমে পুত্ৰ পেভেল আৰু পিছত শ্ৰমিক সমাজৰ বাবে নিজৰ জীৱনক তুচ্ছ জ্ঞান কৰিছে। 'মা' হ'ল ত্যাগৰ প্ৰতীক, প্ৰেৰণাৰ উৎস। কৰ'বাত দুখ পালে, কেতিয়াবা উজুতি খালে আমাৰ মুখেদি অজানিতে ওলাই আহে 'মা' বুলি। 'মা'ক লৈ এনেদৰে বহুতো মহান গ্ৰন্থৰ সৃষ্টি হৈছে। যেনে– Please look after mother– Kyung Sook Shin, Mom & me & Mom– Maya Angelou, Love you forever– Rum Reichi ৰ The Mother's Day– Nanney Biracr ইত্যাদি।

চাহ জনগোষ্ঠীয় সমাজৰ আগশৰীৰ লেখিকা গৰাকীৰ এই কাব্য সংকলনটিৰ বিষয়বস্তু হৈছে মূলতঃ চাহ জনজাতিসকলৰ মাতৃসকল। একবিংশ শতিকাৰ আৰম্ভণিৰ পৰাই সাহিত্য চৰ্চা কৰি দৈনিক জনমভূমিৰ

'এটি কলি দুটি পাত' শিতানৰ সৌষ্ঠৱ বৃদ্ধি কৰা ৰীতা গোৱালাৰ গল্প, কবিতা আৰু প্ৰৱন্ধই পাঠকৰ মন আলোড়িত কৰি গৈছে। বিদ্ৰোহী কলমে ঘোষণা কৰিব বিচাৰে এক বিপ্লৱৰ। যি বিপ্লৱে সলনি কৰিব চাহ জনগোষ্ঠীৰ অৱহেলিত বৃহৎ সমাজখনক। ভাৰতীয় অৰ্থনীতিত অসমৰ চাহ শিল্পৰ বলিষ্ঠ অৱদানৰ কথা কোনোৱে নুই কৰিব নোৱাৰে। চাহ উৎপাদনৰ গুৰিতেই হ'ল চাহ শ্ৰমিকসকলৰ শ্ৰম আৰু কষ্ট। চাহ শ্ৰমিকসকলৰ জীৱন আজিও শাসন-শোষণৰ যন্ত্ৰণাৰে পীড়িত। গোৱালাৰ কাব্যসংকলনত অংকন কৰা হৈছে শ্ৰমিক মাতৃসকলৰ অন্য এক বাস্তৱ ৰূপ। যি সময়ত বিশ্বৰ প্ৰতিগৰাকী গৰ্ভৱতী নাৰীয়ে অশেষ যত্ন আৰু তত্বাৱধানত থাকি সন্তান জন্ম দিয়ে তেনে সময়ত শ্ৰমিক মহিলাসকল কেনেদৰে অৱহেলিত হয়। প্ৰসৱৰ সময়তো কেনেদৰে তেওঁলোকে বাগিচাত কৰ্মৰত হৈ থাকে। এনে এক অপ্ৰিয় সত্য চিত্ৰ অংকনত কবিগৰাকী সাৰ্থক।

'মাৰ প্ৰসৱ যন্ত্ৰণাৰ চিঞৰত
হঠাৎ মই গৰ্ভতে সাৰ পাই ভাবিছিলোঁ
শিশুৰ আটাইতকৈ সুৰক্ষিত স্থান
মাতৃগৰ্ভত
আৰু মই তাতেই ইমান অসুৰক্ষিত।'

প্ৰতিগৰাকী নাৰীয়ে সন্তানৰ কাৰণে অশেষ কষ্ট কৰিব পাৰে। যিমানে দুখ-কষ্ট হ'লেও সন্তানৰ মুখ চোৱাৰ লগে লগে স্বৰ্গীয় সুখ অনুভৱ কৰে। ঢৌ খেলি এই সুখ বাগৰি যায় হাঁহি ৰূপে। কবিয়ে সুন্দৰ পংক্তিৰে ইয়াক বৰ্ণনা কৰিছে এনেদৰে-

'জোক-পোক
ৰ'দ-বৰষুণ
মাৰ জীৱন পেৰাত
মোৰ সেউজীয়া হাঁহিৰ বাবে
কুঁহিয়াৰ চেপি আনে
তাম বৰণীয়া হাঁহি
মোৰ সুখৰ ভঁড়াল বাঢ়ে।'

অন্ধকাৰ আৰু অস্বাস্থ্যকৰ পৰিৱেশত ডুব যোৱা চাহ বাগিচাৰ শ্ৰমিকসকল সদায়ে বিভিন্ন বেমাৰ-আজাৰত ভুগি থকা দেখা যায়। বাগিচাৰ হস্পিটেলবোৰত সদায় বেমাৰীৰ ভিৰ। শ্ৰমিক লাইনৰ পাইপত অহা পানী আৰু বাবু লাইনৰ পাইপত অহা পানীৰ মাজত বহু পাৰ্থক্য। আনহাতে, বিভিন্ন বেমাৰৰ বীজাণু কঢ়িয়াই ফুৰে শ্ৰমিক লাইনৰ নলাবোৰে। কবিয়ে এনে চিত্ৰ অংকন কৰিছে 'মা মোৰ আজি আকৌ অসুস্থ'ত এনেদৰে-

বৰকৈ ফোঁপাইছে
জীৱনত অক্সিজেনৰ ঠিকনা
কমি আহিছে।
হাওঁফাওঁ শুকাই পুঁজ হৈছে
আৰু থু আক থু।'

পৰিয়াল-পৰিকল্পনা নথকা অশিক্ষিত শ্ৰমিকসকলে সন্তান ভগৱানৰ দান বুলি গ্ৰহণ কৰে। সেয়েহে শ্ৰমিক পৰিয়ালসমূহত কমেও ৫/৬ টাতকৈ সৰহ সন্তান হোৱা দেখা যায়। কবিয়ে কৈছে এনেদৰে-

'আগৰ সন্তানকেইটি
কুকুৰ-মেকুৰীৰ দৰে জীয়াই আছে
ময়ো থাকিম।'

'শিৰীষ' নামৰ কবিতাটিত কাব্যিক সৌন্দৰ্যৰ ৰস পাঠকসকলে আস্বাদন কৰিব পাৰিব।

‘ভ্ৰুণতে চিনাকি
তুমি শিৰীষ
মোৰ সংগী
মাক ছাঁ দিলা
মই জী উঠিলোঁ।’

‘বাগানীয়া নাৰীৰ দস্তাবেজ’ কবিতাটিত কবিয়ে শ্ৰমিকসকলৰ ব্যস্ততাপূৰ্ণ জীৱনৰ কথা উল্লেখ কৰিছে। ইয়াৰ উপৰি চাহ জনগোষ্ঠীয় সংস্কৃতিত মাদলৰ তাৎপৰ্য প্ৰকাশ কৰিছে এইদৰে–

‘মাদল বাজে
সুখ সৰে
বাঁহীত নাচে
পাৰিজাত সুখ।’

সামাজিকভাৱে দায়বদ্ধ কবি ৰীতা গোৱালাৰ কলমত নিৰৱচ্ছিন্নভাৱে নিগৰিছে নাৰী ধৰ্ষণ, নিৰ্যাতন, শাসন-শোষণৰ কথা, বেলতলা কাণ্ডৰ কথা সকলোৰে জ্ঞাত। কবিতাৰ শব্দৰে কবিয়ে কৈছে–

‘বেলতলাৰ দ্ৰৌপদী
সিহঁতবোৰ নগ্ন হ’ল
দ্ৰৌপদীৰ বস্ত্ৰ হৰণ কৰি
খুলি থ’লে নিজৰ মানৱীয়তাৰ মুখা
অসুৰ দুঃশাসন।’

অসমৰ প্ৰথম মহিলা শ্বহীদ মাংৰি ওৰাও ওৰফে মালতী মেমক সুঁৱৰি কবিয়ে লিখিছে এটি উন্নত কবিতা ‘হাৰি হাৰিও হাৰ নমনা মাতৃ তুমি।’ আনহাতে, কবিয়ে অংকন কৰিছে প্ৰতি বছৰে বাগিচা বিলাকত দুৰ্গা পূজাৰ সময়ত বোনাচ দিওঁতে হোৱা বিভিন্ন ঘটনা-দূৰ্ঘটনা বিলাকৰ কথা। গোটেই বছৰ বোনাচৰ আশাত ৰৈ থকা শ্ৰমিকসকলক সদায়ে কোৱা হয় বাগিচাৰ লোকচানৰ কথা কিন্তু কেতিয়াও কোৱা নহয় লাভৰ কথা। বোনাচ বিচাৰি শ্ৰমিকসকলে হৰতাল কৰে, বিদ্ৰোহ কৰে। বিদ্ৰোহ দমন কৰিবলৈ মেনেজমেন্টে গুলী কৰে। ফলত শ্ৰমিকৰ মৃত্যু হয়। বোনাচ বিচাৰি বন্দুকৰ গুলী খাই ৰাজপথত ঢলি পৰাসকলৰ সোঁৱৰণত কবিয়ে লিখিছে এক সুন্দৰ পংক্তি–

‘ডেউকাৰ আন্ধাৰ চুমিল
মাতৃৰ চকু ৰাজপথত
ওলাই যোৱা সোণ তাইৰ
উভতি আহিব।’

আনহাতে, ‘কলিজা ফটা বিষ’ কবিতাটিত কবিয়ে চাহ বাগিচাৰ এক ৰূঢ় বাস্তৱৰ চিত্ৰ অংকন কৰিছে। চাহ জনগোষ্ঠীয় শ্ৰমিক মহিলাৰ বেছিভাগৰে সন্তানৰ সংখ্যা সৰহ হোৱাৰ বাবে ডাঙৰ সন্তানে সৰুবোৰৰ দায়িত্ব ল’ব লগাত পৰে। কিয়নো মাক-বাপেকে দুয়ো দিনৰ দিনটো চাহ বাগিচাত কাম কৰে। আনহাতে, প্ৰতি ৫ বছৰৰ মূৰে মূৰে নিৰ্বাচনৰ বতাহ ভালকৈ বলে বাগিচাবিলাকত। ৰাতিটোৰ ভিতৰতে শ্ৰমিকসকলৰ দাম বাঢ়ে। কবিয়ে কৈছে–

‘শিৰীষৰ ডালত
ওলমি থাকে
প্ৰতাৰণাৰ মুঠি
আঁউসীৰ ক’লা চুলি।’

কবিৰ প্ৰতিটো কবিতাই অৰ্থবহ। প্ৰায় ৮৪ টা কবিতাৰ এই কবিতা পুথিখনে কাব্যগ্ৰন্থৰ আকাৰ লৈছে। কবিতাবোৰত কোনোবা এটাত আছে কাঁশী ফুলাৰ কথা আৰু আন কোনোবা এটাত আছে জুৰা, ভাদ একাদশীৰ কথা। ইয়াতে কবি ক্ষান্ত নাথাকি কাব্যিক ভাষাৰে বৰ্ণনা কৰিছে উমানন্দৰ কথা। বিশিষ্ট লেখক গন্ধেশ্বৰ শইকীয়াদেৱে একাঁজলি শুভেচ্ছাৰে লিখিছে ৰীতা গোৱালাৰ বিদ্ৰোহী সত্তাই যেন শ্ৰমিক সমাজ জীৱনৰ পৰিৱৰ্তন আনকো, পৰিৱৰ্তন হওক শ্ৰমিক সমাজৰ ভৱিষ্যৎ প্ৰজন্মৰ।

গোৱালা এগৰাকী কৃতী শিক্ষয়িত্ৰী। কম বয়সতে ২০১১ চনতে তেওঁ এটা বঁটা লাভ কৰে। কবিগৰাকীৰ পূৰ্বে প্ৰকাশিত গ্ৰন্থসমূহ হ'ল- 'বুঢ়া-বুঢ়ী আৰু বাঘ মামা'(সাধুকথা), 'ধূৰ্ত শিয়াল'(সাধুকথা), 'টিপচিৰ কাণ্ড'(সাধুকথা), 'চাহ জনগোষ্ঠী সাঁথৰৰ লেছেৰি বুটলি', 'গোৱালা জাতিৰ নেগ-নীতি', 'মোৰ বাবে এটি শিৰীষ মহল'(কবিতা পুথি)।

**(১৭/১১/২০১৮)**

**সংস্কৃতি সঁফুৰা**
**লেখক - খগেন্দ্ৰ নাথ শইকীয়া**
**আলোচক - ডঃ সুব্ৰতজ্যোতি নেওগ**

'ধৰ্মৰত্ন', ভাগৱতৰ আখ্যান', 'গৃহস্থৰ সদাচাৰ' আদি অনুবাদমূলক গ্ৰন্থৰ জৰিয়তে অসমীয়া অনুবাদ সাহিত্যৰ ধাৰাটো সমৃদ্ধ কৰাৰ সমান্তৰালভাৱে 'ৰামায়ণৰ কাহিনী', 'মহাভাৰতৰ কাহিনী', 'প্ৰেৰণা', 'মাজুলী ইত্যাদি কবিতা' আদি শিশু সাহিত্যৰ যোগেদি বিশিষ্ট সাহিত্যিক খগেন্দ্ৰ নাথ শইকীয়াই অসমীয়া শিশু সাহিত্যৰ পৰম্পৰাকো চহকী কৰি তুলিছে। 'ন-কইনা' শীৰ্ষক গল্প সংকলনৰ জৰিয়তে লেখকে গল্পকাৰ ৰূপে আত্মপ্ৰকাশ কৰিছে।

এই গ্ৰন্থখনত মুঠতে আঠটা অধ্যায় আছে। গ্ৰন্থখনৰ 'পাতনি'তেই লেখক শইকীয়াই গ্ৰন্থখনৰ বিষয়বস্তু আৰু উদ্দেশ্য সম্পৰ্কে কৈছে – 'প্ৰাচীন ঋষি-মুনি তথা সিদ্ধ সমস্তৰ বসবাস কৰ্ম পদ্ধতিৰে বিষয়বস্তু আওতালৈ অনা হয় যদিও সংসাৰবাসী আমি অধিকেই গৃহাশ্ৰমী। ইয়াত সত্ৰানুস্থানৰ প্ৰসংগ ৰাখি, গৃহী বা গৃহাশ্ৰমী সমাজে যি মাংগলিক তথা সাংস্কৃতিক অনুস্থান পালন কৰি শুদ্ধ হ'ব পাৰোঁ, ঈশ্বৰ বস্তু তথা গুৰু ভকতৰ কৃপা অনুগ্ৰহ লাভ কৰি ইহজন্মৰ লগতে পৰজনমকো শুভ কৰিব পাৰোঁ বুলি বিশ্বাস কৰা হয়, তেনেকেই পদমান আলোচ্য বিষয়েৰে সমৃদ্ধ এই পুথিখন।'

গ্ৰন্থখনৰ প্ৰথম অধ্যায়টোত শইকীয়াই থান, সত্ৰ আৰু গৃহাশ্ৰমীৰ কথা অৱগত কৰাৰ লগতে সকাম আৰু নিস্কাম ভকতিৰ এক পৰিচয়মূলক সুদীৰ্ঘ বিৱৰণ দাঙি ধৰিছে। গ্ৰন্থখনৰ দ্বিতীয় অধ্যায়ত বিবাহ প্ৰথা সম্পৰ্কে এক সুন্দৰ আলোচনা সন্নিৱিষ্ট হৈছে। ইয়াত লেখকে অন্তৰ্বিবাহ, বহিৰ্বিবাহ, এক পতি-পত্নী বিবাহ আৰু বহু বিবাহৰ সংজ্ঞা আৰু স্বৰূপ উপযুক্তভাৱে ব্যাখ্যা কৰিছে। হিন্দু সমাজত বিবাহক এক ধৰ্মীয় সংস্কাৰ বুলি গণ্য কৰা হয় আৰু হিন্দু সমাজত প্ৰচলিত ব্ৰহ্মা বিবাহ, দৈৱবিবাহ, আৰ্যবিবাহ, প্ৰজাপত্য বিবাহ, অসুৰ বিবাহ, গন্ধৰ্ব বিবাহ, ৰাক্ষস বিবাহ আৰু পিশাচ বিবাহৰ পৰিচয়মূলক বিৱৰণ শইকীয়াৰ 'সংস্কৃতি সঁফুৰা'ত সন্নিৱিষ্ট হৈছে। এই গ্ৰন্থখনত সন্নিৱিষ্ট হৈছে এখন হিন্দু বিবাহৰ বিভিন্ন উপলক্ষৰ সুদীৰ্ঘ আৰু স্পষ্ট বৰ্ণনা। বিয়া ঘৰৰ তোৰণ নিৰ্মাণ, জোৰোণ, বিয়ানামৰ শুভাৰম্ভ, দৰাঘৰত পানী তোলা উৎসৱ, দৰা নোওৱা সময়ত গোৱা নাম, কইনা নোওৱা সময়ত গোৱা নাম, কইনা নোওৱা সজোৱা নাম, সাজ পৰিধানৰ সময়ত গোৱা নাম, দৰা নোওৱা সময়ত গোৱা নাম, দৰা যাত্ৰাৰ সময়, দৰা আদৰণি, কল তলৰ ধেমালি, বিয়া

ঘৰত বিবাহৰ সূত্ৰপাত, জোৰানামৰ প্ৰসংগ আৰু বিয়া ঘৰৰ শেষ পৰ্ব আদি বিবাহ অনুষ্ঠানৰ এই গুৰুত্বপূৰ্ণ উপলক্ষবোৰ লেখক শইকীয়াই অতি সুক্ষ্মভাৱে 'সংস্কৃতি সঁফুৰা'ত অংকন কৰিছে।

এটা অধ্যায়ত মিচিং জনগোষ্ঠীৰ আলি আই লৃগাং,পৰাগ উৎসৱৰ বিৱৰণ দাঙি ধৰাৰ লগতে কাজ বা দদগাং কৰ্ম সম্পৰ্কেও উল্লেখ কৰা হৈছে।

'দিহা নাম'ৰ উৎপত্তি ব্যাখ্যা কৰাৰ লগতে সম্প্ৰতি দিহা নামৰ স্বৰুপো এই গ্ৰন্থখনত সফলভাৱে দাঙি ধৰিছে। মুঠতে বিষয়বস্তু চয়ন আৰু ব্যাখ্যা উভয়তে লেখক শইকীয়াই সফলতা দাবী কৰিব পাৰে কিন্তু মাজে মাজে দুই-এটা দোষো পৰিলক্ষিত হৈছে। উদাহৰণস্বৰুপে বিষয়সুচী আনুসৰি অধ্যায় বিভাজন 'সংস্কৃতি সঁফুৰা'ত ৰক্ষা কৰা নহ'ল। ইয়াৰ উপৰি মাজে মাজে বাক্য গাঁথনি আৰু শব্দ ব্যবহাৰত দুই-এটা ভূল পৰিলক্ষিত হ'ল।এই গ্ৰন্থখনত ব্যৱহাৰ কৰা গীত-পদসমূহৰ উদ্ধৃতিবোৰৰ উৎসবোৰ উপযুক্তভাৱে উল্লেখ কৰিব পৰা হ'লে গ্ৰন্থখনৰ মান অধিক বৃদ্ধি পালেহেঁতেন। যি কি নহওক, অসমীয়া সংস্কৃতিৰ বহুকেইটা গুৰুত্বপূৰ্ণ দিশ সজীৱ, সপ্ৰাণ ৰূপত উপস্থাপন কৰাৰ বাবেই 'সংস্কৃতি সঁফুৰা' এখন সুখপাঠ্য সংগ্ৰহযোগ্য সংস্কৃতি বিষয়ক গুৰুত্বপূৰ্ণ গ্ৰন্থত পৰিণত হৈছে।

**যুগনায়ক যুগদ্ৰষ্টা যুৱপ্ৰজন্ম**
**লেখক - পংকজ বৰুৱা গায়ন**
**আলোচক - প্ৰতিভা বৰা**

লেখকৰ প্ৰথম প্ৰয়াস। গ্ৰন্থখনৰ প্ৰতি পৃষ্ঠাতে গুৰুজনাৰ অমৃতময় সৃষ্টিৰাজিক কেৱল ধৰ্মীয় পৰিসীমাৰে সীমিত নকৰি তাত্বিক আৰু বৈজ্ঞানিক বিশ্লেষণেৰে জনমানসত প্ৰতিনিয়ত প্ৰতিফলনৰ যি নিৰৱচ্ছিন্ন প্ৰচেষ্টা তাক সপ্ৰতিভ ৰূপত তুলি ধৰা হৈছে। গ্ৰন্থখনৰ জৰিয়তে কলা, সাহিত্য, স্থাপত্য, ভাস্কৰ্য, ধৰ্মীয়, সাংস্কৃতিক সকলো দিশতে এক নতুনত্বৰ উন্মেষ ঘটিছে; ফলত গুৰুজনাৰ সমূহ সৃষ্টিক কেৱল সংস্কৃতিৰেই নহয় বৰং তাত্বিক আৰু দাৰ্শনিক ভেটিত প্ৰতিষ্ঠা কৰাত লেখক সফল হৈছে বুলি দাবী কৰিব পাৰি। অসীম সাধনা আৰু জ্ঞানৰ সম্ভাৰ গুৰুজনাৰ সৃষ্টিক, যুগৰ প্ৰৱাহত যদিও আজিৰ প্ৰজন্মই অৱহেলা কৰিছে, তথাপি আজিৰ প্ৰজন্মৰেই অন্য এচাম প্ৰতিনিধিয়ে পুনৰ তাতেই পাইছে জ্ঞান-বিজ্ঞান তদং ৰহস্যৰ সন্ধান।

গুৰুজনাৰ অৱদান নামঘৰৰ বিষয়ে সবিশেষ বৰ্ণনা আৰু এই মৰ্ত্যৰ বৈকন্ঠস্বৰূপ অনুষ্ঠানভাগিৰ গঠন প্ৰণালীৰ লগতে নামঘৰৰ নিত্য ব্যৱহাৰ্য বাদ্য-যন্ত্ৰৰ সবিশেষ বৰ্ণনা, শৰণ, ভজন, ভকত, দেউৰী তাত্বিক আদি বিষয়বোৰ আৰু ইয়াৰ অৰ্থ আৰু প্ৰাসংগিকতা, ধৰ্মৰ চাৰি খুঁটিৰ ওপৰত বিজ্ঞানসন্মত আৰু দাৰ্শনিক বিশ্লেষণে ধৰ্মীয় দৰ্শনক নৱপ্ৰজন্মৰ বাবে হৃদয়গ্ৰাহী কৰি তুলিব বুলি আশা কৰিব পাৰি।

নামঘৰৰ স্থাপত্যৰাজিৰ প্ৰতিটো দিশ যেনে কৰাপাট, ৰাঙলী চ'ৰা, কীৰ্তনঘৰ, চোঁঘৰ, মণিকূট, সিংহাসন বা থাপনা, ভক্তিপ্ৰদীপ এই সকলোখিনি দিশত বিশদ তাত্বিক বিৱৰণৰ উপৰি চন্দ্ৰতাপ, শৰাই বটাঁ, লোটা আদি সকলোখিনি নামঘৰত নিত্য ব্যৱহাৰ্য আৰু অসমৰ কাৰু শিল্পজাত সাংস্কৃতিক সমলৰ বিষয়ত লেখকৰ গভীৰ অধ্যয়নে সৰ্বসাধাৰণ পাঠকৰ মনত এক নতুন চিন্তাৰ খোৰাক যোগাব।

দ্বিতীয়তে গ্ৰন্থখনত উল্লিখিত নামঘোষা, চৰিত পুথি, ভাগৱত আদিৰ পদ সন্নিৱিষ্ট কৰি যি প্ৰয়োজনীয় প্ৰসংগৰ ব্যাখ্যা আগবঢ়াইছে সেয়াই ভকত বৈষ্ণৱৰ পৰা আৰম্ভ কৰি সৰ্বসাধাৰণ জ্ঞান পিপাসুক দি যাব পাৰে ভক্তিৰ অমোঘ বাণী। পাঠকৰ সততে দৃষ্টি আকৰ্ষণ কৰা এই পদসমূহে গুৰুজনাৰ জীৱাত্মা আৰু পৰমাত্মাৰ অভিন্নতা, মায়া-মোহ,কাম-ক্ৰোধ আদিৰ নিবৃত্তিৰ বাবে মানৱ জাতিক দি যোৱা উপদেশসমূহক পুনৰাই যুৱ প্ৰজন্মৰ সমুখত সহজ ব্যাখ্যাৰে বিজ্ঞানসন্মতভাৱে আগবঢ়োৱাত লেখক সফল হৈছে।

**ডেমাজং**
**লেখক - সৌম্যদ্বীপ দত্ত**
**আলোচক - নিভাৰাণী ৰায়**

হিমালয়ৰ অপৰূপ সৌন্দৰ্যৰে পৰিপূৰ্ণ ছিকিম ৰাজ্যখনৰ বিষয়ে ভিন্ন তথ্যসমৃদ্ধ এখন অসমীয়া গ্ৰন্থ- নাম 'ডেমাজং'। গ্ৰন্থখনৰ লেখক সুপৰিচিত প্ৰকৃতিবিদ-লেখক সৌম্যদ্বীপ দত্ত। ছিকিম সম্পৰ্কে এইখনেই অসমীয়া ভাষাত প্ৰথম গ্ৰন্থ বুলি লেখকে উল্লেখ কৰিছে। গ্ৰন্থখনৰ নামটো সম্পৰ্কে পাতনিতে তেওঁ পাঠকৰ কৌতুহলৰ ওৰ পেলাইছে এনেদৰে, 'ছিকিমৰ প্ৰচীন অধিবাসীসকলে কামৰূপৰ পৰা অৰ্থাৎ বৰ্তমানৰ অসমৰ পৰা প্ৰব্ৰজন কৰি ছিকিমত বসতি আৰম্ভ কৰিছিল আৰু এই পৰ্বতসংকুল অঞ্চলৰ নাম দিছিল 'ডেমাজং'। মহাযান বৌদ্ধসকলৰ অন্যতম প্ৰাচীন দেৱীৰ নাম ডেমা দেৱীৰ পৰাই ডেমাজং নামৰ উৎপত্তি।'

ডেমাজং এখন বিশুদ্ধ ভ্ৰমণ গ্ৰন্থ। কিন্তু ভ্ৰমণ কাহিনীয়েই কেৱল গ্ৰন্থখনৰ মূলকথা নহয়। লেখকে বাৰম্বাৰ ছিকিম ভ্ৰমণ কৰি, ছিকিমৰ বিষয়ে বহু পুথিগত অধ্যয়ন, ক্ষেত্ৰ অধ্যয়ন, ভ্ৰমণ কালত অসংখ্যজনৰ সাক্ষাৎ ভিত্তিত লাভ কৰা জ্ঞান আৰু পৰিদৰ্শনৰ জৰিয়তে লাভ কৰা তথ্যৰ সম্পূৰ্ণ সংযোজনেৰে এই গ্ৰন্থখন ৰচনা কৰিছে। ৩৬৬ পৃষ্ঠাৰ গ্ৰন্থখনৰ ৩২৫ টা পৃষ্ঠাতেই আছে ছিকিমৰ বিষয়ে বিভিন্ন তথ্য। লেখকে ১৯৯৮ চনৰ পৰা ২০১৮ চনলৈ দুটা দশকত বিভিন্ন পথেৰে বহুবাৰ ছিকিমলৈ গৈছে।

দহটা অধ্যায়ৰ গ্ৰন্থখনৰ প্ৰথম অধ্যায়ত আছে ৰাজধানী গেংটকৰ কথা। দ্বিতীয় অধ্যায়ত ছিকিমৰ বৌদ্ধ ধৰ্মৰ অন্যতম পীঠস্থান পেলিঙৰ বিষয়ে আছে।তৃতীয় অধ্যায়ত তেওঁ সামৰি লৈছে ৰুমটেকৰ পৰা তিনতালেলৈ এক দীঘলীয়া যাত্ৰাৰ কথা। এই অধ্যায়টোতো ছিকিমৰ বৌদ্ধ সংস্কৃতি, প্ৰচীন কামৰুপ আৰু ছিকিমৰ বৌদ্ধমঠ আদিৰ পুংখানুপুংখ বৰ্ণনা আছে। উত্তৰ ছিকিমৰ ইউমথাং উপত্যকা আৰু গুৰুদুম্মাৰ হ্ৰদৰ বিষয়ে সবিশেষ তেওঁ লিখিছে গ্ৰন্থখনৰ চতুৰ্থ অধ্যায়ত। দক্ষিণ আৰু পশ্চিম ছিকিমৰ বিষয়ে লিখা হৈছে পঞ্চম অধ্যায়ত। এবাৰ তেওঁ ছিকিম ভ্ৰমণ কৰিছে কেওজিং বন উপাসনা কেন্দ্ৰৰ পৰা এসময়ৰ মহাযান বৌদ্ধ ধৰ্মৰ প্ৰধান প্ৰধান শিক্ষাকেন্দ্ৰ তথা আৰাধনা কেন্দ্ৰ তাশিডিং নামৰ ঠাইখনলৈ। এই ভ্ৰমণ কালত অপূৰ্ব পাৰ্বত্য পথৰ বৰ্ণনা, সুপ্ৰাচীন বৌদ্ধ সংস্কৃতিৰ তথ্য, লেকশ্বিপ নামৰ ঠাইখনৰ হিন্দু মন্দিৰ আদিৰ কথাৰে এই অধ্যায়টোতো ছিকিমৰ বিভিন্ন জনগোষ্ঠীৰ বিষয়ে লেখকে লিখিছে। সপ্তম, অষ্টম আৰু নৱম অধ্যায়ত লিখিছে ক্ৰমে য়ুকছুমৰ বিখ্যাত দুবিধ বৌদ্ধ মঠ আৰু কাঞ্চনজংঘা জৈৱ মণ্ডল, ছিকিমৰ পশ্চিম প্ৰান্তৰ শেষ সীমাত অৱস্থিত উত্তৰে নামৰ অপাৰ নৈসৰ্গিক সৌন্দৰ্যৰে পূৰ্ণ ঠাইখনৰ কথা। অন্তিম অধ্যায়ত তেওঁ বৰ্ণনা কৰিছে ঐতিহাসিক ৰেচম পথৰ মাজেৰে জুলুক, নাথাং উপত্যকা হৈ কুপুকুলৈ কৰা যাত্ৰাৰ কথা।

গ্ৰন্থখনত ৰাজ্যখনৰ প্ৰকৃতি, জনজীৱন, অৰণ্য, বৌদ্ধ সংস্কৃতি-ঐতিহ্যৰ লগতে ইতিহাসো কম-বেছি পৰিমাণে সন্নিৱিষ্ট কৰ হৈছে। সচিত্ৰ গ্ৰন্থখনত সন্নিৱিষ্ট কৰা হৈছে চিত্ৰপাঠ নামেৰে অভিনৱ এটা অধ্যায়। য'ত আছে ছিকিমৰ ভিন্ন প্ৰান্তৰৰ জনজীৱনৰ মনোমুগ্ধকৰ পোন্ধৰখন আলোকচিত্ৰ। এই ছবিসমূহে কোনো কথা (কেপচন) অবিহনেই কৈছে ছিকিমৰ জীৱনশৈলীৰ বহু কথা। তদুপৰি গ্ৰন্থখনৰ পাতে পাতে আছে আন বহুকেইখন ৰঙীন তথা ক'লা বগা ছবি। বৃহদাকায় বুদ্ধ মূৰ্তি, বৌদ্ধ মঠ, নৈসৰ্গিক সৌন্দৰ্যৰে ওপচি থকা ছাংগু লেক, তুষাৰাবৃত ইয়ুমথাং উপত্যকা, হিমশীতল লাচুং, হাতী হ্ৰদৰ অনন্য সৌন্দৰ্য,হিমালয়ৰ সুউচ্চ গিৰিশৃংগ, ৰোডোডেন্দ্ৰনৰ পাপৰিৰে সজাই থোৱা অৰণ্য পথ, বিভিন্ন প্ৰজাতিৰ নানাৰঙী চৰাই আদিৰ ছবিবোৰেও পাঠকৰ মন আকৃষ্ট কৰিব।

**(২৪/১১/২০১৮)**

**বিহুৰ বৈভৱ**
**লেখক - ধৰ্মেশ্বৰ দুৱৰা**
**আলোচক - সিদ্ধেশ্বৰ শইকীয়া**
**প্ৰকাশক – বাণী মন্দিৰ**
**মূল্য - ১৩৫.০০ টকা**

বিহু অসমৰ জাতীয় উৎসৱ। বাপতিসাহোন। অসমৰ লোকজীৱনৰ প্ৰতিটো সাংস্কৃতিক খোজত বিহুৰ বতৰা সংপৃক্ত হৈ থকাটো সকলোৱে স্বীকাৰ কৰে। অসমীয়া সমাজত কিবা এটা কাৰণত আনন্দৰ জোৱাৰ উঠিলে তাকেই লৈ এফাঁকি বিহুনাম গাই মনৰ সেই আনন্দৰ বহিঃপ্ৰকাশ ঘটায়। বিহুৰতো কথাই নাই- খেল-ধেমালিত জিকা, বিয়া-বাৰুত বৰযাত্ৰী হৈ যোৱা, দৰা আদৰা, পঢ়া-শুনাত ভালকৈ উত্তীৰ্ণ হোৱা, বনভোজ খাবলৈ যোৱা আদিৰ পৰিৱেশতো আনন্দ-উল্লাস বিহু নামেৰেই কৰা হয়। বিহুৰ আচাৰ-অনুষ্ঠান, হাঁহি-স্ফূৰ্তি, খোৱা-বোৱা, খাদ্য সম্ভাৰৰ যোগাৰ কৰা, খেতি-বাতিৰ কৰ্মত লিপ্ত থকা, খৰি লুৰা, পানী অনা, গৰু-ম'হ চৰোৱা, মাছমৰা আদি কামতো ৰঙালী বিহুৰ এফাঁকি বিহুনাম আঁওৰাই মনৰ ভাব-অনুভূতি প্ৰকাশ কৰাৰ লগতে জীৱন আৰু জীৱিকাৰ বাবে সচেতন হৈ পৰে। সেয়েহে বিহু অসমীয়াৰ প্ৰাণৰো প্ৰাণৰ -আপোন। ব্যক্তিগত তথা সমাজ জীৱনৰ দাপোণ। কাতি বিহু, মাঘ বিহু আৰু বহাগ বিহু বিষয়ক ভালেমান প্ৰৱন্ধ আৰু আলেখ্য বিভিন্ন সময়ত লোক সংস্কৃতিৰ সাধক-গৱেষণক ধৰ্মেশ্বৰ দুৱৰাই অতি মনোগ্ৰাহীকৈ লিখি আহিছে। সেইবোৰ বিভিন্ন কাকত-পত্ৰ আৰু আকাশবাণীত প্ৰকাশ তথা প্ৰচাৰিত হৈছে। এই প্ৰবন্ধ আৰু আলেখ্যসমূহ সিঁচৰতি হৈ থকাত শৃংখলাবদ্ধ হৈ নথকাটো স্বাভাৱিক। সেয়েহে লিখকগৰাকীয়ে সেইসমূহ সংগ্ৰহ কৰি 'বিহুৰ বৈভৱ' নামৰ এখন গ্ৰন্থত সংকলিত কৰিছে। তেখেতৰ লিখনিবোৰ চৰ্বিত-চৰ্বণৰ পৰা নিলগাই আনি প্ৰকৃত ক্ষেত্ৰ অধ্যয়ন আৰু নিৰপেক্ষ বিচাৰ বিশ্লেষণেৰে গঢ় দিয়াত তথ্য সম্বলিত হৈ পৰিছে।

গ্ৰন্থখনত সৰ্বমুঠ ষোল্লটা প্ৰৱন্ধ-আলেখ্য সন্নিবিষ্ট কৰিছে। সেইসমূহৰ বিষয়বস্তু হৈছে এনেধৰণৰ- সাত বিহু, হুঁচৰি,কাতি বিহু, মৰাণৰ বহাগ বিহু, বিহুনামত ঢোল, চৰাই, হাঁচটি, কণী যুঁজ, বিহুনামত ফুল, বাঁহ, নৈ তামোল-পাণ, মাছ, কুলাবুঢ়ী নৃত্য, মটকৰ বিহু আদি। দুৱৰাই চুটি চুটি বাক্য আৰু প্ৰাঞ্জল ভাষা প্ৰয়োগেৰে ৰচনা কৰা প্ৰৱন্ধ-আলেখ্যবোৰ অতিশয় সুখপাঠ্য। তদুপৰি বিভিন্ন বিষয়বস্তু প্ৰতিফলিত হোৱা বিহুনামবোৰ সংগ্ৰহ আৰু একত্ৰিত কৰি গল্পৰ দৰে একোটাহঁত কাহিনীৰ সৃষ্টি কৰি পাঠকক মোহনী ৰস আস্বাদন কৰাবলৈ সক্ষম হৈছে। জীৱনৰ হাঁহি-কান্দোন আৰু পৰিৱেশ-পৰিস্থিতি সৃষ্টিৰে পাঠকক একাত্মবোধ হোৱাত সহায় কৰিব পাৰিছে। অসমৰ তিনিওটা বিহু আৰু এইবোৰৰ আনুষংগিক আচাৰ-অনুষ্ঠানবোৰ খোকোজা নলগাকৈ পাঠকক বুজাই দিয়াত লিখক সফল হৈছে। বিহু সংস্কৃতিৰ বিকৃতি নঘটোৱাৰ চেষ্টাৰে লিখকে ৰীতি-নীতিসমূহ তথ্য আৰু ক্ষেত্ৰভিত্তিক সমলেৰে সজাই-পৰাই তুলিবলৈ সক্ষম হৈছে। কালিলৈ বিহুৰ ঐতিহ্য-পৰম্পৰাক দুৱৰাই প্ৰৱন্ধ-আলেখ্যসমূহত সুৰক্ষিত কৰি ৰখাৰ প্ৰচেষ্টা চলোৱাটো দৃষ্টিগোচৰ হয়। বিহু সংস্কৃতিৰ সৈতে ওতপ্ৰোতভাৱে জড়িত ন'হলে নিশ্চয় এনে প্ৰচেষ্টা ফলৱতী নহ'লহেতেন। দুৱৰাই কথা ক'ব জানে। আকৰ্ষণীয় বেটুপাত, সুন্দৰ ছপা আখৰ আৰু বানানৰ শুদ্ধতাই পাঠকৰ মনত বিৰক্তিৰ ভাব নজগায়। নতুন প্ৰজন্মই বিদ্যায়তনিক ক্ষেত্ৰত এই পুঠিখনৰ প্ৰৱন্ধসমূহেৰে প্ৰভূত সহায় পাব।

**অকথ্য আলাপ**
**লেখক - চিন্ময় কলিতা**
**প্ৰকাশক - আখৰ প্ৰকাশন**
**আলোচক - পংকজ কলিতা**
**মূল্য - ১১০.০০ টকা**

যুৱ লেখক তথা দৈনিক জনমভূমি কাকতৰ এসময়ৰ সাংবাদদাতা চিন্ময় কলিতা। কলিতাই তেওঁৰ বিচিত্ৰ অভিজ্ঞতাৰে লিখা কুৰিটা প্ৰৱন্ধ সন্নৱিষ্ট কৰা ১১৮ পৃষ্ঠাৰ পকা বন্ধাৰ গ্ৰন্থখনত সুহৃদ পাঠকে ভালেমান সমল বিচাৰি পাব। সাম্প্ৰতিক সময়ত ৰাজ্যখনত সংঘটিত ভাতৃঘাতী সংঘাত, নাবালিকা ধৰ্ষণ, গোষ্ঠী সংঘৰ্ষ, ভোকাতুৰ জনতাৰ আৰ্তনাদ, কু-সংস্কাৰ, অন্ধবিশ্বাস, হত্যা-হিংসাৰ দাবানল আদি কথাবোৰৰ এখন পৰিশুদ্ধ ছবি প্ৰৱন্ধসমূহত স্পষ্টভাৱে ফুটি উঠিছে। গ্ৰন্থখনত কিছু বৰ্ণাশুদ্ধি থাকি গৈছে যদিও সাম্প্ৰতিক ঘটনা প্ৰবাহক মননশীল, পৰিশীল চিন্তা-চেতনাৰে ধৰি ৰখাত লেখক সফল হৈছে।

চিন্ময় কলিতাৰ কলমত মাটিৰ গোন্ধ আছে। সেয়ে হয়তো তেওঁৰ প্ৰৱন্ধবিলাক সমাজৰ মূলসুঁতিৰ পৰা বিচ্যুত হোৱা নাই। সাংস্কৃতিক চেতনা, লোকাচাৰ, শব্দমূল্য, চিত্তমূল্য এই কথাবোৰে লেখকক সাংঘাতিকভাৱে প্ৰভাৱান্বিত কৰিছে বুলি বোধ হয়। ‘সাহিত্য মানুহৰ চেতনাৰ পৰিভাষা’ বুলি উল্লেখ কৰি সাহিত্য আৰু সমাজৰ সম্পৰ্কৰ গুৰুত্ব গ্লেমাৰসৰ্বস্ব একাংশৰ অশুভ তাড়নাই আমাৰ সাহিত্য-সংস্কৃতিলৈ যে অশনি সংকেত নমাই আনিছে সেয়া লেখকে খুব স্পষ্ট আৰু বলিষ্ঠভাৱে গ্ৰন্থখনত উপস্থাপন কৰিছে। আনহাতে, শেহতীয়াভাৱে খিলঞ্জীয়া জনসাধাৰণে আত্মপৰিচয়ৰ শংকাত ভুগিব ধৰা কথাবোৰৰ পুৰ্বানুমান কৰি সুক্ষ্মভাৱে বিশ্লেষণ কৰা কথাটোত লেখকৰ চিন্তাশক্তিৰ এক আভাস পোৱাৰ লগতে ,হাতত বাৰুদ ল’লেই মানুহ বিপ্লৱী নহয়...সাম্ৰাজ্যবাদী দালালৰ বহতীয়া ৰজাঘৰীয়া বুদ্ধিজীৱীয়ে কলমক সংগী কৰি ৰাইজৰ মাজত..’আদিৰ কথা লিপিবদ্ধ কৰি এক সাহসিকতাৰো পৰিচয় দিছে। ইফালে বৰ্ণহিন্দু শাসক শ্ৰেণীটোৰ স্বৈৰাচাৰমূলক কৰ্তৃত্বৰ বিৰুদ্ধেও লেখক সৰৱ। ৰাজ্যৰ চৌদিশে বিভিন্ন জাতি-জনগোষ্ঠীয়ে সুকীয়াৰাজ্যৰ দাবীত অসমখনক খণ্ড-বিখণ্ড কৰাৰ দাবী, ভোটৰ ৰাজনীতিৰে শাসনসৰ্বস্ব চৰকাৰী ষড়যন্ত্ৰ আৰু ইয়াৰ ফলত অনাগত দিনত অসম-অসমীয়াৰ অৱস্থা, অসমীয়া জাতিসত্তালৈ বড়োসকলৰ অৱদানৰ উপৰি তেওঁলোকৰ জাতীয় প্ৰেম, তেওঁলোকৰ কলা, তেওঁলোকৰ সংস্কৃতিয়ে অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিক সবল কৰা ইত্যাদি কথা অকথ্য আলাপৰ জৰিয়তে চিন্ময় কলিতাই বিস্তৃত্বভাৱে ব্যাখ্যা নকৰিলেও ১৯২৮ চনত বড়োসকলে ছাইমন কমিছনত দিয়া ৰিপ’ৰ্টত কোৱা এষাৰ তত্বগধুৰ বাক্য উল্লেখ কৰিছে- We the Bodos can by no means call us other than Assamese। সাম্প্ৰতিক ঘটনা প্ৰৱাহক সাঙুৰি ৰচিত প্ৰৱন্ধসমূহত মূল্যবৃদ্ধি, উপযুক্ত বজাৰ আৰু প্ৰয়োজনীয় সা-সুবিধাৰ অভাৱত কোঙা কৃষকৰ দুৰৱস্থা, উগ্ৰপন্থীৰ নিৰ্বিচাৰ গুলীচালনাত ক’লা দিন হিচাপে চিহ্নিত ৩০ অক্টোবৰৰ মৰ্মন্তুদ ঘটনাৰ বৰ্ণনা, জেহাদী, মৌলবাদ, ধৰ্মীয় মেৰুকৰণ আদি নিৰ্মম কথাবোৰৰ এখন নিৰ্মল ছবি লেখকে বেছ মননশীলভাৱে অংকন কৰিছে। ‘মোদী-ৰাহুলৰ যুঁজঃ কাৰ বন্ধকীত নিঃকিন জনতাৰ নিয়তি’ শীৰ্ষক প্ৰৱন্ধটোত লেখক এজন ৰাজনৈতিক সু-বিশ্লেষক হিচাপে গ্ৰন্থখনত প্ৰতিষ্ঠা লভিছে। সংস্কৃতি চিনি পাবলৈ আমি অৰ্থনীতি আৰু ৰাজনীতিৰ শিপা জানিব লাগিব বুলি ৰুপকোঁৱৰ জ্যোতিপ্ৰসাদে কোৱা কথাষাৰৰ উদ্ধৃতি দি গ্ৰন্থখনত এটি সদাৰ্থক ব্যাখ্যা আগবঢ়াইছে। – অৰ্থনীতি সেন্দুৰীয়া ফল/ তাতে থাকে ভোক পিয়াহৰ জল/তাতে থাকে সংস্কৃতিৰ নানা বৰণীয়া ফুল’। আনহাতে, বিকশিত অসম, অগপৰ মিত্ৰজোঁট আৰু দলৰ ভৱিষ্যতৰ উপৰি সম্প্ৰতি বহুল চৰ্চিত হিন্দু বাঙালীৰ সমস্যাটোও সাৱলীলভাৱে লেখকে গ্ৰন্থখনত উল্লেখ কৰিছে।

**চিৰদিন অসমীয়া**
**লেখক - ময়ূৰ বৰা**
**প্ৰকাশক - বনলতা প্ৰকাশন**
**আলোচক - অসীম চুতীয়া**

অসমৰ সোঁমাজেদি বৈ থকা নদীখনৰ নাম-ব্ৰহ্মপুত্ৰ। এই ব্ৰহ্মপুত্ৰ নদীয়েদি কেৱল পানীয়েই বৈ থাকেনে? নিশ্চয় নাথাকে। ব্ৰহ্মপুত্ৰৰ পানীৰ মাজত অজস্ৰ সৰু-বৰ মাছ-পুঠিৰ পৰা আৰম্ভ কৰি বিভিন্ন বয়-বস্তু অহৰ্নিশে বৈয়েই থাকে। যাক কোনেও পৃথক কৰি দেখুৱাব নোৱাৰে। নোৱাৰাটোৱেই স্বাভাৱিক! 'ব্ৰহ্মপুত্ৰ' শব্দটো উচ্চাৰণ কৰাৰ লগে লগে অসমপ্ৰমী প্ৰতিজন ব্যক্তিৰ মনৰ মাজত একোটা নিৰ্দিষ্ট ধাৰণাই গঢ় লয় যে পানীৰ লগতে ব্ৰহ্মপুত্ৰই কঢ়িয়াই আনে অনেক কিবা-কিবি! আৰু এই কিবা-কিবিবোৰ মিলিয়েই ব্ৰহ্মপুত্ৰ নদীখন অ'তদিনে অবিৰাম গতিৰে বৈ আছে। একেদৰে কোনো নিৰ্দিষ্ট সংজ্ঞাৰে অসমীয়াকো বান্ধি ৰাখিব নোৱাৰে। কিন্তু অসমত বাস কৰা, অসমৰ মাটি-পানী-বতাহ সেৱন কৰি জীয়াই থকা ব্যক্তি মাত্ৰেই অসমীয়া বুলি মানি লোৱা হৈছে। অসম মুলুকত গঢ় লৈ উঠা সামাজিক-সংস্কৃতিক-সাহিত্যক-ভাষিক আদিৰ সীমাবদ্ধতা নেওচি জাতি-বৰ্ণ নিৰ্বিশেষে প্ৰতিজন মানুহক কেৱল অসমীয়াৰ এনাজৰীৰে বান্ধি পেলোৱা হৈছে। যুগে যুগে এইখন অসমলৈ বিভিন্ন কাৰণত মানুহৰ আগমন ঘটিছিল- কোনোবা আহিছিল বণিজৰ বাবে,কোনোবা আহিছিল যুদ্ধজয়ৰ বাবে, কোনোবাই আকৌ যুদ্ধবন্দী ৰূপে। অৰ্থনৈতিক অথবা ৰাজনৈতিক কাৰণত এই ধাৰা বৰ্তমানেও অব্যাহত আছে। এইসকলৰ বহুতে বিভিন্ন কাৰণত অসমত থাকি গ'ল। অসমীয়া সংস্কৃতিত জাহ গৈ এইসকলৰ মাজেৰে বহুতে নিজকে অসমীয়া হিচাপে স্বীকৃতি দিলে। এইধৰণৰ অহা-যোৱা, দিয়া-লোৱা প্ৰক্ৰিয়াৰ মাজেতো অসম আৰু অসমীয়া মানুহৰ সৰলতাৰ সুযোগ গ্ৰহণ কৰি কোনোৱে আকৌ নিজস্বতা জাপিও দিলে। জাপি দিয়াতে ক্ষান্ত নাথাকি নিজৰ নিজৰ ক্ষেত্ৰত আধিপত্য বিস্তাৰ কৰিবলৈও প্ৰয়াস কৰিলে। এইখিনিতে আহি পৰিল অসমীয়াৰ পৰিচয় সংকট! অসমীয়া হিচাপে নিজক বৰ্তাই ৰখাৰ স্বাৰ্থত জাতীয়তাবাদৰ পৃষ্ঠপোষক সচেতন ব্যক্তিয়ে লগে লগে ইয়াৰ প্ৰত্যুত্তৰ দিলে। ফলত চিৰদিন অসমীয়া হৈ থাকি ঐক্য, সমৃদ্ধি আৰু প্ৰগতিৰ বাটেৰে দেশবাসীক, জাতিটোক নেতৃত্ব দিবলৈ এচাম ব্যক্তিয়ে নিজৰ শক্তি-সামৰ্থ্য ব্যয় কৰিবলৈ ওলাই আহিল। যেতিয়াই জাতিটোৱে সংকটৰ সন্মুখীন হৈছে অথবা জাতিটোক সংকটৰ সন্মুখলৈ ঠেলি দিয়া হৈছে তেতিয়াই সচেতন ব্যক্তিয়ে ইয়াৰ উচিত ব্যৱস্থা গ্ৰহণ কৰি আহিছে। জাতি এটাৰ অতীত-বৰ্তমান-ভূৱিষ্যতৰ কথাবোৰ নিৰ্ভৰ কৰে জাতিটোৱে লোৱা সমসাময়িক সিদ্ধান্ত কিছুমানৰ ভেটিতহে! উচিত সময়ত উচিত সিদ্ধান্ত গ্ৰহণ কৰিব নোৱাৰিলে কেতিয়াও জাতি এটা জাতি হৈ থাকিব নোৱাৰে। অসমৰ ইতিহাসৰ পাত লুটিয়াই চালে এই কথা জলজল-পটপটকৈ ওলাই পৰে যে প্ৰয়োজনীয় পদক্ষেপ সময়ে সময়ে নোলোৱা হ'লে হয়তো চিৰদিন অসমীয়া হৈ থাকিব পৰাকৈ অসমীয়া মানুহৰ যিখিনি অস্তিত্ব বৰ্তমানে বৰ্তি আছে বুলি ভবা গৈছে সেইখিনিও কেতিয়াবাই হেৰুৱালেহেঁতেন! এই অস্তিত্ব হেৰুৱাৰ ভয় আৰু অসমীয়া হৈ থকাৰ দুৰ্বাৰ হাবিয়াসক কেন্দ্ৰ কৰি লিখি উলিয়াইছে গ্ৰন্থখন।

অতন্ত্য সময়পযোগী আৰু চিন্তা উদ্ৰেককাৰী গ্ৰন্থখনে অসম আৰু অসমীয়াৰ জাতি-মাটি-ভেটিৰ অতীত, বৰ্তমান আৰু ভৱিষ্যতৰ স্থিতি সন্দৰ্ভত কেতবোৰ দিশ নতুন প্ৰজন্মৰ সন্মুখত দাঙি ধৰিছে। অসমৰ আকাশে-বতাহে সম্প্ৰতি মুখৰিত হৈ ৰৈছে কেৱল অসমীয়াৰ অস্তিত্বৰ প্ৰশ্ন! অসমীয়াৰ ভৱিষ্যত কি? অসমীয়া জাতি থাকিবনে? কোনে অসমীয়া জাতিটোক ৰক্ষা কৰিব! এনে সংশয় আৰু সন্দিহানৰ পৰিস্থিতিত অসমীয়া জাতিৰ জাতীয়তাবাদৰ প্ৰসংগ উত্থাপন কৰাটো খুবেই জৰুৰী। এজন সচেতন অসমীয়া হিচাপে অসমীয়া জাতিটো শক্তিশালী হৈ উঠাৰ মূলতে বিভিন্ন সময়ত জাতীয়তাবাদীসকলে গ্ৰহণ কৰা ঐতিহাসিক পদক্ষেপবোৰক তন্ন তন্নকৈ বিশ্লেষণ কৰি উত্তৰপুৰুষক সজাগ কৰাটোকে প্ৰধান উদ্দেশ্য হিচাপে লৈ লেখকে এই গুৰুত্বপূৰ্ণ গ্ৰন্থখন লিখি উলিয়াইছে। লেখকে গ্ৰন্থখনৰ প্ৰৱন্ধসমূহক প্ৰধানতঃ দুটা ভাগত ভাগ কৰিছে। প্ৰথমভাগত আনন্দৰাম ঢেকিয়াল ফুকন, গুণাভিৰাম বৰুৱা, হেমচন্দ্ৰ বৰুৱা আদি ঊনবিংশ শতিকাৰ ব্যক্তিসকলৰ কৰ্মৰাজিৰ বিচাৰ-বিশ্লেষণৰ লগতে চিৰদিন অসমীয়া হোৱাৰ গৌৰৱ অনুধাৱন কৰিবলৈ যত্ন কৰিছে। দ্বিতীয়

ভাগত সাম্প্ৰতিক অসমীয়া সমাজ-সাহিত্য-সংস্কৃতিৰ প্ৰতিনিধিত্বমূলক বিষয় কেইটামান আলোচনাৰ আওতালৈ আনি 'চিৰদিন অসমীয়া' শব্দাংশৰ সৈতে তাৰ প্ৰাসংগিকতাও ব্যাখ্যা কৰিছে।

পূৰ্বপুৰুষৰ আদৰ্শৰে আজিও অসমীয়াই বাহুত শক্তি লাভ কৰে। অসমীয়াসকলৰ আপোন, মৰমৰ দেশ, অসমীয়া মানুহৰ ত্যাগৰ আদৰ্শত প্ৰতিষ্ঠিত অসম দেশখনক, অসমীয়া জাতিটোক ৰক্ষা কৰাটো আমাৰ সকলোৰে কৰ্তব্য। সময়ে সময়ে দেশখনৰ প্ৰতি, জাতিৰ প্ৰতি অহা ভাবুকিক প্ৰতিহত কৰিবলৈ অসমৰ প্ৰতিজন মানুহ সদায় সাজু হৈ আছে। ইয়াৰ মাজতেই দেশখনৰ প্ৰতি থকা স্বদেশানুভূতি প্ৰকাশ পাই আহিছে। এই স্বদেশানুভূতি প্ৰকাশ পাইছিল ঊনবিংশ শতিকাত অসমীয়া ভাষা চৰকাৰী বিদ্যালয় আৰু আদালতৰ পৰা বিতাড়িত কৰি বাঙালী ভাষা প্ৰৱৰ্তন কৰা সময়ত – আনন্দৰাম ঢেকিয়াল ফুকনৰ ভাষিক সংগ্ৰামৰ মাজেৰে- আমেৰিকান মিছনেৰীসকলৰ অসমীয়া ভাষাৰ প্ৰতি থকা সুদৃষ্টিৰ মাজত- গুণাভিৰাম বৰুৱা, হেমচন্দ্ৰ বৰুৱাৰ দৰে জাতীয়তাবাদৰ নায়কসকলৰ দূৰদৃষ্টিভংগীসম্পন্ন চিন্তা-চেতনাৰ মাজত।

যি সময়ত অসমীয়া ভাষাৰ ঠাই বঙালী ভাষাই অধিগ্ৰহণ কৰিছিল; সেই সময়ত অসমীয়া ভাষিক চেতনাৰে উদ্বুদ্ধ হৈ আনন্দৰাম ঢেকিয়াল ফুকনৰ দৰে ব্যক্তি ওলাই আহিছিল। 'ইংলেণ্ডৰ বিৱৰণ' শীৰ্ষক লেখাৰ মাজেৰে ঢেকিয়াল ফুকনৰ অসম আৰু অসমীয়া মানুহৰ সৰ্বাত্মক উত্তৰণৰ প্ৰতি থকা আন্তৰিকতাৰ উমান পোৱা যায়। ঢেকিয়াল ফুকনে লিখিছিল- 'হে কৃপাময় জগদীশ্বৰ, এই অসম দেশৰ লোকসকলক স্বদেশ সভ্য গিয়ানি আৰু ধাৰ্মিক কৰিবলৈ মতি দিয়া। যি সময়ত অসম হাবি গুচি ফুলবাৰী হ'ব; গাঁৱে গাঁৱে হেজাৰ হেজাৰ পঢ়াশালি, জ্ঞানৰ সভা, চিকিৎসালয় দুখীয়া দৰিদ্ৰ পৰিত্ৰাণৰ আলয় হ'ব, আৰু যি কালত লোকসকলে পৰম্পৰা হিংসা নকৰি আটাইয়ে আটাইক ভাতৃবোধ চেনেহ কৰিব সেই সময়, হে পৰমপিতা জগদীস্বৰ শীঘ্ৰে ঘটোৱা।' সেইদৰেই মিছনেৰীসকল অসমলৈ আহিছিল খ্ৰীষ্টীয়ান ধৰ্ম প্ৰচাৰৰ উদ্দেশ্যে। কিন্তু সেই সময়ত অসমত প্ৰচলিত হৈ আছিল বঙালী ভাষা। মিছনেৰীসকলৰ উদ্দেশ্য বিফল হোৱাৰ আশংকাত অসমীয়া ভাষাটো উদ্ধাৰৰ বাবেহে তেওঁলোকে প্ৰথমে মনোনিৱেশ কৰিছিল। আলোচনী প্ৰকাশকে আদি কৰি অনুবাদৰ জৰিয়তে অসমীয়া ভাষা সাহিত্যক মিছনেৰীসকলে এক গতি দিছিল। হেমচন্দ্ৰ বৰুৱাই অসমীয়া অভিধান প্ৰণয়নৰ দৰে গুৰুত্বপূৰ্ণ কাম কৰি অসমীয়া জাতিক সমৃদ্ধিশালী কৰি থৈ গৈছে। সমাজ সংস্কাৰক, ভাষা-সংস্কৃতি অক্লান্ত সাধক গুণাভিৰাম বৰুৱাৰ অৱদানকো অসমীয়া জাতিয়ে নুই কৰিব নোৱাৰে। আনন্দৰাম, গুণাভিৰাম আৰু হেমচন্দ্ৰ বৰুৱাৰ দৰে ব্যক্তিৰ বৰঙণিয়ে অসমীয়া জাতীয়তাবাদৰ ভেটিটো মজবুত কৰাত প্ৰভূত্ব বৰঙণি আগবঢ়াই থৈ গৈছে।

লেখকে এই ধৰণৰ জাতীয়তাবাদৰ ধ্বজা বহনকাৰী ব্যক্তি আৰু অনুষ্ঠানৰ প্ৰসংগৰে এই গ্ৰন্থখনৰ প্ৰৱন্ধসমূহ লিখিছে। বিন্দুৰ পৰা সিন্ধুলৈ গৈ বিষয়বস্তু স্পষ্ট ৰূপত পঢ়ুৱৈৰ সন্মুখত তুলি ধৰিব পৰাটো লেখকৰ অন্যতম কৃতিত্ব। সমালোচনাত্মক দৃষ্টিভংগী, যোগাত্মক চিন্তা আৰু সাৱলীল গদ্য গঠনেৰে এই গ্ৰন্থখনৰ প্ৰতিটো প্ৰৱন্ধ সমৃদ্ধিশালী। অসম আৰু অসমীয়াৰ ঐতিহ্যৰ প্ৰতি শ্ৰদ্ধাশীল লেখক বৰাই অধ্যয়ন, অভিজ্ঞতা আৰু জাতীয়তাবদী চেতনাক মূল সাৰথি হিচাপে লৈ প্ৰৱন্ধসমূহ লিখিবলৈ যত্ন কৰিছে। প্ৰতিটো প্ৰৱন্ধৰ বিষয়বস্তু বিশ্লেষণ কৰি উপযুক্ত তথ্যৰ আধাৰত নিজস্ব অভিমতো প্ৰকাশ কৰি লেখকে গ্ৰন্থখনত নিজা স্থিতি দৃঢ়তাৰে প্ৰতিপন্ন কৰিছে। গ্ৰন্থখনত সন্নিৱিষ্ট প্ৰৱন্ধসমূহ পঢ়িলে অনুভৱ কৰিব পাৰি যে লেখক বৰাই নিজকে হাড়ে-হিমজুৱে এজন অসমীয়া বুলি পৰিচয় দিবলৈ ভাল পায় আৰু আনকো সেইদৰে পৰিচয় দিবলৈ উদ্বুদ্ধ কৰাৰ প্ৰয়াস কৰিছে এই গ্ৰন্থখনৰ জৰিয়তে।

**মানুহ মৰি মানুহ**
**লেখক - পবিত্ৰ গগৈ**
**আলোচক - সুকুমাৰ চেতিয়া**

লেখকৰ সপ্তম কাব্য সংকলন। ইয়াৰ পূৰ্বে কবিগৰাকীৰ দ্বাৰা প্ৰকাশিত কাব্যগ্ৰন্থসমূহ হৈছে ক্ৰমে 'সূৰ্যৰ এটুকুৰা উজ্জ্বলতা', 'নিঃসংগ চৰাই এটাৰ দৰে', 'কোনে গণিব ৰূপোৱালী তৰা', 'তুমিও এপাহ কেতেকী ফুল', 'পোৰা মাটিৰ গান' আৰু 'জুই জ্বলে চৰাইৰ বাহত'।

বিৱৰ্তনশীল জীৱন প্ৰৱাহত শ্ৰেষ্ঠতম আৱিষ্কাৰৰ তাড়নাত ক'ব নোৱাৰাকৈ মানুহ হৈ পৰে হৃদয়হীন। সৃষ্টিৰ সমান্তৰালকৈ মানুহেই ৰচে ধ্বংসৰো মকৰাজাল। মানুহ অমানুহ হয়, নিজৰেই সৃষ্টিৰে মানুহে নিজৰেই ধ্বংস মাতে। প্ৰকৃতি বিবৰ্ণ হয়। এনেকৈয়ে তাড়নাৰ পাছে পাছে দৌৰি-ভাগৰি মৃতপ্ৰায় হয় মানুহ। এসময়ত মানুহে সম্বিত ঘুৰাই পাই পুনৰ হাবাথুৰি খায় মানুহ বিচাৰি। সেয়েহে কবিয়ে লিখিছে 'মানুহ মৰি মানুহ'।

সামন্তবাদৰ এখন ছবি দেখা পাওঁ 'ৰজাৰ পদূলি' কবিতাত। 'আহিবাচোন কেতিয়াবা/ শাসনতন্ত্ৰৰ মৌনতা/ চাবাচোন কেতিয়াবা/ ৰাজপ্ৰসাদৰ দুৱাৰৰ যন্ত্ৰ/ যি বাটত আছে হাজাৰ চাকি/ তাতে থাকে আন্ধাৰ ঢাকি/ ৰজাৰ পদূলি।'

নাওমান জীৱনটোত অযথা, অৰ্থহীন কথাৰে সময়ৰ অপচয় কৰাতকৈ সৃষ্টিৰ প্ৰতিহে আমি মনোযোগী হ'ব লাগে। কবিৰ ভাষাৰে, 'এটা দিনৰ বাবে আছোঁ/ তোমাৰ স'তে অতবোৰ/ নভবা নিচিন্তাকৈ পাতিছিলোঁ কথা/ এটা দিনৰ বাবেহে আছোঁ/ সেই দিনটো যে সৃষ্টি. মধুৰতম অন্তৰংগ আলাপ/ তৃপ্তিৰ মধুৰ সোৱাদ'। (এটা দিনৰ বাবে আছোঁ)

সৰল মনৰ কবিজনৰ প্ৰেমৰ প্ৰকাশো অতি সৰল আৰু মনপৰশা। 'ষোড়শী গাভৰুৰ প্ৰেমত পৰি/ জেঠৰ দুপৰীয়া ৰ'দত বহি/ এবাটি ৰহি খালোঁ/ হাঁহিৰ খলকনিত/ লচপচী গাভৰুৱে চোৱাৰে পৰা/ আকৌ এবাটি ৰহি খালোঁ।/ ষোড়শী গাভৰুৰ প্ৰেমত পৰি/ দুৱৰি মন মাৰি/ বাৰীৰ ঢাপৰ হাফলু খহায়/ চিকুণ চোতালত ঘৰ সাজিলোঁ। (ষোড়শী গাভৰুৰ প্ৰেমত)। কবিজনাৰ মুঠ ৬৬টা কবিতাৰ মাজৰে মাত্ৰ কেইটামান কবিতাৰ কিছু আভাসহে এইখিনিতে দিয়াৰ প্ৰয়াস কৰা হৈছে।

**প্ৰজ্ঞাৰ সুবাস**
**লেখিকা - নিবেদিতা বৰপূজাৰী**
**আলোচক - ড০ কল্যাণী গোস্বামী**

সংকলনখনত লেখিকাই যথাৰ্থতে পাঠক সমাজৰ মাজত প্ৰজ্ঞা, অৰ্থাৎ প্ৰকৃষ্ট বা গভীৰ জ্ঞানৰ সুবাস বিলাবলৈ প্ৰয়াস কৰিছে। সংকলনটোত মননশীল প্ৰৱন্ধৰাজিৰ যোগেদি লেখিকাৰ গভীৰ অধ্যয়ন, অনুধাৱন আৰু ৰুচি পঢ়ুৱৈ সমাজে সহজেই ধাৰণা কৰিব পাৰিব। দহোটা বাছকবনীয়া বিষয়বস্তুৰ প্ৰৱন্ধৰে যুগুত কৰা সংকলনটো তথ্যসমৃদ্ধ আৰু যুক্তিনিষ্ঠ। বিভিন্ন উৎসৰ পৰা তথ্য সংগ্ৰহ কৰিলেও লেখিকাই নিজৰ মনৰ তুলাচনীৰে জুকিয়াই তথ্যসমূহৰ সফল প্ৰয়োগ কৰিবলৈ চেষ্টা কৰা পৰিলক্ষিত হৈছে। সংকলনটোত লেখিকাই আধ্যাত্মিকতা, ধৰ্ম, দৰ্শন, নাৰীৰ মৰ্যাদা, ইতিহাস, মূল্যবোধ, সামাজিক সমস্যা আদি প্ৰাসংগিক বিষয় সন্নিৱিষ্ট কৰি পাঠক সমাজক ভিন্ন স্বাদ দিবলৈ সক্ষম হৈছে। উদাহৰণস্বৰূপে ভাৰতীয় নাৰী আৰু আধ্যাত্মমিকতা বিষয়ক প্ৰৱন্ধত সুপ্ৰাচীন ভাৰতৰ বেদ, ব্ৰাহ্মণ, উপনিষদ পুৰাণ, মহাকাব্য আৰু বৌদ্ধযুগৰ বিভিন্ন তথ্যৰ সম্ভেদ লেখিকাই পঢ়ুৱৈ সমাজক দিবলৈ প্ৰয়াস কৰিছে। 'অসমৰ জাতীয় উৎসৱ বিহ' শীৰ্ষক

প্ৰৱন্ধটো তথ্যসমৃদ্ধ হ'লেও বিশ্লেষণাত্মক। বিহু সম্বন্ধীয় নানান তথ্যৰ লগতে প্ৰৱন্ধটোত যোৰহাটৰ প্ৰসিদ্ধ মইনামাজি গাঁৱৰ গাভৰু সেন্দুৰী আৰু পমিলীৰ প্ৰণয় কাহিনীৰ আলমত ৰচিত মালিতাটোও লেখিকাই সংযোজন কৰিবলৈ পাহৰা নাই। শ্ৰীমন্ত শংকৰদেৱৰ জীৱনৰ আধাৰত বিৰচিত প্ৰৱন্ধত মহাপুৰুষজনাই সমাজলৈ আগবঢ়োৱা প্ৰতিটো অৱদানৰ বিষয়ে আলোকপাত কৰিবলৈ লেখিকা যত্নপৰ হৈছে। শক্তিস্বৰূপিণী দুৰ্গা পূজা বিষয়ক লেখাত অসমত শক্তিপূজাৰ ইতিহাস, নৱৰাত্ৰি, মহালয়া, নৱপত্ৰিকা, শক্তিপীঠ তথা পূজাৰ তাত্বিক দিশ সম্পৰ্কে বিশদভাৱে কৰা আলোচনা পৰিলক্ষিত হৈছে। প্ৰৱন্ধসমূহত লেখিকাই স্বকীয় দৃষ্টিভংগীৰ অনুকূলে সংযোজন কৰা উক্তি আৰু যুক্তিয়ে বিষয়বস্তুৰ লগত পাঠকৰ অন্তৰংগতা বৃদ্ধি কৰিছে। অৱশ্যে সংস্কৃত শ্লোকসমূহৰ প্ৰাথমিক উৎসৰ পৰা উদ্ধৃতি দিয়া হ'লে গ্ৰন্থৰ সৌষ্ঠৱ অধিক বৃদ্ধি হ'লহেঁতেন। প্ৰৱন্ধ হৈছে কথাশিল্পৰ উৎকৃষ্ট অংগ। প্ৰৱন্ধ ৰস ৰচনা নহ'লেও প্ৰয়োজন বিশেষে ৰস সৃষ্টি কৰিবলৈ কৰা লেখিকাৰ প্ৰয়াসে গ্ৰন্থখনক মনোগ্ৰাহী কৰি তুলিছে। প্ৰৱন্ধসমূহৰ শব্দচয়ন, বাক্যগাঁথনি আৰু গ্ৰন্থৰ বেটুপাত আকৰ্ষণীয়। উল্লাখযোগ্য যে নৱপ্ৰজন্মৰ পৰিচয়াৰ্থে সংকলনটোৰ শেষত সংযোজন কৰা ৰূপৰ টেমা, বেৰা কাঁহী, কাঁহৰ ভোৰতাল, ভাতবান, পিতলৰ গৰুওমূৰ্তি আদিৰ চিত্ৰই নিঃসন্দেহে গ্ৰন্থৰ সৌষ্ঠৱ বৃদ্ধি কৰিছে। গ্ৰন্থৰ মুখবন্ধত বিশিষ্ট সাহিত্যিক, গৱেষক ড° প্ৰদীপ কুমাৰ বৰুৱাই বিশ্লেষণাত্মক সংকলনটো এক উপাদেয় সাহিত্যকৰ্ম বুলি অভিহিত কৰিছে। বিশিষ্ট লেখক তথা গৱেষক ড° গিৰীশ বৰুৱায়ো সাৱলীল ভাষাৰে ৰচিত গভীৰ আৰু বিচাৰমূলক অনুসন্ধানযুক্ত প্ৰৱন্ধ বুলি অভিহিত প্ৰকাশ কৰিছে।

**সাদিনঃ**

**(০৯/১১/২০১৮)**

**Deword**
**লেখক - অনুভৱ তুলসী**

অনুভৱ তুলসীৰ কবিতাত আছে এক সাংগীতিক চেতনা। নিজস্ব শৈলী প্ৰয়োগ কৰাটো তেখেতৰ কবিতাৰ অন্যতম বিশেষত্ব। ইফালে উত্তৰ আধুনিকতাবাদী চিন্তা-চেতনাক শক্তিশালী ৰূপ দিয়াত কবি সিদ্ধহস্ত। কবিৰ কবিতাৰ বিষয়বস্তুত আছে যুগৰ সংকটে কঢ়িয়াই অনা নৈৰাশ্যবোধ, পুৰাণৰ মিথ প্ৰয়োগ, ইতিহাস চেতনা, প্ৰেম-অপ্ৰেমৰ উক্তি, মানসিক অন্তৰ্দ্বন্দ্বৰ সাৱলীল প্ৰকাশ। শব্দ যেন অনুভৱ তুলসীৰ হাতত কবিতা নিৰ্মাণৰ এক ঐশ্বৰ্য হৈ উঠিছে। যদি কোনো ৰসপিপাসু কবিয়ে এইগৰাকী কবিৰ কবিতাৰ শব্দৰ ৰহস্য ভেদ কৰি কবিতাৰ অন্তৰ্জগতত প্ৰৱেশ কৰিব খোজে তেতিয়া কবিৰ চিন্তাশীল, প্ৰেমৰ সহৃদয়তা আৰু যুক্তিশীল, মানুহজনক উপলব্ধি কৰিবলৈ সক্ষম হয়। দৈনন্দিন প্ৰচলিত ভাষা আৰু কাব্য ভাষা বস্তুৰ প্ৰয়োগৰ ক্ষেত্ৰত স্বভাৱতেই বিভিন্নতা লক্ষ্য কৰা যায়। এইখিনি প্ৰভেদ গদ্য আৰু বিজ্ঞানৰ ক্ষেত্ৰতো একেই। গদ্যৰ অৱলম্বন বিজ্ঞান আৰু কাব্যৰ অৱলম্বন প্ৰজ্ঞাই প্ৰধান্য পায়। প্ৰজ্ঞাৰ অবিহনে কোনো কবিয়েই কবিতাৰ সাধনাৰ পথাৰখনত নিজক বৰ্তাই ৰাখিব নোৱাৰে।

অনুভৱ তুলসীৰ প্ৰজ্ঞা আৰু পৰিধিয়ে তেখেতৰ কবিতাক এক আয়তন দিছে। তেখেতৰ কবিতাৰ পৰিধিয়ে সীমা ফালি কবিৰ সাধনাক দেশ-বিদেশৰ পঢ়ুৱৈৰ মাজতো এক আলোড়ন তুলিবলৈ সক্ষম হৈছে। অসমীয়া ভাষাত কবিতা লিখিলেও কবিৰ কবিতা হৈ পৰিছে সাৰ্বজনীন প্ৰেক্ষাপটৰ এক অনুভতি। সেই অনুভূতিয়ে সকলো স্তৰৰ পঢ়ুৱৈকে আকৰ্ষণ কৰিব পাৰে। অসমীয়া সাহিত্যক গৌৰৱ উৎসৱত উদ্বেলিত হ'বলৈ এক সুযোগ দিছে অনুভৱ তুলসীৰ সদ্য প্ৰকাশিত ইংৰাজী অনুবাদৰ কবিতা পুথি Deword য়ে। এই পুথিখনৰ পাতনি লিখিছে অসমৰে অন্য এজন প্ৰখ্যাত সাহিত্য সমালোচক বিভাস চৌধুৰীয়ে। ইংৰাজী অনুবাদ হৈছে প্ৰায়

৮০ টা কবিতা। এই সংকলনে অনুভৱ তুলসীৰ কাব্য পৰিক্ৰমাৰ পথটো মসৃণ কৰাৰ লগতে অসমীয়া কবিতাৰ উত্তৰণৰ দিশটোক প্ৰতিনিধিত্ব কৰিছে।

**প্ৰেম আৰু মানৱতাৰ ভাৱনা**
**লেখক - প্ৰাঞ্জল প্ৰতিম খনিকৰ**
**আলোচক - চামচুল বৰিক**

'অক্লান্ত মেঘৰ দৰে' । এখন কবিতা পুথিৰ শিৰোনাম। হ'ব পাৰে অতৃপ্ত আত্মাৰো গান। হ'ব পাৰে ভাগৰুৱা পথিকৰো প্ৰাণ। হ'ব পাৰে শান্তিৰ জয়গান। কবিৰ চাৰি কুৰি দুটা কবিতাৰ এই পুথিখনত কেইটামান আকৰ্ষনীয় অনুভৱ আছে।

প্ৰেম ভাবৰ ব্যাকুলতাই তেওঁৰ বহুবোৰ কবিতাতে স্পন্দন দি থৈছে। ভোগ-লালসা প্ৰধান এই সমাজ জীৱনত প্ৰেম আপুৰুগীয়া হোৱা এই দিনত প্ৰাঞ্জল প্ৰতিমৰ কবিতাই পাঠকক জীৱনৰ হেৰুৱা সোৱাদ নিশ্চয় দিছে। বহুকেইটা কবিতা, ব্যক্তিগত পৰ্যায়ৰ প্ৰেমৰ কবিতা হ'লেও ৰহস্যঘন মাদকতা পোৱা যায়। 'এটি গইনা লাগে', 'অভিমান', 'সময়ৰ ছাঁ' এই জাতীয় কবিতাৰো পঢ়ি গ'লে তেনে এক আমেজ পোৱা যায়। দুটি কাব্যাংশ তুলি ধৰা হওক। 'অপলক নয়নে তুমি অহাৰ বাতৰি ল'বলৈ। মোক এটি গইনা লাগে' (পৃঃ ৪৩) 'আছেযে ৰৈ ডিঙি মেলি চাই/ অজানিতে তোমাৰ চকু পৰেইবা' (পৃঃ ৪৭)

দৈহিক প্ৰেমৰ ঊৰ্ধত এনে অনুভৱ।
জাতি প্ৰেম তথা দেশ প্ৰেমৰ বীজৰ গজালিও আছে তেওঁৰ
ভাৱনাৰ মাজত। যেনেঃ 'শ্বহীদৰ বক্ষতেই দেখিছো আকৌ/সেউজী দূৱৰি গজে' (পৃঃ৬৯)
পৃথিৱীৰ প্ৰেমেও কবিক উদ্বিগ্ন কৰি ৰাখিছে।

কি যে স্পৰ্শ চহকী কাব্যাংশঃ '...মেঘৰ অট্টহাস্য বহু ভাল দিয়া/ অন্যথা হেৰাই যাব সঞ্জীৱনী/ উৰ্বৰা শস্যভূমি/ হ'ব মৰিশালী অথবা মৰুভূমি।

খনিকৰৰ কবিতাত মানৱতাবাদী দৰ্শনৰ তলসূঁতীয়া সুৰ এটা প্ৰবাহিত হৈ আছে। অন্যথা, 'কলমৌ পাততে গোসাঁই উপজিল। ঘোঁৰাশালত উপজিল যীশু/বুদ্ধৰ চৰণতে শৰণ ল'লোহি/গান্ধীৰ ওচৰতে বহোঁ'ৰ দৰে কাব্যিক উপমা সৃষ্টি নহ'লহেতেন। মানৱতাৰ হাঁহাকাৰক লৈও কবিতা লিখিছে তেঁওঃ 'ভেকুলীৰ মাতত আজিকালি বাৰিষা নাহে/ বান্ধত পানী মুকলি হ'লে কিন্তু/বাৰিষা যেতিয়াই তেতিয়াই আহে' (পৃঃ ৪৪)। অনুৰূপ পংক্তিঃ 'খেনোৰ তেজেৰে তুষ্ট হওক খেনোৰ আৰাধ্য দেৱতা/ আল্লা অথবা গড (পৃঃ ১১১)। 'অভিশপ্ত বুৰঞ্জীৰ আৰ্তনাদ' শীৰ্ষক এই কবিতাটো পুথিখনৰ এক উল্লেখনীয় কবিতা।

বিপৰ্যস্ত মানৱতাক উদ্ধাৰৰ বাবেও কবিৰ কলমৰ গতি অব্যাহত আছে। 'পণ' শীৰ্ষক কবিতাটো এক সবল উদাহৰণ বুলিব পাৰি ('এঘড়ী যুঁজাৰ মন/ এমুঠি দিবৰ ক্ষণ; পৃঃ ১০০)। কবিততাটোৰ আৰম্ভণিও চমকপ্ৰদঃ 'যৌৱনটোহে মোৰ/ জীৱনটো তোমালোকৰ'। এটি সুখপাঠ্য কবিতা।

প্ৰঞ্জল প্ৰতিমৰ লেখনশৈলীত বিশেষত্ব আছে। তেনেকৈ সুকীয়া স্বাদো আছে কিছু পৰিমাণে। শব্দৰ ব্যঞ্জনা সৃষ্টিতো নিপুণ হাতৰ পৰশ আছে। ক'ৰবাত ক'ৰবাত শব্দৰ অলংকাৰ বৃদ্ধি পোৱা যেন লাগে। কোনো কোনো কবিতাত ক্ৰমান্বয়ে বক্তব্যৰ শিথিলতাও দেখা যায়। কবিৰ যাত্ৰা আৰম্ভ হৈছেহে। শুভকামনা থাকিল কবলৈ যাতে খোজ দ্ৰুততৰ হৈ গৈ থাকে।

**অভিশপ্ত নৰক**
**লেখিকা - সুজাতা গোঁহাই বৰুৱা**
**প্ৰকাশক - ষ্টুডেন্টছ ষ্ট'ৰছ**
**মূল্য - ১১০.০০ টকা**

এই উপন্যাসখন হৈছে আধুনিক জীৱন ধাৰাৰ কেইটিমান চৰিত্ৰৰে গঢ়ি তোলা এক কাহিনীৰ পৌৰাণিক এক কল্পকাহিনীৰ সৈতে যোগাত্মক সংযোগ।

আমি মহাভাৰত, পুৰাণ, ৰামায়ণ, বেদ তথা উপনিষদৰ কাহিনীৰ ওপৰত আধাৰিত ধ্ৰুপদী উপন্যাসৰ সোৱাদ লাভ কৰিছো। তদুপৰি এনে সাহিত্যৰাজিসমূহৰ বিভিন্ন চৰিত্ৰক(বিশেষকৈ যোদ্ধা অথবা দেৱতা) লৈ ৰচনা কৰা উপন্যাস আৰু গল্প পঢ়িবলৈ পাইছো। এই উপন্যাসখনতো লেখিকাগৰাকীয়ে এক ঐতিহাসিক চৰিত্ৰক মুখ্যৰূপে লৈছে। কিন্তু সেই চৰিত্ৰ কোনো দেৱতাৰ নহয়, কামৰূপৰ ইতিহাসৰ সৈতে জড়িত হৈ থকা এজন অসুৰ অথবা দানৱৰূপেহে। নৰকাসুৰৰ জীৱনক মুখ্যৰূপে লৈ এই উপন্যাসৰ কাহিনীভাগ আগবঢ়াই নিয়া হৈছে। নন্দিনী নামৰ এগৰাকী গৱেষিকা ছাত্ৰীৰ কৌতূহল আৰু নৰকাসুৰক গৱেষণাৰ বিষয়ৰূপে লোৱাৰ কথাৰেই উপন্যাসখনৰ কাহিনীভাগ আৰম্ভ হৈছে। উপন্যাসত ঠায়ে ঠায়ে কালিকা পুৰাণত উল্লেখ থকা কামৰূপ আৰু নৰকাসুৰ সম্পৰ্কীয় বিভিন্ন বিষয়ৰো অৱতাৰণা কৰা হৈছে। উপন্যাসখনৰ সবাতোকৈ আকৰ্ষণীয় অংশ হ'ল নৰকাসুৰ অৰ্থাৎ নৰকৰ জীৱনৰ কাহিনীভাগ। নন্দিনীয়ে নিজৰ মনৰ ভিতৰতে কল্পনা কৰি লোৱা সেই কাহিনীভাগক উপন্যাসখনৰ ঔপন্যাসিকাগৰাকীয়ে অতি সৰলভাৱে আগবঢ়াই নিছে। বৰাহ আৰু বসুমতীৰ বিবাহ, নৰকৰ জন্ম, যজ্ঞস্থলীত শিশু নৰকক থোৱা, নৰকৰ কামাখ্যা দেৱীক বিবাহ কৰাবলৈ আগ্ৰহ, দেৱীৰ দ্বাৰা প্ৰতাৰিত হোৱা, পৰৱৰ্তী সময়ত অন্য ৰাজকন্যাৰ সৈতে বিবাহ পাশত আৱদ্ধ হোৱা, চাৰিটাকৈ পুত্ৰৰ পিতৃত্বৰ গৌৰৱ অৰ্জন কৰা, নৰক আৰু কৃষ্ণৰ প্ৰসংগ, নৰক যুদ্ধলৈ যোৱা, পুত্ৰ ভগদত্তক সিংহাসনত বহুওৱা আদি সকলো বিষয় উপন্যাসখনত অতি সুন্দৰভাৱে উপস্থাপন কৰা হৈছে।

লেখিকাৰ পূৰ্বেও 'ৰণাংগন', 'তেজস্বিনী', 'সাঁচি পাতৰ কথকতা' নামেৰে তিনিখন গ্ৰন্থ প্ৰকাশিত হৈছে।

**গীতঃ এক প্ৰেম গাথা**
**লেখিকা - পৰিণীতা বুজৰবৰুৱা**
**প্ৰকাশক - ষ্টুডেন্টছ ষ্ট'ৰছ**
**মূল্য - ২০০.০০ টকা**

'মই জনাত এৱেঁই একমাত্ৰ লেখিকা যি কেৱল লেখিকাই নহয়, এগৰাকী চিত্ৰশিল্পীও। অসমৰ সাহিত্য-জগতত ই এক অতি উল্লেখযোগ্য ঘটনা। অসমত আজিলৈকে এনে এগৰাকী লেখিকা ওলোৱা নাই যে কলমডালৰ সলনি তুলিকাতো হাত দিছে, তদুপৰি উল্লেখযোগ্য কথা যে, কলমৰ সমানেই তুলিকাডালো শক্তিশালী...।' এনেদৰেই উপন্যাসখনৰ আগকথাত উল্লেখ কৰিছে বিশিষ্ট সাহিত্যিক নিৰুপমা বৰগোহাঞিয়ে। ঔপন্যাসিক অসমীয়া সাহিত্য ক্ষেত্ৰৰ এক চিনাকি নাম। অসমীয়া বিভিন্ন কাকত-আলোচনীত তেওঁ বৰ্তমানলৈ বহু পঠনীয় সাহিত্যৰাজি ৰচনা কৰিছে।

ঔপন্যাসিকগৰাকীৰ ছবি ভাৰতৰ অন্যান্য আৰ্ট গেলাৰীত প্ৰদৰ্শিত হোৱাৰ লগতে মুম্বাইৰ বিখ্যাত জাহাংগীৰ আৰ্ট গেলাৰীতো প্ৰদৰ্শিত হৈছে। এই উপন্যাসখনৰ মূল পটভূমি হ'ল চাহ বাগানৰ সমাজখন। চাহ

বাগিচাৰ পটভূমিত ৰচনা কৰিলেও উপন্যাসখনত চিৰন্তন প্ৰেমকাহিনীও বৰ্ণিত হৈছে। তদুপৰি এনে প্ৰেমৰ নিয়তিৰ নিৰ্দেশতহে পূৰ্ণতা প্ৰাপ্তিৰ দিশটোও উনুকিওৱা হৈছে। উপন্যাসখনৰ সন্দৰ্ভত ঔপন্যাসিকগৰাকীয়ে লিখিছে যে তেওঁ কাহানিও উপন্যাসখনৰ সমল বিচাৰি চাহ বাগিচালৈ যাবলগীয়া হোৱা নাছিল। কিয়নো তেওঁৰ জীৱনৰ অধিকাংশ সময় চাহবাগিচাত অতিবাহিত হৈছে। গতিকে স্মৃতিৰ মণিকোঠাৰ বহু কথাই উপন্যাসখনত ভিৰ কৰিছেহি। ঔপন্যাসিকগৰাকীৰ বাস্তৱ জীৱনৰ অনুভৱৰ ওপৰত আধাৰিত এই উপন্যাসখন।

**মেঘে ঢকা স্বদেশ**
**লেখক - শিৱচৰণ কলিতা**
**আলোচক - পংকজ কলিতা (৯৭০৬৭৫২০৪৪)**

বিশিষ্ট প্ৰৱন্ধকাৰ, জ্যেষ্ঠ সাংবাদিক শিৱচৰণ কলিতাৰ তৃতীয় গ্ৰন্থ। বিশিষ্ট ভাস্কৰ্য শিল্পী বীৰেন সিংহদেৱৰ দ্বাৰা অংকিত বেটুপাতটোতেই গ্ৰন্থখনৰ প্ৰতিচ্ছবি উজলি উঠিছে। সৰু-বৰ সত্তৰটা প্ৰৱন্ধ সন্নিৱিষ্ট কৰা হৈছে গ্ৰন্থখনত। সাম্প্ৰতিক সময়ৰ ভয়াৱহ সমস্যা, ৰাজনীতি, সমাজনীতি, অৰ্থনীতি, সাহিত্য-ভাষাৰ অৱনতি, অন্ধবিশ্বাস, কু-সংস্কাৰ আদি সকলোকেইটা দিশ সামৰি লিখা প্ৰৱন্ধসমূহ লেখকে খুব সুন্দৰভাৱে উপস্থাপন কৰিছে। এগৰাকী নিৰ্ভীক সাংবাদিক হিচাপে পৰিচিত শিৱচৰণ কলিতা বিভিন্ন সময়ত একাংশ কট্টৰপন্থীৰ লাঞ্ছনা-গাঞ্জনাৰো সন্মুখীন হৈছিল।

**কুঁকি**
**লেখক - কিশোৰ কুমাৰ কলিতা**
**আলোচক - পংকজ কলিতা (৯৭০৬৭৫২০৪৪)**

১৬ টা প্ৰৱন্ধৰে সজোৱা ৬৭ পৃষ্ঠাৰ গ্ৰন্থ। লেখক পেছাত এগৰাকী নিৰপেক্ষ সাংবাদিক হিচাপে সুপৰিচিত। কলিতাৰ এইখন অষ্টম গ্ৰন্থ। গ্ৰন্থখনত সন্নিৱিষ্ট প্ৰৱন্ধবিলাক বিভিন্ন কাকত-আলোচনীত প্ৰকাশিত যদিও একত্ৰ সংকলনখনে পঢ়ুৱৈ সমাজৰ উপকাৰ সাধিব। গ্ৰন্থখনত আগস্থান দিয়া 'বৈদ্যগিৰি'ৰ সমীক্ষাত্মক ইতিবৃত্ত' এটি তত্বমূলক প্ৰৱন্ধ, য'ত কামৰূপ জিলাৰ ঐতিহ্যমণ্ডিত দখলা পাহাৰৰ ইতিবৃত্ত তথ্যসহকাৰে বৰ্ণনা কৰা হৈছে। মহাবাহু ব্ৰহ্মপুত্ৰৰ গাতে লাগি থকা দখলা পাহাৰৰ প্ৰাকৃতিক সৌন্দৰ্যৰ সাৱলীল ব্যাখ্যা আগবঢ়োৱাৰ উপৰি জনসমাজত প্ৰচলিত আখ্যান-উপাখ্যানৰ সাধুকথাবোৰো প্ৰৱন্ধটোত ঠাই পাইছে। আনহাতে, 'অসমীয়া সাহিত্যৰ বুৰঞ্জীত চৰিত সাহিত্যৰ স্থান' শীৰ্ষক প্ৰৱন্ধটোৱে গ্ৰন্থখনত সোণত সুৱগা চৰাইছে। তদুপৰি ভালেকেইটা উল্লেখযোগ্য প্ৰৱন্ধক লেখকে যথোপযুক্তভাৱে স্থান দিছে। বৃহত্তৰ দক্ষিণ কামৰূপৰ আৰ্থ-সামাজিক, সাহিত্য-সংস্কৃতি, সাহিত্য-চৰ্চাৰ বহল পথাৰখনত ভুমুকি মাৰি লেখক কলিতাই এখন সুস্পষ্ট ছবি দাঙি ধৰিবলৈ সক্ষম হৈছে। কামৰূপীয়া লোককৃষ্টিৰ গুৰু সুকুমাৰ মেধি, অসম কেশৰী অম্বিকাগিৰী ৰায়চৌধুৰী আদি প্ৰৱন্ধই এই গ্ৰন্থখনক এক অনন্য মাত্ৰা প্ৰদান কৰিছে।

**এই কাহিনীবোৰ**
**লেখক - ধৰ্মবিন্দু শৰ্মা**
**প্ৰকাশক - আখৰ প্ৰকাশন**
**আলোচক - পাৰভিন চুলতানা (৮০১১৯০৩৬২৩)**
**মূল্য - ১১০.০০ টকা**

১৩ টা চুটি গল্পৰ সমাহাৰ। ধুবুৰীৰ হালাকুৰাত বসবাস কৰা ধনবিন্দু শৰ্মাৰ চুটি গল্পবোৰত পশ্চিম অসমৰ প্ৰান্তীয় এলেকাৰ মানুহবোৰৰ জীৱন, সমাজ আৰু সংস্কৃতিৰ নানা দিশ সুন্দৰকৈ বৰ্ণনা কৰিছে। তেওঁৰ গল্পবোৰত সামাজিক সমস্যা যেনে- বাল্য বিবাহ, পুৰুষতান্ত্ৰিক সমাজৰ মানসিকতা, গোষ্ঠী সংঘৰ্ষৰ পৰা আৰম্ভ কৰি জীৱনৰ ভাটি বয়সত নষ্টালজিয়াৰ দৰে বিভিন্ন বিষয়বস্তু স্থান পাইছে।

সংকলনৰ গল্পবোৰ পঢ়িলে কিছু গল্প লেখকৰ নিজৰ বাস্তৱ জীৱন আৰু অভিজ্ঞতাৰ দ্বাৰা প্ৰভাৱান্বিত হোৱা যেন ভাব হয়। সংকলনৰ প্ৰথমটো গল্প 'আপোন ঘৰ' তেনেকুৱা এটা গল্প। এই গল্পটোত এটা গুৰুত্বপূৰ্ণ প্ৰশ্ন উপস্থাপন কৰিছে- কোনো এক ঠাইৰ মানুহ আন এক ঠাইত গৈ কিমান বছৰ বসতি কৰাৰ পিছত সেই ঠাইৰ আপোন হয় বাৰু? গল্পটোৰ মূল চৰিত্ৰ অনিৰুদ্ধ চৌধুৰী চাকৰি সংক্ৰান্তত গোটেই জীৱন অসমৰ পশ্চিম প্ৰান্তৰ এক পিচপৰা ঠাইত কটালে। সেই ঠাইৰ উন্নতিৰ হকে কাম কৰি গ'ল। কিন্তু তাৰ পিছতো তেওঁক কিছু দুষ্ট চক্ৰই বহিৰাগত বুলি কটাক্ষ কৰিবলৈ নেৰিলে। সেয়ে কেতিয়াবা কেতিয়াবা তেওঁৰ নিজকে শিপাহীন বুলি ভাব হয়।

দ্বিতীয় গল্প 'তেজে ধোৱা ছুৰেটাৰ' দৰিদ্ৰ শ্ৰমিকৰ দুৰ্ভাগ্যৰ কৰুণগাঁথা। গল্পটোৰ জৰিয়তে দৈনন্দিন জীৱনত সন্মুখীন হোৱা লিংগ বৈষম্যৰ এক সাৰ্থক প্ৰতিচ্ছবি তুলি ধৰিবলৈ সক্ষম হৈছে গল্পকাৰ শৰ্মাই। বধ্যভূমিত মানৱতাৰ গান, বিস্ফোৰণ, মাথোঁ এটি সুৰ সপোন আদি কাহিনীবোৰত ৰাজ্য জোঁকাৰি যোৱা হিংসা, গোষ্ঠী সংঘৰ্ষৰ কথা, স্বাধীনতাৰ সপোন চকুত লৈ মুক্তি যুদ্ধৰ বাবে ঘৰৰ পৰা ওলাই যোৱা যুৱ প্ৰজন্ম আৰু তেওঁলোকৰ পৰিয়ালৰ ওপৰত পৰা প্ৰভাৱৰ বিষয়ে সুন্দৰকৈ প্ৰতিফলিত হৈছে।

আন কিছু কাহিনীয়ে ৰাজ্যত ভাষাভিত্তিক বিভেদৰ বিষয়েও উমান দিছে সমাজত বিভাজনমূলক সংকীৰ্ণ ৰাজনীতিয়ে যে সাধাৰণ মানুহক আটাইতকৈ বেছি হাৰাশাস্তিৰ সন্মুখীন হ'বলৈ বাধ্য কৰে- সেই কথাও শৰ্মাৰ চুটি গল্পবোৰত সাৰ্থকভাৱে প্ৰতিফলিত কৰিছে। 'স্মৃতি-বিস্মৃতি'ৰ মূল চৰিত্ৰই কোচবিহাৰৰ এজন চাহ বিক্ৰেতাৰ মুখত শুদ্ধ অসমীয়া শুনি চক খাইছিল। পিছে সি অসম এৰি কিয় গুচি যাবলগীয়া হৈছিল সেইটো শুনি দুখ প্ৰকাশ কৰিলে। তেওঁৰ এই গল্পটো পঢ়ি মনলৈ ভাব আহে আজিৰ পৃথিৱীত দৰকাৰ সমন্বয়ৰ সেতু গঢ়াৰ, পৃথকীকৰণৰ প্ৰাচীৰ নহয়।

সমাজৰ বিভিন্ন বিষয় লৈ লিখা এই কাহিনীবোৰ মানুহৰ জীৱনৰ বিভিন্ন দিশ সুন্দৰকৈ ফুটাই তুলিছে। পুৰুষতান্ত্ৰিক সমাজ এখনে মহিলাক কেনেকৈ কেৱল এটা শৰীৰলৈকে সীমিত কৰে, এনে কিছু পৰম্পৰা যিবোৰ নাৰীক সমান অধিকাৰৰ পৰা বঞ্চিত কৰে- এনে বিষয় চুই যোৱা কিছু কাহিনী এই সংকলনত সন্নিৱিষ্ট হৈছে।

ধনবিন্দু শৰ্মাৰ গল্পবোৰে বহু প্ৰসংগিক বিষয় অসমীয়া পাঠকৰ মাজলৈ লৈ আহিছে। অসমীয়া সাহিত্য জগতত যথোচিত স্থান নোপোৱা অসমৰ প্ৰান্তীয় স্থানৰ মানুহৰ কাহিনীবোৰ তেওঁলোকৰ দৃষ্টিৰে চোৱাৰ এক সুন্দৰ প্ৰচেষ্টা বুলি ক'লেও ভুল ন'হব। পিচে কিছু কাহিনীত বহু দীঘলীয়া বিশ্লেষণে কাহিনীৰ গতিক অলপ মন্থৰ কৰি তুলিছে। চুটি গল্পত বহু ঠাইত বৰ্ণনাৰ দৰকাৰ নহয়। 'তেজে ধোৱা ছুৰেটাৰ' গল্পত অসমীয়া ভাষাৰ মাধুৰ্য ধৰি ৰখাৰ প্ৰচেষ্টাত যেন এজন দৰিদ্ৰ শ্ৰমিকৰ কন্ঠ হেৰাই গৈছে। গল্পবোৰত চৰিত্ৰৰ বাস্তৱিক ছবি প্ৰতিফলিত হোৱা খুৱেই দৰকাৰী।

এটা চুটি গল্পতে বহুকেইটা বিষয় সাঙুৰি লোৱাৰ চেষ্টাত কেতিয়াবা মূল কথাখিনি যেন তল পৰি গৈছে এনে ভাব হৈছে ‘মেৰিনা আৰু ‘উদিয়া’ গল্পটো পঢ়ি। কিছু গল্পৰ সামৰণিয়ে যেন পাঠকৰ কল্পনাক সীমিত কৰিও পেলাইছে। পৰম্পৰাগত শৈলীত লিখা কাহিনীবোৰ পঢ়ি পাঠকে নিশ্চয় ভাল পাব। পাঠকৰ মনত প্ৰাসংগিক সামাজিক-ৰাজনৈতিক বিষয়বস্তু লৈ চিন্তাৰ খোৰাক যোগাব। কিতাপখনত কিছু মুদ্ৰণজনিত ভূল থাকি গৈছে যিবোৰ পিচৰ সংস্কৰণত নিশ্চয় সংশোধন কৰা হ’ব।

**(২৩/১১/২০১৮)**

**শংখধ্বনি**
**লেখক - মুনিন্দ্ৰ শহিকীয়া**
**আলোচক - সাদিন ফিছ্যৰ্চ**
**মূল্য - ১১০.০০ টকা**

বৃত্তি হিচাপে শিক্ষকতাক গ্ৰহণ কৰা মুনিন্দ্ৰ শইকীয়াৰ ‘শংখধ্বনি’ কবিতা, আধুনিক গীত আৰু শিশু-গীত এখন সংকলন। সমাজ আৰু দেশৰ বাহিৰে মানুহে যে আন কথা ভাবিবও নোৱাৰে সেইয়া তেওঁৰ কবিতাসমূহত পূৰ্ণ ৰূপত প্ৰতিফলিত হৈছে। তত্বগধুৰ চিন্তাৰে পৰিপূৰ্ণ কবিতাসমূহত প্ৰকৃতিৰ প্ৰতি প্ৰেম, মানৱীয়তা, বৰ্তমান সমাজৰ চৌদিশে ঘটি থকা হিংসাত্মক ঘটনা, স্বাধীনতা আদিৰ পূৰ্ণ প্ৰতিফলন দেখিবলৈ পোৱা যায়। কবিতাৰ ভাষা কিছু জটিল যদিও বিষয়বস্তুৰ ভিন্নতা আৰু আকৰ্ষণীয় শৈলীয়ে সকলো স্তৰৰ পাঠকসমাজক আকৰ্ষণ কৰিব। আধুনিক গীত শিশু-গীতসমূহৰ মাজতো প্ৰকৃতিৰ অনুপম সৌন্দৰ্যৰ কথা বৰ্ণনা কৰা হৈছে। তদুপৰি মানৱ স্বভাৱ, ভক্তি-নীতি,গুৰুজনাৰ প্ৰতি থকা অকৃত্ৰিম শ্ৰদ্ধা, মানৱ অস্তিত্ব তথা সমাজত মানৱৰ স্থিতি, যান্ত্ৰিক যুগত কম্পিউটাৰ-ম’বাইলৰ মাজত হেৰাই যাবলৈ ধৰা মৰম-স্নেহ আদিও কবিতা আৰু গীতসমূহৰ মাজত ভুমুকি মাৰিছে।

**বীক্ষণঃ বতাহ সলনিৰ কথকতা**
**লেখক - প্ৰঞ্জল দলৈ**
**আলোচক - সাদিন ফিছ্যৰ্চ**
**মূল্য - ১৫০.০০ টকা**

পোন্ধৰটা গল্প ঠাহ খাই আছে। ‘গল্পক তুলনা কৰা হয় এক বন্ধ অন্ধকাৰ ঘৰৰ লগত। দুৱাৰ খোলাৰ লগে লগে এই ঘৰ আলোকিত হ’বলৈ আৰম্ভ কৰে। লাহে লাহে উন্মোচিত হয় ইয়াৰ ভিতৰত সকলো দৃশ্যপট, চৰিত্ৰ আৰু ৰহস্যৰ’- গল্পৰ বিষয়ে এই মন্তব্য আগবঢ়াইছে লেখক প্ৰাঞ্জল দলৈয়ে। দলৈৰ গল্পসমূহৰ মাজত বৈজ্ঞানিক মানসিকতাৰ প্ৰয়োজনীয়তা তথা আধুনিক চিকিৎসা ব্যৱস্থাৰ অপৰ্যাপ্ত নাটনি, ঈশ্বৰৰ অস্তিত্ব, অপ্ৰাপ্তি, মাৰ্ক্সৰ চিন্তাধাৰা, বিশ্বাসৰ অভাৱ, শিপাক পাহৰি যোৱাৰ বাসনা, সময়ৰ পৰিৱৰ্তন, মানুহৰ স্বাৰ্থপৰতা ইত্যাদি বিভিন্ন গুৰুত্বপূৰ্ণ বিষয় দেখিবলৈ পোৱা যায়। ইয়াৰ আগতেও লেখকৰ আন এখন গ্ৰন্থ ‘ৰাজপথত যেতিয়া ভূমিকম্প’ পাঠকৰ মাজত বিশেষভাৱে সমাদৃত হৈছিল। ‘বীক্ষণ’, ‘মৌলবাদ’, ‘অপ্ৰাপ্তি’, ‘আমাৰ ছায়া নাই’, ‘প্লাৱিত স্বপ্ন, প্লাৱিত বিশ্বাস’ ইত্যাদি বহু গল্পৰে সমৃদ্ধ এই গ্ৰন্থখন।

**ঈশ্বৰৰ কাষলে সমদল এটা**
**লেখক - অশোক দাস**
**আলোচক - সাদিন ফিছ্বাৰ্চ**
**মূল্য - ৮০.০০ টকা**

এই গ্ৰন্থখনত সমাজৰ সৰু সৰু শ্ৰেণীৰ মানুহৰ দুখ-দুৰ্দশাৰ কথা বৰ্ণনা কৰা হৈছে। গ্ৰন্থখনে ‘খোজ’, ‘ভগ্নস্তূপ’, ‘জন্ম-যান্ত্ৰণা’, ‘উঠনা’, ‘বুকুত বন্যাৰ ঢ’উ’, ‘মানুহ’ ইত্যাদি গল্পৰ মাজেৰে সৰু সৰু মানুহৰ জীৱন, দুখ-দুৰ্দশা, সমস্যা আদি দাঙি ধৰিবলৈ প্ৰয়াস কৰিছে। গল্পকেইটি ইতিমধ্যে ১৯৮০ চনৰ পৰা বিভিন্ন কাকত-আলোচনীত প্ৰকাশ পাই আহিছে। গল্পকেইটা মনোৰঞ্জনধৰ্মী নহ’লেও সকলোৰে মনঃপুত হোৱাকৈ লিখিছে।

**হেঁপাহৰ শব্দমালা**
**লেখিকা - অনিতা দাস**
**প্ৰকাশক - ৰেঙনি প্ৰকাশন**
**আলোচক - জগদীশ কলিতা**
**মূল্য - ২০০.০০ টকা**

প্ৰেম, সংঘাত, যন্ত্ৰণা, বিষাদেই অনুভৱৰ বাট কাটে। ক’ব নোৱাৰাকৈয়ে ওলাই আহে শব্দৰ লানি- অনুভৱী মনত লালিত-পালিত শব্দই জুনুকা পিন্ধি প্ৰকাশ কৰে মনৰ কথা। কেতিয়াবা যন্ত্ৰণাত ছটফটায় বাস্তৱৰ পংকিলময়তাক জীণ নিয়াব নোৱাৰি। শূন্য হয় মন কোনো প্ৰতাৰকৰ প্ৰতাৰণাত। অৱেশ্যে এই জটিল পৃথিৱীকো সহজ কৰি ল’ব পাৰে তেওঁ। ‘সপোন সপোন যেন বৰষুণ’ত তিতি-বুৰি মূলতঃ কবিৰ অন্তৰত জাগি উঠা প্ৰেমে ৰামধেনুৰ সাতোটা ৰং ছটিয়াই সপোনত মগ্ন হয় প্ৰেমাস্পদক পোৱাৰ আশাত। পিছে প্ৰেমৰ বাট যে সেন্দুৰীয়া নহয়, বৰঞ্চ ওখোৰা-মোখোৰাহে সেই কথাও অনুভৱ নকৰা নহয়। যাৰ বাবে কবিৰ অনুভৱী মনৰ পৰা ক’ব নোৱাৰাকৈয়ে ওলাই আহে-

‘সুখৰ আবিৰতাৰে তোমাক চাগে’
ৰং সানিব নোৱাৰিম মই
সেয়ে চাগে’ ফাগুন উকা হ’ল
পৰি ৰ’ল ৰংবোৰ।’-(প্ৰেম)

এনেবোৰ ভাবৰ সংমিশ্ৰণেৰে পূৰ্ণ হৈছে এই কাব্যগ্ৰন্থখন। তেওঁ দুই-চাৰিটা কবিতা সমসাময়িক ঘটনাপ্ৰৱাহৰ পৰা সমল লৈয়ো ৰচনা কৰিছে। কবিয়ে হৃদয়ৰ অনুভৱবোৰ শব্দেৰে গাঁঠিবলৈ যাওঁতেই অনুভৱৰ ঐক্য ৰক্ষা হোৱা নাই যেন অনুভৱ হৈছে। ‘সপোন সপোন যেন বৰষুণ’ত লহপহকৈ বাঢ়ি আহে সেউজীয়া, নতুন আশাই ভৰাই তোলে হেঁপাহৰ ঘৰ। কাব্যক্ষেত্ৰত নতুন সেয়ে এনে অসুবিধাবোৰ বা এই শিথিলতা অহাটো তেনেই স্বাভাৱিক। তেওঁ কেতিয়াবা নিজকে অসহায় অনুভৱ কৰাও দেখা যায়। যদিও মুক্ত, তাৰ মাজতে নিজকে বন্ধনৰ বন্দীত্বত বান্ধ খাই পৰা বুলিও অনুভৱ কৰে। তেওঁৰ মনত দুৰ্বাৰ হেঁপাহ, অলেখ সপোন আছে প্ৰেমাস্পদক ৰূপালী জোনাকে, বতাহেই তেওঁৰ মনৰ খবৰ দিব বুলিও বিশ্বাস কৰে। তথাপি যেন ক’ৰবাত ভয়, অজান আশংকাত দুৰু দুৰু কঁপি উঠে হৃদয়, জানোচা হেৰুৱাই প্ৰেমাস্পদক। কবিয়ে তেওঁৰ চৌদিশে ভয়ংকৰ আৰ্তনাদ শুনিবলৈ পায় দেশ ৰক্ষাৰ বাবে। কিন্তু তেওঁ এই আৰ্তনাদত কৃত্ৰিমতা দেখা পায়। আভূৱা ভৰা, মাথোঁ ভূৱা এই আৰ্তনাদ। তেওঁৰ দুখ লাগে সাত ভনীৰ পৃথকতাত।

**দৈনিক অগ্ৰদূতঃ**

**(১২/১১/২০১৮)**

**অসমৰ চুতীয়া জনগোষ্ঠীৰ ইতিহাস আৰু বিৱৰ্তন**

**লেখক - ড০ ভদ্ৰেশ্বৰ বৰা**

**আলোচক - ৰামচন্দ্ৰ চুতীয়া**

**মূল্য - ২০০.০০ টকা**

চুতীয়াসকলৰ বিষয়ে বৰ্তমান কে'বাখনো নিৰ্ভৰযোগ্য ছপাগ্ৰন্থ পাঠকসকলৰ হাতত পৰিছেহি। 'পখীসৱে উৰে পখা অনুসাৰে'ৰ ভিত্তিত গ্ৰন্থবোৰে প্ৰকাশৰ মুখ দেখিছে। আমি আগতেও কৈছো যে ই এটা জীয়া জাতিৰ লক্ষণ। দেশ- বিদেশৰ কমেও আঢ়ৈ কুৰিজন বুৰঞ্জীবিদে চুতীয়াসকলৰ বিষয়ে গৱেষণামূলক অধ্যয়ন কৰিছে। তেওঁলোকৰ ভিতৰত E.T. Delton. W.B. Brown, Colonel Honey, Wade, Edward Gait, ড০ সূৰ্য কুমাৰ ভুঞা, ৰায়বাহাদুৰ কনকলাল বৰুৱা, , ড০ বেণুধৰ শৰ্মা, লীলা গগৈ, হলিৰাম ঢেকিয়াল ফুকন, ৰাজমোহন নাথ, সূৰ্যকান্ত থনিকৰ, পৱন চন্দ্ৰ শইকীয়া, বাণীকান্ত কাকতি, কোষেশ্বৰ বৰুৱা, , ড০ ডম্বৰুধৰ নাথ, প্ৰতাপ নেওগ, নিৰ্মলপ্ৰভা বৰদলৈ, ডম্বৰুধৰ দেউৰী, সৰ্বানন্দ ৰাজকুমাৰ, গোপীনাথ বৰদলৈ, চাৰুচন্দ্ৰ দলে মিৰি, সোণৰাম পাঞ্চাং, ললিত চুতীয়া, হিতেশ্বৰ বৰবৰুৱা, কিশোৰ দেউৰী, , ড০ দিপালী বৰা আৰু , ড০ বিভা বৰাই প্ৰধান।

ড০ ভদ্ৰেশ্বৰ বৰাই চুতীয়াসকলৰ বিষয়ে নিৰ্ভৰযোগ্য গ্ৰন্থসমূহ চালিজাৰি চাই নিজেও বুৰঞ্জীৰ এজন গৱেষক হোৱা বাবে চুতীয়াসকলৰ বিষয়ে নিজস্ব দৃষ্টিভংগীৰে বিষয়টোৰ গভীৰলৈ যাবলৈ যথাসাধ্য চেষ্টা কৰিছে। ১৮৯ পৃষ্ঠাৰ গ্ৰন্থখনত চুতীয়াসকলৰ বিষয়ে ক'বলৈ যাওতে তেওঁ সাতোটা অধ্যায়ত ভাগ কৰি লৈছে। ১) চুতীয়া জাতিৰ উৎপত্তি আৰু ক্ৰমবিকাশ বা বিৱৰ্তনৰ অগ্ৰগতি ২) বিবাহ পদ্ধতি ৩) ধৰ্ম, লোকবিশ্বাস আৰু বনৌষধ বা ঔষধ প্ৰথা ৪) পৰিয়াল আৰু অৰ্থনৈতিক ব্যৱস্থা ৫) চুতীয়া সমাজত বিভিন্ন উৎসৱ ৬) ৰাজনৈতিক ব্যৱস্থা আৰু ৭) ভাষা আৰু সংস্কৃতি। এই অধ্যায়সমূহ সৰু সৰু ভাগত ভাগ কৰি গ্ৰন্থখনৰ বিষয় বস্তুৰ গভীৰত সোমাই পৰিছে। প্ৰতিটো কথা জুকিয়াই চাওতে তেওঁ প্ৰতিষ্ঠিত লেখকসকলে কোৱা কথাবোৰৰ উদ্ধৃতি অথবা প্ৰসংগেৰে আলোচিত গ্ৰন্থসমূহৰ নামবোৰ সন্নিৱিষ্ট কৰি লেখকে নিজৰ কথাৰ যুক্তি গৱেষণামূলক পদ্ধতিৰে সবল কৰাৰ মানস কৰিছে।

চুতীয়া জাতিৰ উৎপত্তি আৰু ক্ৰমবিকাশৰ কথা কওঁতে তেওঁ হাততে ঢুকি পোৱা সমলৰ উপৰি জনশ্ৰুতি-কিম্বাদন্তীৰো উল্লেখ কৰিছে। আনে চুতীয়াসকলৰ বিষয়ে যিয়ে নকওক লাগে, সেই কথালৈ অধিক গুৰুত্ব নিদি তেওঁ নিজস্ব দৃষ্টিভংগীৰে বিষয় বস্তুৰ গভীৰলৈ যাবলৈ চেষ্টা কৰিছে। কাহিনীয়ে হওক বা উপ-কাহিনীয়ে পূৰ্বৰ পৰা সমাজত চলি থকা কথাবোৰ তেওঁ ত্যাগ কৰা নাই। সুস্থ আৰু নিৰপেক্ষ আলোচনাৰ বেলা কাহিনীও যে উপেক্ষনীয় নহয়, সেই কথা আজিৰ দিনত সকলোৱে জানে। নিজকে বেছি বিজ্ঞানসন্মত গৱেষক বোলাব খোজা মানুহ কিছুমানৰ অগভীৰ লেখাক লেখক বৰাই বৰকৈ গুৰুত্ব দিয়া নাই। বুৰঞ্জী কাৰোবাৰ ইচ্ছাত গঢ়িব বা ভাঙিব নোৱাৰে। পৰিতাপৰ বিষয় আজিৰ কিছুমান মানুহৰ চুতীয়াসকলৰ বিষয়ে তেনেই কম জ্ঞান আছে, তেওঁলোকে , ড০ ভদ্ৰেশ্বৰ বৰাৰ গ্ৰন্থখন পঢ়ি উপকৃত হ'ব পাৰিব।

গ্ৰন্থখনৰ প্ৰতিটো অধ্যায়ে চুতীয়াসকলৰ বিষয়ে কওতে পৰোক্ষভাৱে লেখকে বৃহত্তৰ অসমীয়া সমাজখনৰো কথা কৈছে। শ শ বছৰৰ সামাজিক তথা ঐতিহাসিক ঘটনা-পৰিঘটনাবোৰে ঔটেঙা এটাৰ দৰে গঢ় লৈ এখন নতুন অসমীয়া সমাজ গঢ়ি তোলাৰ পাছত সকলো 'একটি তানত মিলি' গৈছে। তাতো যিখিনি নিমিলে বা নিমিলা হৈ ৰৈ গৈছে সেইবোৰ সেই গোষ্ঠী, জনগোষ্ঠীৰ নিজস্ব নিয়ম বোলাত কাৰো আপত্তি থাকিব নালাগে।

**হিয়া দিয়া তুমি প্ৰিয়া**
**লেখক - মনোজ কুমাৰ ভট্টাচাৰ্য**
**আলোচক - হেমন্ত কুমাৰ চৌধৰী**

এশ পোন্ধৰটা হাস্যৰসিক কথোপকথনৰ সংকলন। প্ৰণিধানযোগ্য যে সাহিত্যৰ স্তৰত হাস্য-ব্যংগ অন্যতম, যিয়ে বিশেষ ৰসৰ মাত্ৰা বহন কৰে। তেনে মাত্ৰাক গতি দিব পৰা লেখকৰ সংখ্যা তেনেই কম যদিও অসমীয়া সাহিত্য-সংস্কৃতিৰ ক্ষেত্ৰখনত যিকেইগৰাকী হাস্য-ব্যংগৰ লেখকে ইতিমধ্যে পৰিচিত বহন কৰিছে, সেইসকলৰ ভিতৰত মনোজ কুমাৰ ভট্টাচাৰ্যৰ স্থানো কোনো গুণেই কম নহয়। তাহানিৰে পৰা আজিলৈকে সমাজ-পৰিয়ালত চলি থকা বাস্তৱিক কৰ্ম-কথনৰ প্ৰকাশভংগীকে ভট্টাচাৰ্যই এই গ্ৰন্থখনত একোটি চুটি চুটি কথা-গল্পৰ লেখীয়াকৈ প্ৰকাশ কৰি প্ৰতিটো ব্যংগ লিখনিত সুকীয়া কৰ্ম-কথনৰ ছায়া ছবিও অংকিত কৰিছে। মূলতঃ যিবোৰ পঢ়িলে একে আষাৰে ক'ব পাৰি যে এইবোৰ দেখোন আজিৰ মানুহ, আজিৰ সমাজ, আজিৰ পৰিয়ালত দৈনন্দিনভাৱে চলিয়েই থাকে, তাকো লিখিব লাগেনে? এনে প্ৰশ্নও পঢ়ুৱৈৰ মনত উদ্ৰেক ঘটিব পাৰে। পিছে প্ৰশ্নটো সচাঁ হ'লেও ইয়াৰ গভীৰাৰ্থ আৰু মাত্ৰামূল্য নিৰূপণ কৰাতোহে কঠীন। গতিকে মনোজ কুমাৰ ভট্টাচাৰ্যই যিবোৰ কথাৰে কথোপকথন চলাই একোটা অতি চুটি গল্পৰ লেখীয়াকৈ ৰস দি যি বিশ্বাস-অবিশ্বাসৰ মাজৰ কাঁইট দূৰ কৰিব বিচাৰিছে, সেই ক্ষেত্ৰত ভট্টাচাৰ্যৰ শ্ৰম সাৰ্থক হৈছে। ইতিমধ্যে ভট্টাচাৰ্যই 'ৰগৰ কৰিবলৈ যাওঁতে' শীৰ্ষক কলমত লিখিছে- 'মানুহৰ বাবে পৃথিৱীৰ উপকৃষ্টতম মহৌষধ হৈছে হাঁহি।' কথাষাৰ অন্তৰ্নিহিত তাৎপৰ্য নথকা নহয়। আনহাতে, পুথিখনত এহাল পতি-পত্নীৰ কথোপকথনৰ জৰিয়তে যিবোৰ দৃশ্যপটক দেখুওৱা হৈছে, সেইবোৰেই অস্থিৰ, অবিশ্বাস, অন্ধতা, কুৎসা-ৰটনা, দুৰ্যোগৰ সংস্কাৰী ৰূপ সৃষ্টিত সহায় কৰে। -'শুনক, ৰঙালী বিহুত সম্পাদক বা সভাপতিৰ বাব পোৱাটো আজিকালি সচাঁকৈয়ে ভাগ্যৰ কথা। লোকৰ পিঠিৰে বিহু পাতি মজা মাৰি খোৱাৰ আনন্দ আপুনি কি বুজি পাব? আনৰ টকাৰে বিহু পাতি মাটি, গাড়ী ল'ব পৰাৰ সৌভাগ্য আমাৰ কপালত লিখা নাই।'হাস্যৰসৰ মাজতো এনেবোৰ দৃষ্টি-কথাই বিবেকী চেতনাৰ উন্মেষ ঘটায়। এনে ক্ষেত্ৰত ভট্টাচাৰ্যৰ দৃষ্টি-দৰ্শন প্ৰখৰ। পুথিখনৰ জৰিয়তে পঢ়ুৱৈ সমাজে অকল হাঁহিৰ সঁফুৰাতেই যে ব্যস্ত থাকিব তেনে নহয়। গভীৰভাৱে সংস্কৃত মন-মগজু, পৰিয়াল, সমাজ গঠনৰো দিকবাৰ্তা লাভ কৰিব।

**দৈনিক অসমঃ**

**ৰামায়ণ বাক্যামৃত**
**অনুবাদ - ড° অশোক কুমাৰ গোস্বামী**
**প্ৰকাশক - সঞ্চালক, আনন্দৰাম বৰুৱা ভাষা-কলা-সংস্কৃতি সংস্থা**
**আলোচক - ড° দীপ্তি ফুকন পাটগিৰি**

সংস্কৃত সাহিত্যৰ বৰেণ্য পণ্ডিত, ভাৰতৰ ৰাষ্ট্ৰপতিৰ সন্মান-পত্ৰ পাওঁতা, অসম সাহিত্য সভাৰ সদস্য মহীয়ানৰ গৰাকী আৰু অন্যান্য বহু সন্মান লাভ কৰিছে ড° অশোক কুমাৰ গোস্বামীয়ে। তেওঁৰ এই গ্ৰন্থখনৰ মূল সংস্কৃত বাল্মীকি ৰামায়ণৰপৰা বাছনি কৰা শ্লোকৰ অসমীয়া ভাঙনি আৰু ব্যাখ্যা আছে।

গ্ৰনথখনৰ প্ৰথম খণ্ডটোৱেই হৈছে 'বালকাণ্ড'। ইয়াত চৌবিশটা শ্লোকৰ অসমীয়া ভাঙনি পোৱা গৈছে। ভাঙনি কৰোঁতে মূল সংস্কৃতৰ সৌন্দৰ্য হানি নোহোৱাকৈ ভাঙনি কৰা হৈছে। মাজে মাজে কিছু প্ৰসংগও টানি অনা হৈছে। ইয়াৰে এটি শ্লোকৰ অনুবাদ এনেধৰণৰ- 'হে নৰোত্তম(ৰাম), কাৰ্যটো 'স্ত্ৰীবধ' বুলি ধৰি তাইৰ

(ৰাক্ষসী)ৰ প্ৰতি দয়া প্ৰদৰ্শন কৰিব নালাগে; চাৰিবৰ্ণেৰে গঠিত সমাজখনৰ ৰক্ষাৰ বাবে ৰাজপুত্ৰই (প্ৰয়োজন হ'লে স্ত্ৰীবধ) কৰিব লাগিব।' শ্লোকসমূহৰ আভিধানিক অৰ্থ যথাযথভাৱে দিয়াৰ পিছত তাৰ এটি সামগ্ৰিক বৰ্ণনাও দাঙি ধৰা হৈছে। ওপৰত উল্লেখ কৰা শ্লোকটোৰ অৰ্থ অনুযায়ী তাৰ প্ৰসংগ এনেদৰে বৰ্ণনা কৰা হৈছে- 'তেওঁলোকে তিনিও এক অৰণ্যৰ মাজেৰে গৈ থাকোঁতে, তাড়কা নামৰ ৰাক্ষসীৰ মুখামুখি হ'ল। তাইৰ স্থানত প্ৰৱেশ কৰাৰ বাবে, মানৱ প্ৰানীকেইটাক বধ কৰিবৰ মনেৰে ৰাক্ষসী উগ্ৰ ৰূপত আগবাঢ়ি আহিল। বিশ্বামিত্ৰই ৰামক ৰাক্ষসীক বধ কৰিবৰ বাবে পৰমৰ্শ দিলে, ৰামে কিন্তু শৰ নিক্ষেপ কৰিবলৈ দ্বিধাবোধ কৰিলে, যিহেতু শাস্ত্ৰই স্ত্ৰী বধ নিষেধ কৰিছে। সেই মুহূৰ্তত মহৰ্ষি বিশ্বামিত্ৰই এনেদৰে কৈছিল।'

অযোধ্যাকাণ্ডৰ মূল বক্তব্যখিনিতো শ্লোকসমূহৰ যথাযথ অনুবাদ কৰি প্ৰসংগ ব্যাখ্যা কৰা হৈছে। এই বৰ্ণনাত শব্দ প্ৰয়োগ আৰু বাক্য গঠনৰ ক্ষেত্ৰত যথেষ্ট সাৱধানতা লক্ষ্য কৰা যায়। ৰামৰ বনবাস যাত্ৰাৰ বৰ্ণনা অতি সুন্দৰভাৱে অনুবাদ কৰা হৈছে। প্ৰসংগত কোৱা হৈছে- 'ভৰতক ৰামে নিজৰ দৃঢ় সিদ্ধান্ত জনাই এনেদৰে কৈছে। চন্দ্ৰমাই জ্যোৎস্না ত্যাগ কৰা এই তিনিটা অসম্ভৱ কাৰ্য, ৰামে বুজাব খুজিছে, তেওঁৰ সিদ্ধান্তই বুজাইছে তাতোকৈও এক অসম্ভৱ কাৰ্য।' তেওঁ পিতৃসত্য অক্ষুণ্ণ ৰাখিবৰ কাৰণে অযোধ্যালৈ ঘূৰি নাযায় আৰু ৰাজসিংহাসন গ্ৰহণ নকৰেগৈ। গতিকে ভৰতে পিতৃৰ ইচ্ছা অনুসৰি অযোধ্যাৰ শাসনভাৰ ল'ব লাগে।'

ৰামায়ণৰ অৰণ্য কাণ্ডৰ বিশেষ বৈশিষ্ট্য আছে। ৰামে ঋষি-মুনিসকলক ৰক্ষা কৰিবলৈ যোৱা, জটায়ুৰ লগত সাক্ষাৎ, ৰাৱণৰদ্বাৰা সীতা হৰণ আদি কথা বিভিন্ন শ্লোকেৰে বৰ্ণনা কৰা হৈছে। শ্লোকবোৰত ঠায়ে ঠায়ে নীতিশিক্ষামূলক কথাও পোৱা গৈছে। কিষ্কিন্ধা কাণ্ডৰ বৰ্ণনা ৰীতিও অতি মনোৰম। সুগ্ৰীৱ, বালী, জাম্বৱন্ত আদিৰ লগত সাক্ষাৎ এই কাণ্ডৰ মূল বক্তব্য। সুন্দৰাকাণ্ডত কেইটামান অতি তাৎপৰ্যপূৰ্ণ বিষয় বিভিন্ন শ্লোকৰপৰা ভাঙনি কৰা হৈছে। শ্লোকবোৰৰ অসমীয়া ভাঙনি অতি সুন্দৰ হৈছে। এটা শ্লোকৰ ভাঙনি এনেধৰণৰ- 'হে বিশিষ্ট বানৰসকল, সীতা হ'ল এগৰাকী মহৎ নাৰী, যি সকলো মহৎ গুণৰ অধিকাৰী। তেওঁৰ লগত তুলনা কৰিব পৰা চৰিত্ৰৰ এগৰাকী নাৰীয়ে তেওঁৰ কঠোৰ তপস্যাৰে তিনিওলোক ৰক্ষা কৰিব পাৰিব, আনকি তেওঁ সেই সকলো পুৰি পেলাব পাৰিব। (ত্ৰিলোক ৰক্ষা আৰু ধ্বংসৰ কাৰণে সীতা সমৰ্থ)।'

সুন্দৰাকাণ্ডৰ পিছতে যুদ্ধকাণ্ড আৰু উত্তৰাকাণ্ডৰ অনুবাদ পোৱা গৈছে। যুদ্ধকাণ্ডত যুদ্ধৰ বিভিন্ন বৰ্ণনা সুন্দৰভাৱে অনুবাদ কৰা হৈছে। অনুবাদৰ মন কৰিবলগীয়া এটি বিষয় হৈছে শ্লোকসমূহৰ অসমীয়া ভাষালৈ অনুবাদৰ লগে লগে পৰিৱেশ-পৰিস্থিতি আৰু বিষয়বস্তুৰ অপূৰ্ব বৰ্ণনা। সীতাৰ অগ্নিপৰীক্ষাৰ ক্ষেত্ৰত উল্লেখ কৰা শ্লোকটোৰ পৰৱৰ্তী অংশত বৰ্ণনা আছে এনেদৰে- 'সীতা জুইৰ মাজৰপৰা কোনো ক্ষতি নোহোৱাকৈ ওলাই আহিল, এহি কাৰ্যই তেওঁৰ সতীত্বৰ প্ৰমাণ দিলে। ৰামৰ প্ৰতি একান্ত অনুৰক্তি প্ৰমাণিত হ'ল। অগ্নি দেৱতাই নিজৰ বাহুত তুলি অগ্নিশিখাৰ মাজৰপৰা সীতাক উলিয়াই আনিলে। ৰামক সীতাই গতাই দি এই উক্তি কৰিলে। প্ৰশ্ন উঠিব পাৰে, ভগৱান বিষ্ণুৰ আদেশত চলা অগ্নিদেৱতাই বিষ্ণুৰ অৱতাৰ ৰামক আদেশ দিব পাৰে। যেতিয়ালৈকে ৰাম মানৱ দেহত থাকে, বিষ্ণুৰ অৱতাৰ হোৱা সত্তেও তেওঁৰ কিছুদিন সীমাবদ্ধতা থাকে, তেতিয়া অগ্নিদেৱে যিকোনো এজনক দিয়া দি আদেশ দিয়াৰ অধিকাৰ অগ্নিদেৱৰ থাকিব।'

এই গ্ৰন্থখনৰ অনুবাদক ড০ অশোক কুমাৰ গোস্বামীৰ সংস্কৃত আৰু অসমীয়া দুয়োটা ভাষাতে থকা ভাষাজ্ঞানৰ পৰিচয় সুন্দৰভাৱে প্ৰতিফলিত হৈছে। ৰামায়ণৰ কথাবস্তু সৰ্বজনবিদিত কিন্তু সংস্কৃত শ্লোক অনুযায়ী যথাযথভাৱে অসমীয়া ভাষালৈ গ্ৰন্থখন অনুবাদ কৰি অনুবাদকে এটি বিশেষ মহৎ কাৰ্য সম্পন্ন কৰিছে।

**চিন্তা চিত্ৰ**
**লেখিকা - ভানু ডেকা**
**প্ৰকাশক - পাঞ্জাবাৰী শাখা সাহিত্য সভা**
**আলোচক - মিলেশ্বৰ পাতৰ**

এই প্ৰৱন্ধ সংকলনখন জাতীয় সংস্কৃতি আৰু ঐতিহ্যৰ বৰপেৰাৰপৰা কেইবিধমান সম্পদক উলিয়াই আনি এখন চিত্ৰ আঁকিবলৈ যত্ন কৰিছে। বাস্তৱ জীৱনৰ অভিজ্ঞতাকো ৰচনাৰ সমল হিচাপে ব্যৱহাৰ নকৰাকৈ থকা নাই। গ্ৰন্থখনৰ প্ৰথম অধ্যায়ত 'বিলুপ্তিৰ পথত কৃষ্টিৰ সঁজুলি ঢেঁকী', 'মাছ মৰাৰ আনন্দ স্মৃতিৰ আলিবাটত', 'অসমীয়াৰ কৃষ্টিৰ গৌৰৱ তাঁতশাল', 'ভোগালীৰ ৰেহ-ৰূপ', 'অসমীয়া সংস্কৃতি আৰু নাৰী', 'আমি অসমীয়া'- এই আটাইকেইখন ৰচনাতে জাতীয় সংস্কৃতি আৰু ঐতিহ্য চেতনা প্ৰতিফলিত হৈছে। কৃষ্টি-সংস্কৃতিৰ পৰিচয়েৰে একোটা জাতিৰ সমৃদ্ধ সংস্কৃতিক চেতনাক জাগ্ৰত কৰিবলৈ চেষ্টা কৰা হৈছে। অৱশ্যে আলোচ্য বিষয়বস্তুবোৰ অধিক সমলযুক্ত কৰাৰ থল আছিল। ৰচনাৰ মূল উপাদানবোৰৰ সাংস্কৃতিক প্ৰমূল্য ব্যাপক হ'লেও সীমাবদ্ধ ৰচনাৰ মাজতে ইয়াৰ যথাযথ পৰিচয় দাঙি ধৰিবলৈ চেষ্টা কৰিছে। গ্ৰন্থখনৰ আন এটা অধ্যায়ত 'গুৰুজনাৰ ৰচনাৰ থূল-মূল আভাস', 'গুৰুজনাৰ ৰাসলীলা', 'শ্ৰীমন্ত শংকৰদেৱৰ অংকীয়া নাটৰ ভিন্ন ৰূপত চিত্ৰিত নাৰী চৰিত্ৰ', 'বহুমুখী প্ৰতিভাৰ আঁকৰ ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ', 'বহুধা প্ৰতিভাৰে পৰিপূৰ্ণ শিল্পীজন(ৰাভা)', 'জ্যোতিপ্ৰসাদৰ কালজয়ী সৃষ্টি শোণিত কুঁৱৰী', 'ভূপেন হাজৰিকাঃ বিশ্ববৰেণ্য শিল্পীজন', 'দীপালি বাইদেউৰ এপাহি সুগন্ধি ফুল'- এই লেখাসমূহ সন্নিৱিষ্ট কৰা হৈছে। আটাইকেইখন ৰচনাতে বৰেণ্য প্ৰতিভাৰ সু-উচ্চ আদৰ্শক তুলি ধৰি সমাজ চেতনাক উজ্জীৱিত কৰিবলৈ প্ৰয়াস কৰা হৈছে। ব্যাখ্যাসমূহ সংক্ষিপ্ত ৰূপত দাঙি ধৰা হৈছে ৭৯ পৃষ্ঠাৰ এই প্ৰৱন্ধ সংকলনখনত।

**বাঁহনিবাৰীৰ গোন্ধ**
**লেখিকা - ভানু ডেকা**
**প্ৰকাশক - নতুন অসম প্ৰকাশন**
**আলোচক - মিলেশ্বৰ পাতৰ**

ভানু ডেকাৰদ্বাৰা ৰচিত ১৩ টা গল্পৰ সংকলন। এই সংকলনটিত আদিপাঠ, বাঁহনিবাৰীৰ গোন্ধ, কালিৰ পিঠিত আজি, আৱৰণ, মাহ-হালধিৰে নোৱালে-ধুৱালে, বিহুৱান, আই মোৰ মাহী আই, বংশধৰ, ফুল তৰাৰ গল্পসমূহ সন্নিৱিষ্ট হৈছে। লেখিকাৰ কথাৰে ক'ব পাৰি- গাঁৱৰ জীৱন যাত্ৰা, নিৰ্ভেজাল মৰম-চেনেহ, প্ৰকৃতিৰ মনোমোহা দৃশ্য, নানা ফুলৰ সুৱাস- এইবোৰৰ উপস্থাপনে গল্পৰ কাহিনীক উপজীৱ্য কৰি তুলিছে। গল্প সাহিত্যৰ আংগিক বৈশিষ্ট্য বা আলংকাৰিক উপাদানৰ অনুপস্থিতি মাজে মাজে অনুভূত হ'লেও প্ৰকাশ ভংগীৰ সৰলতা আৰু উপস্থাপন শৈলী উজ্জ্বল ৰূপত ধৰা নিদিয়াকৈ নাথাকে।

**শিলৰ দলিচাত প্ৰিয়াৰ বিননি**
**লেখিকা - ভানু ডেকা**
**প্ৰকাশক - পাঞ্চাবাৰী শাখা সাহিত্য সভা**
**আলোচক - মিলেশ্বৰ পাতৰ**

৪০ টা কবিতাৰ সংকলন। কবিতা হ'ল কবি মনৰ সুকোমল আৰু সূক্ষ্ম অনুভূতিৰ বহিঃপ্ৰকাশ। তাত ছন্দ, অলংকাৰ, প্ৰতীক, চিত্ৰকল্প– এইবোৰৰ অৱস্থিতিৰ তাৰতম্য থাকিলেও কবিতা জীৱনৰ ভাষ্য হৈ উঠে। বাহুকবনীয়া শব্দৰ সুষম বিন্যাস নোহোৱাকৈও কবিতাৰ সৃষ্টি হ'ব পাৰে। প্ৰতিভা আৰু সৌন্দৰ্যৰ বিচাৰ পাঠকৰ হাতত। মান নিৰূপণ কৰি কবিয়ে কবিতা নিলিখে। কবিৰ উদ্দেশ্য হৈছে শব্দৰ মাধ্যমেদি অনুভৱৰ ছবিখন ৰং তুলিকাৰে অংকন কৰা। ভানু ডেকাই এনেদৰেই কবিতাবোৰ সজাবলৈ চেষ্টা কৰিছে। চিত্ৰকল্পত ৰং-তুলিকা বুলাওঁতে দুই-এটোপাল ছিটিকনিয়ে সৌন্দৰ্যৰ অনুভূতিক আঘাত নকৰাকৈ থকা নাই। কিন্তু কবিৰ সৰল প্ৰকাশভংগীয়ে তাৰ সৌন্দৰ্যক ম্লান কৰা নাই। তেনে প্ৰকাশত আছে। জীৱনৰ স্বপ্ন। বাজি উঠিছে সমাজমুখী সুৰ, ঐতিহ্য চেতনা। এনেদৰেই কবিতাবোৰৰ মাজত পাঠকে বিচাৰি পাব অন্তৰ্মুখী চেতনা।

**মন পলাশৰ বেদনা**
**লেখিকা - ভানু ডেকা**
**আলোচক - মিলেশ্বৰ পাতৰ**

প্ৰতিশ্ৰুতিসম্পন্ন এগৰাকী লেখিকা হিচাপে ভানু ডেকাই প্ৰৱন্ধ, কবিতা, গল্প– এই আটাইবোৰতে হাত দি প্ৰতিভাৰ পৰিচয় দিবলৈ সক্ষম হৈছে। ২২ টা গল্পৰ এটা সংকলন এই কিতাপখন। গল্পবোৰৰ মাজত সমাজ জীৱনৰ ডুখৰীয়া ছবিবোৰ অংকন কৰিছে। বিশেষকৈ চহা গ্ৰাম্য জীৱনৰ ছবিখন অধিক উজ্জ্বল হৈ উঠিছে। প্ৰেম, বিৰহ-বেদনা, জীৱনৰ সংগ্ৰাম, মানৱতা– এইবোৰ সমলেৰে গল্পবোৰৰ কাহিনীক উপজীব্য কৰিছে। কাহিনীৰ গতিপথত সামাজিক লোকাচাৰ-পৰম্পৰাবোৰেও ভুমুকি মাৰিছে। আধুনিক জীৱনশৈলী, অভিজাত্যৰ চানেকিৰ বিপৰীতে গাঁৱৰ সহজ-সৰল চিত্ৰখনে পাঠকক আকৰ্ষণ নকৰাকৈ নাথাকে। জীৱন-যৌৱনৰ ভাব-অনুভূতিয়েও কাহিনীৰ গতিক মাত্ৰা দিছে। অৱশ্যে গল্প সাহিত্যৰ আংগিক কৌশল প্ৰয়োগত অধিক মনযোগ দিয়াৰ থল আছিল।

**(০৯/১১/২০১৮)**

**অসমীয়া বৰ্ণমালাৰ ৰহঘৰা**
**লেখক - প্ৰহ্লাদ চন্দ্ৰ তাছা**
**প্ৰকাশক - আদৰণি সমিতি, অসম সাহিত্য সভা চতুঃসপ্ততিতম বুঢ়ীদিহিং-বৰডুমুচা অধিৱেশন**
**আলোচক - গন্ধেশ্বৰ শইকীয়া**

গ্ৰন্থখনিৰ নামটোৱেই প্ৰতিপন্ন কৰিছে ইয়াৰ অন্তৰালত নিহিত লক্ষ্য আৰু উদ্দেশ্যৰ কথা। ভাষা-সাহিত্য বিষয়ক চৰ্চা আৰু ইয়াৰ অন্তৰ্নিহিত দিশবোৰ আয়ত্ত কৰাৰ যে প্ৰাথমিক সমল 'বৰ্ণমালা' এই কথা

সৰ্বজনবিদিত। বিশ্বৰ সকলো ভাষা সাহিত্যৰ ক্ষেত্ৰত এই কথা সমানেই প্ৰযোজ্য বুলি ক'ব লাগিব। শিশুৰ শৈক্ষিক জীৱনৰো আদিপাঠ আৰম্ভ হয় বৰ্ণমালা শিকনৰ মাধ্যমেদিয়েই। অসমীয়া ভাষাত দুই প্ৰকাৰৰ বৰ্ণ আছে। সেয়া হ'ল– 'স্বৰবৰ্ণ' আৰু 'ব্যঞ্জনবৰ্ণ'। 'অ' বৰ্ণৰে স্বৰবৰ্ণ আৰম্ভ হোৱাৰ হেতু ইয়াক 'অ'–ফলা' আৰু 'ক' বৰ্ণৰে ব্যঞ্জনবৰ্ণ আৰম্ভ হোৱাৰ হেতু ইয়াক 'ক–ফলা' বুলিও কোৱা হয়। অসমীয়া ভাষা আয়ত্ত কৰিবৰ বাবে এই দুয়োবিধ বৰ্ণৰে উচ্চাৰণ, গঠন, সংযুক্তকৰণ, প্ৰয়োগ আদি দিশৰ কথাবোৰ সম্যকভাৱে শিকাটো নিতান্তই প্ৰয়োজন হয়। প্ৰাৰম্ভিক অৱস্থাতে কিবা কাৰণত এইক্ষেত্ৰত বিজুতি বা বিভ্ৰাট ঘটিলে শৈক্ষিক জীৱনত ইয়াৰ প্ৰভাৱ সুদূৰপ্ৰসাৰী হয়। এনে দিশবোৰত প্ৰাধান্য দিয়ে লেখকে উল্লিখিত গ্ৰন্থখনি নিৰহ–নিপানীকৈ যুগুতাই উলিয়াইছে।

তাছাই জীৱন পৰিক্ৰমাৰ প্ৰৱাহিত গতিৰে ধাৱিত হৈ সময়ত এগৰাকী সফল শিক্ষা বিষয়া হিচাপে আনুষ্ঠানিক কৰ্মজীৱনৰ পৰিসমাপ্তি ঘটাইছিল তেওঁৰ আনুষ্ঠানিক কৰ্মজীৱনৰ শুভাৰম্ভ ঘটিছিল এগৰাকী শিক্ষক হিচাপেহে। সেয়েহে মূলতঃ শিক্ষক হিচাপে নিজকে পৰিচয় দি ভালপোৱা লেখকগৰাকীয়ে প্ৰণালীবদ্ধ আৰু আদৰ্শনীয় তথা ফলপ্ৰসূ শিক্ষাদান সম্পৰ্কীয় দিশবোৰ সূক্ষ্মাতিসূক্ষ্মভাৱে হৃদয়ংগম কৰিব পাৰে আৰু ইয়াৰ সম্যক প্ৰতিফলন ঘটাইছে গ্ৰন্থখনিত অসমীয়া ভাষাৰ দুয়োবিধ বৰ্ণ অৰ্থাৎ 'স্বৰবৰ্ণ' আৰু 'ব্যঞ্জনবৰ্ণ– এই দুয়োবিধকে সামৰি নলৈ কেৱল 'অসমীয়া বৰ্ণমালাৰ ৰহঘৰা' হিচাপে 'স্বৰবৰ্ণ' বা 'অ–ফলাৰ বিষয়েহে বিশেষ ৰূপত আলচ কৰাৰ প্ৰয়াস কৰিছে। পুথিখনিৰ 'বাটচ'ৰা'ত লেখকে ব্যক্ত কৰিছে এনেদৰে– 'এই পুথিখনিত 'অ ফলাৰ বিষয়ে কিছু কথা আলোচনা শিশু আৰু চেমনীয়াসকলৰ বাবে অধিক মনোগ্ৰহী তথা আনন্দদায়ক কৰি তুলিবলৈ প্ৰয়াস কৰা হৈছে। এইক্ষাত্ৰত অসমীয়া গীত–মাত; ফঁকৰা– যোজনা; সাঁথৰ আদিৰ সহায় লোৱা হৈছে। শিশু আৰু চেমনীয়াসকলে সহজে বুজিব পৰাকৈ বিষয়বোৰ সৰলভাৱে আলোচনা কৰিবলৈ যত্ন কৰা হৈছে।'

অসমীয়া বৰ্ণমালাৰ ৰহঘৰা হিচাপে আখ্যা দিয়া গ্ৰন্থখনিত কেৱল 'অ–ফলা'ৰ বিষয়েহে আলোচনা কৰাৰ বাবে বিশেষভাৱে এইখনক 'প্ৰথম খণ্ড' বুলি কোৱা হৈছে আৰু ইয়াত 'অ'ৰপৰা 'ঔ'লৈকে এই এঘাৰটা বৰ্ণক সামৰি লোৱা হৈছে। গ্ৰন্থখনিৰ 'বিষয়সূচী'খনো অভিনৱ আৰু আকৰ্ষণীয় হৈছে বুলিও বিশেষভাৱে ক'ব লাগিব। সেইখন হ'ল এনেধৰণৰ– 'অ' মোৰ সুৰীয়া মাত'; আমাৰ মইনা শুব এ'; ইমান তৰা আকাশে আকাশে;' 'ঈশ্বৰ আল্লা তেৰে নাম'; 'উকুলি মুকলি দুকুলি কাহিঁ'; 'ঊষা জিৰণীয়া পাই লগৰীয়া'; 'ঋতু আহে ঋতু যায়'; 'এঁকে দুকৈ কাকৈ ফণি'; 'ঐৰাৱতৰ পিঠিত উঠি কাজিৰঙা চাম'; 'ওলায়েই দেখিলোঁ যুৰীয়া শালিকী'; 'ঔ বিচাৰোঁতে পালোঁ মৌ'– এই এঘাৰটা শীৰ্ষৰে সমৃদ্ধ হৈছে বিষয়সূচীখন।

লেখকে 'স্বৰবৰ্ণ'ৰ প্ৰতিটো বৰ্ণ বা আখৰৰ বিশেষত্ব সম্পৰ্কে, সেইবোৰৰ উচ্চাৰণ, আন বৰ্ণ অৰ্থাৎ ব্যঞ্জনবৰ্ণৰ লগত সংযোগ হ'লে তাৰ ৰূপ আৰু ব্যৱহাৰ সম্পৰ্কে সম্যকভাৱে উল্লেখ কৰিছে। ইয়াকে কৰিবলৈ যাওঁতে তেওঁ জনপ্ৰিয় গীত–মাত; ফঁকৰা– যোজনা; প্ৰবাদ–প্ৰবচন আদিৰ সহায়ত মনোগ্ৰাহীকৈ উল্লেখ কৰাত সেইবোৰ সকলোৰে বাবে বোধগম্য হৈছে বুলি ভাবিছোঁ। তদুপৰি অভিধানত থকা প্ৰতিটো বৰ্ণৰে অৰ্থসহ কিছু শব্দ সংযোগ কৰি গ্ৰন্থখনিত সুকীয়া মাত্ৰা প্ৰদান কৰাৰ প্ৰয়াস কৰিছে। এনে কৰাৰ ফলত বিশেষকৈ ছাত্ৰ–ছাত্ৰীসকলক অভিধান চোৱাৰ প্ৰতি যে আগ্ৰহী কৰি তুলিব ইয়াত সন্দেহ নাই।

**চিন্তা বিবিধা**
**লেখক - ড° দিনমণি কলিতা**
**প্ৰকাশক - শব্দশিল্প প্ৰকাশন**
**আলোচক - জয়কান্ত শৰ্মা**

শুধৰচনা লেখা পশ্চিমীয়া সাহিত্যৰ এটা প্ৰধান অংগ আৰু একো একোজন লেখকে তেনে লেখাৰ জৰিয়তেই বিশ্ববিখ্যাত হ’ব পাৰিছে। বেকন আদি বৃটিছ লেখকৰ কথাই এইক্ষেত্ৰত পোনতে মনলৈ আহে। অসমীয়া সাহিত্যৰ এই শাখাটোৰ বাটকটীয়া সত্যনাথ বৰাৰ লেখা আজিও পৰম শ্ৰদ্ধাৰে পৰিগণিত হৈ আছে। পৰৱৰ্তী কালত বাণীকান্ত কাকতি, হেম বৰুৱা, বিৰিঞ্চি কুমাৰ বৰুৱা, প্ৰফুল্ল দত্ত গোস্বামী আদিয়েও এই দিশত প্ৰভূত অৱদান দি গৈছে।

‘চিন্তা বিবিধা’তো পৰিপাটি আৰু বিশ্লেষণধৰ্মী ৰচনাৰ ভালেমান গুণ পৰিলক্ষিত হয়। ইংৰাজী সাহিত্যৰ একনিষ্ঠ ছাত্ৰ, বহু বছৰ ধৰি কলেজত ইংৰাজীৰ অধ্যাপনা কৰা আৰু বৰ্তমান দক্ষিণ কামৰূপৰ ৰামপুৰ আঞ্চলিক কলেজৰ অধ্যক্ষ ড° কলিতাৰ ৰচনাসমূহ ভিন্ন ভিন্ন বিষয়ৰ যদিও সেইবোৰৰ মৰ্ম সৰ্বসাধাৰণ লোকৰ বাবেও অপৰিহাৰ্য। ৰাজনীতিকৰ উল্লেখ থকা ৰচনাকেইখন, যেনে- ‘নেতা আৰু জননেতা’, ‘ব্যক্তিত্ব আৰু ৰাজনীতিক’, ‘নীতি আৰু ৰাজনীতিক’, ‘ৰাজনীতিৰ ব্যক্তিত্ব আৰু দৰ্শন’ আদি এহাতে যেনেদৰে অধ্যয়নপুষ্ট, তেনেদৰে কাঢ়া সমালোচনাত্মকো, যদিওবা এইবোৰ বিষয়ো কম-বেছি পৰিমাণে একেইঃ এজন ব্যক্তিৰ সমষ্টিগত আৰু চৰিত্ৰ আন মানুহৰ ওপৰত প্ৰতিফলিত হয় আৰু থোৰতে, শাসকৰ ব্যক্তিত্ব আৰু চৰিত্ৰই প্ৰজাৰ ব্যক্তিত্বত বহুলাংশে প্ৰভাৱ বিস্তাৰ কৰে। আন কেইখনমান ৰচনা, যেনে- ‘জ্ঞান, কৰ্তব্যবোধ আৰু সুখ’, ‘আমি অসুখী হওঁ কিয়?’, ‘দুখনো আহে ক’ৰ পৰা’, ‘অধ্যয়ন আৰু সুখ’, ‘জীৱনকলা’, ‘জীৱনচৰ্চা’, ‘সংস্কৃতিৱান কোন?’, ‘পৰিয়াল আৰু সমাজ’, ‘যুৱ উচ্ছৃংখলা আৰু প্ৰতিকাৰ’ আদি সৰ্বসাধাৰণ লোকৰ অনুভৱী জীৱনৰ একো একো টুকুৰা বিশেষ। এনেবোৰ ৰচনাৰে সত্যনাথ বৰাই অষমীয়া ভাষা চহকী কৰিছিল। দুখ আৰু সুখৰ আলোচনা কৰোঁতে লেখক ড° কলিতাই লিখিছে যে আধ্যাত্মিকভাৱে জ্ঞানী বা আধ্যাত্মিকতাৰ প্ৰতি আগ্ৰহী লোকেও সুখ বিচাৰি পোৱাত পলম নহয়। লেখকে স্বামী বিবেকানন্দৰ উপদেশ বাণীও উল্লেখ কৰিছে- যি কৈছিল যে ‘একোতে স্পৃহা নৰখাটোৱেই স্বাধীনতা আৰু এই স্বাধীনতাই সুখ।’ পুথিখনৰ ‘অধ্যয়ন আৰু সুখ’ শীৰ্ষক নিবন্ধটো বেছি দীঘলীয়া আৰু অধ্যয়নপুষ্ট এখন ৰচনা। তাত লিখিছে যে জ্ঞানৰ সীমাবদ্ধতা আছে, ইপিনে মূৰ্খতা অসীম। তাত আৰু লিখিছে জ্ঞানীজনেহে শ্ৰেষ্ঠ হয় আৰু জ্ঞান শ্ৰেষ্ঠজনেই সুখী। তেওঁ ক’বৰ দৰে সঁচা কথা যে পুথি অধ্যয়নেই জ্ঞান আহৰণৰ একমাত্ৰ আহিলা নহ’লেও জ্ঞানৰ দিশত বিচৰণ কৰা ই এক উত্তম ব্যৱস্থা। বৰেণ্য লেখক সত্যনাথ বৰায়ো বহুদিন আগেয়ে লিখি গৈছিল, ‘চঞ্চল মন থিৰ কৰিবলৈ আৰু ভোটা বুদ্ধি চোকা কৰিবলৈ পঢ়াৰ নিচিনা গুণকাৰী উপায় নাই।’ এইটোও সত্য যে একাণপটীয়াকৈ অধ্যয়ন কৰিলে জ্ঞানতো বাঢ়েই, চঞ্চলতাও হ্ৰাস পায় আৰু সেই ব্যক্তিজন কৃতকাৰ্যতাৰ জখলাত উঠে। ‘জীৱন কলা’ ৰচনাখনত উন্নত জীৱন ভোগ কৰাৰ উদ্দেশ্যে লেখকে আগবঢ়োৱা চৈধ্যটা কৌশল সকলোৰে বাবে লাভদায়ক হ’বৰ যোগ্য। ‘জীৱন চৰ্যা’ শীৰ্ষক ৰচনাখনো কম-বেছি পৰিমাণে ইয়াৰ অনুৰূপ। ইংৰাজী সাহিত্যৰ ছাত্ৰ ড° কলিতাই যুগুত কৰা ‘প্ৰেম, সাহিত্য আৰু মানৱীয় মূল্যবোধ’, ‘আমাক গ্ৰন্থ লাগে কিয়’, ‘শ্বেইক্সপীয়েৰৰ ছনেটঃ এক মনস্তাত্বিক বিশ্লেষণ’, ‘শ্বেইক্সপীয়েৰৰ ‘মূৰ্খ’ আৰু ‘বহুৱা’ৰ সাৰ্বজনীনতা’, আমেৰিকান থিয়েটাৰ আৰু নাটক’, ইংৰাজী ভাষা আৰু অনুবাদ’, ‘অতুল্য বীৰাংগনা জোৱান অব আৰ্ক আৰু ৰাণী লক্ষ্মীবাঈ’ আদি ৰচনাত তেওঁৰ অধ্যয়নপুষ্ট বিশ্লেষণ স্পষ্টকৈ প্ৰতিফলিত হৈছে। এইকেইটা নিবন্ধৰ শৈক্ষিক গুৰুত্বও বহুখিনি। বিশেষকৈ ইংৰাজী সাহিত্যৰ ছাত্ৰ-ছাত্ৰী শ্বেইক্সপীয়েৰ সম্পৰ্কীয় নিবন্ধকেইটাৰপৰা বহু পৰিমাণে উপকৃত হ’ব। অনুবাদ বিষয়ক নিবন্ধটোৱে নতুন অনুবাদক আৰু নতুন সাংবাদিকসকলক বাট দেখুওৱাত সহায় কৰিব। আমাৰ ইয়াত আমেৰিকীয় থিয়েটাৰ আৰু নাটকৰ আলোচনাও আশানুৰূপ হোৱা নাই। ড° কলিতাৰ নিবন্ধটোৱে সেই অভাৱ বহুখিনি দুৰ কৰিছে।

পুথিখনৰ শেহৰ ফালে সন্নিৱিষ্ট 'ড° ভূপেন হাজৰিকাৰ সৃষ্টি আৰু কিছু বিদেশী চিন্তা' শীৰ্ষক দীঘলীয়া নিবন্ধটো লেখকৰ গৱেষণাৰ ফল। বিশেষকৈ হাজৰিকাৰ বহুমাত্রিক গীতবোৰৰ বিষয়ে বিভিন্ন দৃষ্টিকোণৰপৰা আলোচনা কৰিছে। তেওঁ লিখিছে যে ড° হাজৰিকাৰ গীতত স্বদেশ প্ৰেমৰ ধাৰণা আৰু গ্ৰাম্য গীতসমূহত পাশ্চাত্যৰ 'Patriotic note' আৰু 'Pastoralism' সদ্য বিদ্যমান। লেখকে ইয়াকো উল্লেখ কৰিছে যে ড° হাজৰিকাৰ সৃষ্টিত স্বদেশ প্ৰেমৰ ধাৰণাই অসমৰ পৰিসীমা অতিক্ৰম কৰি সমগ্ৰ ভাৰত ভূমিকে আঁকোৱালি লৈছে।

**মাৰ্টিন লুথাৰ কিং**
**অনুবাদ - অৱন্তিকা পৰাশৰ**
**প্ৰকাশক - আলিবাট, গুৱাহাটী**
**আলোচক - অতুল মজুমদাৰ**

মহাত্মা গান্ধীৰ আদৰ্শৰে দীক্ষিত মাৰ্টিন লুথাৰ কিং (কনিষ্ঠ)ৰ আত্মজীৱনীৰ সাৰানুবাদ। এই গ্ৰন্থখনত মুঠ ৩০ টা অধ্যায় আৰু অন্তিম দহ পৃষ্ঠাত মাৰ্টিন লুথাৰ কিঙৰ জীৱনপঞ্জী দিয়া হৈছে। 'সপোন সপোন হৈয়ে ৰ'ল' শীৰ্ষক ৩০ সংখ্যক অধ্যায়টো অনুবাদিকাৰ নিজা সংযোজনা। বৰ্ণ বৈষম্যৰ বিৰুদ্ধে জেহাদ কৰা নেতাগৰাকীয়ে অততায়ীৰ গুলীত ১৯৬৮ চনৰ ৪ এপ্ৰিলত মৃত্যু বৰণ কৰিবলগীয়া হোৱা ঘটনাৰ অন্তিম ক্ষণ আৰু তাৰ প্ৰস্তাৱনা এই চমু অধ্যায়টোত হৃদয় বিদাৰক ৰূপত উপস্থাপন কৰিছে। অনুবাদিকাই লিখিছে- 'কৃষ্ণাংগ আৰু শ্বেতাংগ উভয়কে ভাতৃত্বৰ এনাজৰীৰে বন্ধাৰ তেওঁৰ সপোনটো আধৰুৱা হৈ ৰ'ল।' অনুবাদিকাই নেতাগৰাকীৰ এটি ভাষণৰ উদ্ধৃতি দিছে- 'মোৰ ভাল লাগিব- কোনোবাই যদি কয়-মাৰ্টিন লুথাৰে জ্ঞানৰ সেৱাত নিজৰ প্ৰাণ উছৰ্গা কৰে। মই ভাল পাম যদিহে কোনোবাই কয়- মাৰ্টিন লুথাৰে মানুহক ভাল পাবলৈ চেষ্টা কৰিছিল। মই ভাল পাম যদিহে কোনোবাই কয়- মাৰ্টিন কিং জুনিয়ৰে ভোকাতুৰৰ ভোক নিবাৰণ কৰিবলৈ চেষ্টা কৰিছিল। মই আশা কৰোঁ, মানুহে মোক সেইজন ব্যক্তি হিচাপে মনত ৰাখিব, যিয়ে মানৱ জাতিক ভাল পাবলৈ আৰু সেৱা কৰিবলৈ চেষ্টা কৰিছিল।' (পৃঃ ২০৭)

'মা-দেউতা' শিৰোনামৰ প্ৰথম অধ্যায়টিত দুয়োগৰাকীৰ লগতে আইতাকৰ শৈশৱ কালতে তেওঁৰ ওপৰত পৰা প্ৰভাৱে ভৱিষ্যৎ জীৱনৰ পথ পৰিক্ৰমাত দিছে পথ নিৰ্দেশনা। এই অধ্যায়ৰ কেইবাটাও উপ-অধ্যায়ত বিভক্তি কৰি তেওঁৰ পাৰিবাৰিক জীৱন আৰু সামাজিক অৱস্থাৰ মুখামুখি হৈ বৰ্ণ-বৈষম্যৰ দৰে সামাজিক ব্যাধিৰ ব্যাখ্যা দাঙি ধৰিছে। সমান্তৰালভাৱে বাস্তৱতাৰ সৈতে একাত্ম হ'বলৈ গৈ তেওঁ উপলব্ধি কৰিছিল- 'শোষণে দেহৰ বৰণ নেজানে, জানে মাথোঁ দাৰিদ্ৰতা। ক'লা ছালৰ আমি যিমান অত্যাচাৰ ভুগিছিলোঁ, দৰিদ্ৰ শ্বেতাংগসকলে জীৱন ধাৰণৰ বাবে সিমানেই সংগ্ৰাম কৰিবলগীয়া হৈছে। (পৃঃ ১৬)

২,৩ আৰু ৪ অধ্যায়ত তেওঁৰ বিদ্যায়তনিক জীৱনৰ উত্তৰণ আৰু সামাজিক-দাৰ্শনিক চিন্তাৰ উপলব্ধিৰ পটভূমি ফঁহিয়াই দেখুওৱা হৈছে। খৃষ্ট ধৰ্মৰ দাৰ্শনিক তত্বত অৱগাহন কৰিও কাৰ্লমাৰ্ক্সৰ দৰ্শন তেওঁ বিশ্লেষণ কৰিব পাৰিছিল আৰু অৱশেষত মহাত্মা গান্ধীৰ আদৰ্শৰ মাজত বিচাৰি পাইছিল জীৱনত আগুৱাই যোৱাৰ পথ। পঞ্চম অধ্যায়ত তেওঁৰ বৈবাহিক জীৱন আৰু ষষ্ঠ অধ্যায়ত গীৰ্জাত আৰম্ভ হোৱা তেওঁৰ কৰ্মজীৱনৰ চমু আভাস দাঙি ধৰা হৈছে। 'সংগ্ৰামৰ প্ৰথম খোজ' শিৰোনামৰ অধ্যায়টোৰ পৰা আৰম্ভ হয় তেওঁৰ বৰ্ণ বৈষম্যৰ বিৰুদ্ধে আন্দোলনৰ বীজৰ অংকুৰণ(অধ্যায় ৭)। কৃষ্ণাংগ আৰু শ্বেতাংগৰ মাজত বিভেদ সৃষ্টিকাৰী যাত্ৰীবাহী বাছৰ ব্যৱস্থাৰ বিৰুদ্ধে কৃষ্ণাংগসকল একত্ৰিত হৈ বাছৰ সলনি খোজকাঢ়ি অহা-যোৱা কৰি আৰম্ভ কৰা প্ৰতিবাদী আন্দোলন ছল-চাতুৰীৰে স্তব্ধ কৰিব পৰা ন'গল। মাৰ্টিন লুথাৰ কিং আৰু সহযোগীসকলৰ পৰিকল্পিত নেতৃত্বত আন্দোলনে সফলতাৰ মুখ দেখে। অহিংসা নীতি আৰু অসীম ধৈৰ্য এই সফলতাৰ চাবিকাঠী আছিল।

পুলিচী নিৰ্যাতন, আইন ব্যৱস্থাৰ অনিৰপেক্ষতা, বোমা বিস্ফোৰণ আদিৰ গইনা লৈ আন্দোলন নিঃশেষ কৰাৰ সকলো ষড়যন্ত্ৰ মষিমূৰ কৰি আগবাঢ়িছিল বৰ্ণবাদৰ বিৰুদ্ধে অবিৰত সংগ্ৰাম। সেই আন্দোলনে প্ৰতিপন্ন কৰিছিল মাৰ্টিন লুথাৰ কিঙৰ সু-অভিজ্ঞ নেতৃত্ব। ঘানাৰ স্বাধীনতা প্ৰাপ্তিয়ে তেওঁৰ আনন্দৰ চকুলো আনিছিল। প্ৰতিটো অধ্যায়ত শোষণ-নিষ্পেষণৰ বিৰুদ্ধে কৃষ্ণাংগসকলক জাগৰিত কৰিবলৈ তেওঁ আৰু সংগীসকলে চলোৱা অবিৰত প্ৰচেষ্টাৰ কথা পঢ়ি তেওঁৰ প্ৰতি শ্ৰদ্ধাত আমাৰ মূৰ আপোনা-আপুনি দোঁ খাই যায়। মহাত্মা গান্ধীক তেওঁ কাহানিও দেখা নাই, ১৯৫৯ চনতহে তেওঁ ভাৰত ভ্ৰমণৰ সুযোগ পাইছিল অথচ গান্ধীবাদ তেওঁৰ তেজত প্ৰবাহিত হৈছিল। বাৰ্মিংহামৰ প্ৰতিবাদী কাৰ্যসূচী, ছেন্ট আগষ্টিনত বিদ্ৰোহ, মিছিছিপি আন্দোলন, ছিকাগো আন্দোলন আদিত তেওঁৰ গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰন্থখনত পোৱা গৈছে। আন্দোলনৰ বাণী তেওঁ আমেৰিকাৰ ৰাষ্ট্ৰপতি ভৱনলৈ কঢ়িয়াই নিব পাৰিছিল আৰু তেতিয়াৰ ৰাষ্ট্ৰপতি জন এফ কেনেডিৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হৈছিল। আততায়ীৰ গুলীত নিহত ৰাষ্ট্ৰপতিগৰাকীৰ প্ৰতি শ্ৰদ্ধা জনাই তেওঁ ক'ব পাৰিছিল- 'মানৱতাৰ মৃত্যু'। তেওঁ ক'ব পাৰিছিল- 'মোৰ এটা সপোন আছে যে এদিন সকলোবোৰ খলা-বমা নোহোৱা হ'ব(অহংকাৰৰ), পৰ্বত আৰু পাহাৰবোৰৰ ভূমিৰ সৈতে মিলি যাব, ওখোৰা-মোখোৰা বাট-পথ মসৃণ হ'ব, পুতিগন্ধময় অঞ্চলবোৰ উদ্ভাসিত হ'ব, আমাৰ ওপৰত প্ৰভু যীশুৰ কৃপাদৃষ্টি পৰিব আৰু তেজ-মঙহেৰে গঠিত সকলো লোকেই এয়া সমানে উপভোগ কৰিব পাৰিব।' (পৃঃ ১৬৫, ১৯৬৬)

**(১৬/১১/২০১৮)**

**মহিলা চিকিৎসক**
**লেখিকা - ডঃ বিজুলী গোস্বামী**
**প্ৰকাশক - বান্ধব প্ৰকাশন**
**আলোচক - দেবব্ৰত মিশ্ৰ**

চিকিৎসক হ'ল ৰোগীৰ বাবে ত্ৰাণকৰ্তা। ৰোগীৰ বাবে চিকিৎসক আৰু চিকিৎসকৰ বাবে ৰোগী অপৰিহাৰ্য। চিকিৎসক এগৰাকীয়ে ৰোগীক এগৰাকীক প্ৰথম সাক্ষাততে ৰোগৰ অধিকাংশ উপশম কৰিব পাৰে। তেওঁৰ কথা-বাৰ্তা, আচাৰ-ব্যৱহাৰ, ৰোগীৰ প্ৰতি আন্তৰিকতাই বেমাৰ উপশমত বা জীৱনজুৰি এগৰাকী ৰোগীক এগৰাকী চিকিৎসকে গভীৰ ৰেখাপাত কৰে।

সাম্প্ৰতিক সময়ত ৰোগী আৰু চিকিৎসকৰ সম্পৰ্কত যথেষ্ট বিতৰ্ক হোৱা দেখা যায়। বহু ক্ষেত্ৰত ৰোগীক অধিকসংখ্যক চিকিৎসকে গ্ৰাহক বা পণ্যৰূপে গণ্য কৰা দেখা যায়। কিন্তু তাৰ মাজতো একাংশ চিকিৎসকৰ ৰোগীৰ প্ৰতি থকা দায়বদ্ধতা দেখিলে মন ভৰি যায়।

গোলকীকৰণৰ বিৱৰ্তন, চৰকাৰী নীতিৰ সুস্পষ্টতাৰ অভাৱ, বেচৰকাৰী পৰ্যায়ৰ মেডিকেল কলেজত শিক্ষা গ্ৰহণ, মেধাহীন আৰু অন্তৰেৰে পঢ়িবলৈ নিবিচৰা এচামৰ মেডিকেল শিক্ষা গ্ৰহণ ইত্যাদিয়ে বৰ্তমান সময়ত এচাম ধন ঘটিবলৈ চিকিৎসক হোৱা পৰিৱেশে ভাৰতবৰ্ষৰ দৰে উন্নয়নশীল দেশত চিকিৎসাৰ ক্ষেত্ৰখন ব্যয়বহুল কৰি তুলিছে। সাধাৰণ মানুহে সেইবাবে সু-চিকিৎসা পোৱাৰপৰা বঞ্চিত হৈছে। চিকিৎসাৰ ক্ষেত্ৰখনত 'প্ৰফেছনেলিজিম'ৰ অভাৱ হৈছে। গা কৰি উঠিছে সম্পূৰ্ণ ব্যৱসায়।

বহু নেতিবাচক দিশৰ মাজতে অসমত এচাম সামাজিকভাৱে দায়বদ্ধ চিকিৎসকৰ সেৱাই বৃহত্তৰ অসমীয়া সমাজখনক আশাৰ পৰিৱেশ দিবলৈ সক্ষম হৈছে। ইয়াৰ মাজতে উল্লেখনীয় দিশটো হ'ল এই চাম দায়বদ্ধ চিকিৎসকে ৰোগীক যৎপৰোনাস্তি সেৱা আগবঢ়োৱাৰ লগতে তেওঁলোকে সাহিত্য-সংস্কৃতি-সামাজিক

আদি বিভিন্ন সৃষ্টিশীল ক্ষেত্ৰখনত নিজকে জড়িত কৰিও ৰাখিছে। সৃষ্টিশীল কৰ্মৰ ক্ষেত্ৰখনত বহুকেইগৰাকী চিকিৎসকে নিজস্ব স্থান ল'বলৈ সক্ষম হোৱাৰ লগতে ৰাজ্যিক, ৰাষ্ট্ৰীয় পৰ্য্যায়ত স্বীকৃতও হৈছে।

এই সু-চিকিৎসক চামৰ অন্যতম এগৰাকী হৈছে চকু চিকিৎসা বিশেষজ্ঞ ডাঃ বিজুলী গোস্বামী। শেহতীয়াভাৱে তেওঁ যথেষ্ট প্ৰত্যাহ্বানপূৰ্ণ কাম শেষ কৰি পঢ়ুৱৈ সমাজৰ হাতত তুলি দিছে 'মহিলা চিকিৎসক' শীৰ্ষক এখন ৩২৭ পৃষ্ঠাৰ ধুনীয়া গ্ৰন্থ। গ্ৰন্থখনত ডাঃ গোস্বামীয়ে অসমৰ ৭৫০ গৰাকীৰো অধিক মহিলা চিকিৎসক অৰ্থাৎ এলোপেথিক চিকিৎসকৰ জীৱন, তেওঁলোকৰ পেছাগত বৰ্ণনা দিছে। ১৮টা বিভিন্ন শিতানত তেওঁ সাৱলীলভাৱে মহিলা চিকিৎসকসকলৰ পেছাগত ভূমিকা বৰ্ণনা কৰিছে।

বিশ্বৰ মহিলা চিকিৎসকৰ ইতিহাসৰপৰা আৰম্ভ কৰি অসমৰ ১৩ গৰাকী মহিলা আয়ূৰ্বেদিক চিকিৎসক, চাৰিগৰাকী মহিলা হোমিঅ' চিকিৎসক, পাঁচগৰাকী মহিলা দন্ত চিকিয়সকৰ অতিৰিক্ত শিতান গ্ৰন্থখনত সন্নৱিষ্ট কৰিছে। অসমত আয়ুৰ্বেদ চিকিৎসা ব্যৱস্থা, হোমিঅ'পেথী চিকিৎসা ব্যৱস্থা, গুৱাহাটী আঞ্চলিক দন্ত চিকিৎসা মহাবিদ্যালয়ৰ জন্ম কাহিনী আদি শিতানৰ সংযোজন উল্লেখনীয়।

এই গ্ৰন্থখনৰ আঁত ধৰিয়েই পৰৱৰ্তী পৰ্যায়ত অনেক অনুসন্ধিৎসু পঢ়ুৱৈ, গৱেষকে অসমৰ সামাজিক পটভূমিত মহিলা চিকিৎসকৰ যোগদান, সামাজিক প্ৰত্যাহ্বান, তেওঁলোকৰ সেৱা আদি সম্পৰ্কত আগবাঢ়ি যাবলৈ পোনপটীয়া বাটৰ আৰম্ভণি বিচাৰি পাব।

**দ্বিতীয় মহাসমৰ আৰু অসম**
**লেখক - নিৰঞ্জন বৰদলৈ**
**প্ৰকাশক - অসম বুক ট্ৰাষ্ট**
**আলোচক - বিশ্বজ্যোতি চাংকাকতি**

দ্বিতীয় বিশ্বযুদ্ধত আমাৰ অসমো জাপানৰ লক্ষ্য হৈ পৰিছিল। জাপানৰ সৈন্যাধ্যক্ষসকলে অসম অধিকাৰ কৰি বৃটিছ সাম্ৰাজ্যক এটা মোক্ষম আঘাত হনাৰ সংকল্প লৈছিল। ইয়াৰ পৰিণতিতে বাৰ্মা (এতিয়াৰ ম্যানমাৰ) দখল কৰাৰ পিছত জাপানৰ আগ্ৰাসী সৈন্য বাহিনীয়ে বৰ্তমানৰ নাগালেণ্ডৰ ৰাজধানী ক'হিমা আৰু মণিপুৰৰ ৰাজধানী ইম্ফলত প্ৰৱেশ কৰি ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰতি ভাবুকিৰ সৃষ্টি কৰিছিল। ক'হিমা আৰু ইম্ফলৰ ৰণাংগনত জাপানী সৈনিকক প্ৰতিহত কৰি তাৰপৰা খেদি পঠিয়াবলৈ ভাৰতীয় সৈনিকসকলে নিজৰ জীৱনকো তুচ্ছ গণ্য কৰি যি সংগ্ৰাম কৰিছিল, সেই সংগ্ৰামৰ কথাকে আলোকলৈ অনাৰ চেষ্টা কৰা হৈছে এই গ্ৰন্থখনত। এই পুথিখনত লেখকে দ্বিতীয় বিশ্বযুদ্ধৰ সময়ত জাৰ্মানী আৰু জাপানৰ যুদ্ধপিপাসু মনৰ বাবে সমগ্ৰ ইউৰোপ-এছিয়া আৰ্থিকভাবেই হওক বা ৰাজনৈতিকভাৱেই হওক, কেনেদৰে বিধ্বস্ত হৈছিল আৰু এই মহাযুদ্ধত অসমো কেনেদৰে জাপানী সৈন্যাধ্যক্ষসকলৰ ৰণকৌশৰ এটা অংশ হৈ পৰিছিল, তাৰ বৰ্ণনা সুন্দৰভাৱে দিছে।

বৰদলৈয়ে ১২ টা অধ্যায়ত তেওঁৰ পুথিখনৰ বিষয়বস্তুখিনি বিভক্ত কৰি লিখিছে। পুথিখনৰ শেষত সংযোজন কৰা 'পুৰণা দিনৰ স্মৃতি' আৰু 'পৰিশিষ্ট'ত তেওঁ কেতবোৰ গুৰুত্বপূৰ্ণ তথ্য-পাতি সম্বলিত লেখা সন্নিৱিষ্ট কৰিছে। তেওঁ লিখিছে যে ১৯৪২ চনৰ ২৮ মে'ত জাপানে বাৰ্মাদেশ (ম্যানমাৰ) সম্পূৰ্ণৰূপে জয় কৰি লয়। পৰিস্থিতি এনে হৈছিল যে বৃটিছ সৈন্যাধ্যক্ষ জেনেৰেল ষ্টিলৱেলে লগত মাত্ৰ এশজন আমেৰিকান আৰু চীনা সৈন্য লৈয়ে খোজকাঢ়ি অসম ওলাইছিলহি। তেওঁ হেনো কৈছিল- 'ভাল মাধমাৰ এটা খালো দেই।' বাৰ্মা জয় কৰাৰ পিছত জাপানী সেনাপতি জেনেৰেল ইডাই অসম জয় কৰাৰ লক্ষ্য তেতিয়াই লৈছিল।

'এক অতুলনীয় জোৰা' নামৰ পঞ্চম অধ্যায়টোত বৰদলৈয়ে আসাম এয়াৰলাইন্স আৰু 'লিডু ৰ'ড' সম্পৰ্কত লিখিছে। বৰ্তমান এই 'লিডু ৰ'ড'ৰ নাম হৈছে 'ষ্টিলৱেল ৰ'ড। এই লিডু ৰ'ড আৰু আসাম

এয়াৰলাইন্সৰ এটাই উদ্দেশ্য আছিল আৰু সেইটো হ'ল তেতিয়াৰ মহাযুদ্ধৰ সময়ত মিত্ৰপক্ষৰ অংশীদাৰ হোৱা চীনৰ লগত বিশ্বৰ সংযোগ কৰা। বৰদলৈয়ে আৰু লিখিছে যে ১৯৪২ চনৰ ৩০ জানুৱাৰীত লিডু পথ নিৰ্মাণৰ প্ৰস্তাৱত অনুমোদন জনোৱা হয়। একেদৰে সেই চনৰে ৪ এপ্ৰিলৰপৰা চাবুৱাত বিমানকোঠ নিৰ্মাণৰ কাম আৰম্ভ হয়। ডিচেম্বৰৰ পৰা আৰম্ভ হয় লিডু পথ নিৰ্মাণৰ কাম। লেখকে লিডু পথ বা ষ্টিলৱেল ৰ'ড সম্পৰ্কত এক সুন্দৰ বৰ্ণনা ইয়াত দিছে।

'জাপানৰ অসম আক্ৰমণ' শীৰ্ষক অধ্যায়টোত লেখকে ক'হিমা আৰু ইম্ফলত জাপানৰ আক্ৰমণকাৰী সেনাক ভাৰতীয় সেনাই কিদৰে প্ৰতিহত কৰাৰ বাবে মৰণপণ যুঁজ দিছিল, তাৰ বৰ্ণনা দিছে। অসম অভিযানৰ বাবে জাপানে দায়িত্ব দিছিল তেওঁলোকৰ লেফটেনেন্ট জেনেৰেল মুটাগুচীক। আনহাতে, অসম-বাৰ্তা অঞ্চলৰ বৃটিছ সৈন্যাধ্যক্ষ আছিল জেনেৰেল শ্লিম। জাপানৰ ক'হিমা আক্ৰমণকাৰী সেনা গোটৰ সৈন্যাধ্যক্ষ আছিল মেজৰ জেনেৰেল চাটো। ১৯৪৪ চনৰ ৩ এপ্ৰিলত ২০,০০০ জাপানী সৈন্য ক'হিমাত উপস্থিত হৈছিল।

পুথিখনত জাপানী সৈন্য আৰু ভাৰতীয় সৈন্যৰ মাজত ক'হিমা আৰু ইম্ফলৰ ৰণাংগনত হোৱা যুদ্ধৰ কথা উল্লেখ কৰোঁতে এই কথাও লিখিছে যে বৃটিছ সৈন্য বাহিনীৰ সৈন্যাধ্যক্ষসকল বৃটিছ আছিল যদিও সৈনিকসকল কিন্তু ভাৰতীয় আছিল।

পুথিখনত দ্বিতীয় বিশ্বযুদ্ধত জাপান আৰু জাৰ্মানী কিদৰে বিধ্বস্ত হ'ল, সেই কথাও বৰদলৈয়ে বিশদভাৱে লিখিছে। কিন্তু তেওঁৰ পুথিখনত যিহেতু অসম সম্পৰ্কত বিশেষভাৱে উল্লেখ কৰিছে, সেয়েহে তেওঁ এই কথাও লিখিছে- 'ভাৰতত আজিও ইম্ফল-ক'হিমাৰ যুদ্ধক 'বৃটিছৰ যুদ্ধ' বুলি গণ্য কৰা হয়। এই যুদ্ধত ভাগ লোৱা ভাৰতীয় সৈনিসকলক বৃটিছ সাম্ৰাজ্যৰ সৈনিক বুলি অৱহেলা কৰা হয়।' (পৃষ্ঠাঃ ২১৫)

অৱসৰপ্ৰাপ্ত লেফটেনেন্ট কৰ্ণেল অলি ভটৰ উদ্ধৃতি দি তেওঁ লিখিছে- 'ইম্ফল আৰু ক'হিমাৰ বিজয় এতিয়ালৈকে আমাৰ সৰ্বশ্ৰেষ্ঠ সামৰিক সফলতা। দুখৰ কথা, ভাৰতৰ জনসাধাৰণে এই বিষয়ে বেছি নাজানে।' (পৃষ্ঠাঃ ২১৭)

লেখকে তেওঁৰ এই পুথিখনত সন্নিৱিষ্ট কৰা আলোকচিত্ৰবোৰ আৰু মানচিত্ৰবোৰে দ্বিতীয় বিশ্বযুদ্ধৰ বিভীষিকাৰ কথা ভালদৰে বুজাত পাঠকক বহু সহায় কৰিছে।

**অসমীয়া প্ৰতিদিনঃ**

**(১১/১২/২০১৮)**

**ধনবৰৰ গুলটি আৰু শিক্ষাপুৰাণ @গৰল ডট কম**
**লেখক - ধনবৰ কাশ্যপ**
**আলোচক - ডঃ হাফিজ আহমেদ**

যোৱা ৬ নৱেম্বৰ তাৰিখে গুৱাহাটীৰ ছহিদ ন্যাস ভৱনত এক ব্যতিক্ৰমী অনুষ্ঠানৰ মাজেৰে উন্মোচিত হয় ব্যংগ সাহিত্যৰ এই গ্ৰন্থখন। এই অসম মুলুকত কেতিয়াবা কোনোবাই নিজৰ গ্ৰন্থ নিজে উন্মোচন কৰিছেনে? ধনবৰৰ মতে অসমত গ্ৰন্থ উন্মোচন অনুষ্ঠানটোৱেই গোলমলীয়া- লেখক ক'ৰবাত বহি থাকে আৰু কোনোবা বিশিষ্ট কেইজনমানে মঞ্চত গ্ৰন্থখন উন্মোচন কৰে। পিচদিনা কাকতত ফটো ওলায় অতিথিৰ। বেচেৰা লেখকৰ নাম-গোন্ধেই নোলায়। সেইবাবে ধনবৰে তাহানিতে কৈ থৈছিল- 'মোৰ কিতাপ ময়ে উন্মোচন কৰিম। প্ৰচাৰ মাধ্যমে নুলিয়ালে নাই, কিন্তু উলিয়ালে মোৰ ফটোখনকে উলিয়াব লাগিব।' যেনে ঘোষণা তেনে কাম। ধনবৰে খোদ অতিথিৰ আসনত উপবিষ্ট হৈ নিজৰ গ্ৰন্থ নিজে উন্মোচন কৰিলে। ইও কম ব্যংগ নহয়।

ব্যংগনো কি? যিটো হ'ব লাগিছিল, সেইটো নহৈ তাৰ ওলোটাটো হ'লেই জানো ব্যংগৰ জন্ম নহয়? তেনেহ'লে ধনবৰে অকল লেখাৰেই নহয়, অনুষ্ঠানৰ মাজেৰেও ব্যৱস্থাটোক সমালোচনা কৰাৰ লগতে ব্যংগও কৰিছে।

গ্ৰন্থ হিচাপে এখন যদিও গ্ৰন্থখনৰ নামটোত দুখন গ্ৰন্থৰ ইংগিত আছে- অৰ্থাৎ ধনবৰৰ গুলটি এখন গ্ৰন্থ আৰু শিক্ষাপুৰাণ এখন গ্ৰন্থ। আনহাতে '@গৰল ডটকম'টো ধনবৰৰ বিশেষ ষ্টাইল। যিটো তেওঁ সকলোতে ব্যৱহাৰ কৰি আহিছে আৰু গ্ৰন্থখনৰ প্ৰথমতেই তাৰ ব্যাখ্যাও দাঙি ধৰিছে- 'শিতানটোৰ নামটো দেখি উচপ খাই উঠিব নালাগে। এইটো হ'ল ইন্টাৰনেচনেলৰ লগত থলুৱাৰ এটা সংমিশ্ৰণ, মানে fusion। আপোনালোকে ভাবিছে নেটতনো অসমীয়াতে আখৰবোৰ লিখিলে কিবা ওলাবনে? আৰে কি কথা কয় আপোনালোকে? অসমীয়াক আপোনালোকে এতিয়াও ভালদৰে চিনিয়েই পোৱা নাই। ভাৰতবিজয়ী মোগলক কচু কটা দিয়া অসমীয়া বীৰপুৰুষসকল শুই থকা বুলি আপোনালোকে নাভাবিব। কোটি কোটি টকাৰ প্ৰজেক্ট চলি আছে, সকলোবোৰ অসমীয়াতে হৈ যাব। তেনে আশা কৰিয়েই আমুকাই এনে এটা নাম ঠিক কৰিছো। 'গৰল' হ'ল 'গুগল'ৰ অনুকৰণ। গুগল ডটকমত ক্লিক কৰিলেই বিশ্বৰ সকলো জ্ঞান পোৱা বুলি সকলোৱে ভাবে। তেনেক্ষেত্ৰত ধনবৰৰ দৰে বিয়াগোম লেখক এজনৰ চিন্তা-ভাবনা বা লেখা-মেলা সম্পৰ্কীয় সকলো কথাৰ বাবে এটা গুগল নোহোৱাৰ কি কাৰণ থাকিব পাৰে? সেইবাবেই তাক গুগলৰ আৰ্হিত ইন্টাৰনেচনেল কৰি দিয়া হৈছে- এতিয়া যাৰ যিমান ইচ্ছা, যেনেকৈ ইচ্ছা তাক পান কৰিব পাৰিব। পান কৰাৰ বাবে চিলিমৰ ফোপত হোপা মাৰি কষ্ট কৰাৰো কোনো প্ৰয়োজন নাই বা বটলৰ পৰা গিলাচত ঢালি পানী মিহলাই থকাৰো প্ৰয়োজন নাই।'

ধনবৰে নিজৰ জন্মৰ সবিশেষ ব্যাখ্যা কৰি 'ধনবৰৰ জন্মকুণ্ডলী সংবাদ' শীৰ্ষক ৰচনাখনত আমাৰ অন্ধবিশ্বাসৰ ওপৰত কঠোৰ বাক্যবাণ নিক্ষেপ কৰিছে আৰু কৈছে যে 'আমাৰ ভূপেনদাই 'জেট যুগ, আণবিক যুগ' বুলি গান গালেই নহ'ব নহয়। তেনেবোৰ গান শুনিবলৈহে ভাল, কিন্তু আচলতে এইটো হ'ল 'কিৰো যুগ/ খনাৱতী যুগ/ পাথৰেৰে ভাগ্যক বদলোৱা যুগ।' ধনবৰে লিখিছে- এতিয়া মন্ত্ৰী-এম এল এ সকলৰহে কোব বেছি- 'হাতত সূতা, কপালত ফোঁটা, আঙুলিত পিন্ধিবা ৰতন। কামৰূপ কামাখ্যাক বলিৰে পুঁজিবা গোপনে চৰকাৰ কৰিবা গঠন।'

পিচে আধুনিক কম্পিউটাৰে ধনবৰৰ জন্মকুণ্ডলী দিলে। 'দশম স্থানত দৈত্যগুৰু শুক্ৰাচাৰ্যক ছলনা কৰি অমৃত খোৱা দেৱতাসকলৰ বিৰুদ্ধে দুৰ্ধোৰ জেহাদ।'- পিচলৈ আমি গ্ৰন্থ দুখনক দেখিম যে ধনবৰে তেওঁৰ এই জেহাদ এক নিষ্ঠাভাৱে চলাই নিছে আৰু প্ৰতিখন ৰচনাতে বৰ্তমান ব্যৱস্থাৰ কেৰোণবোৰক অতি নিৰ্মমভাৱে আঘাত কৰিছে।

গৱেষণা পত্ৰিকাৰ কথা ক'বলৈ গৈ ধনবৰে লিখিছে- 'এতেকে নামটো তোমাৰ গণবন্ধু, দুখৰ বান্ধৱ বা বিপদ-তাৰিণী জাতীয় কিবা এটা দি লৈ তুমি ৰাইজক লুটি পেলালেও কোনো কথাৰ ইফাল-সিফাল নহয়। এতেকে তেনেবোৰ শিয়াল কাৰবাৰ আজিকালি উচ্চ শিক্ষাতো চলে। এতিয়া মাজতে CMJ বুলি এখন বিশ্ববিদ্যালয় ওলাল। তোমাৰ যেনিবা জোনবিল মেলাত পাহাৰৰ আলু-কচুহে ওলাইছে। চাৰিওপিনে পি এইচ ডি কিনাৰ উঠপথপ লাগিল। ইমানেই উঠপথপ যে বহুতেই CMJ মানেনো কি সেইটো জানিবৰো আগ্ৰহ নেদেখুৱালে। পিছত যেনিবা দেনা-পাওনাৰ অংক নিমিলাত হ'বলা CMJৰ চাউল উকলিল। তেহে এই ভাৰস্তৰ মানুহে জানিলে যে CMJ মানে বোলে 'চন্দ্ৰ মোহন ঝা'। তেওঁ কিহৰ বাবে বিখ্যাত? উচ্চ শিক্ষাৰ চাৰ্টিফিকেটৰ ব্যৱসায়ত তেওঁ দেশৰ ভিতৰতে নাম কৰিছে, গতিকে তেওঁৰ নামত এখন বিশ্ববিদ্যালয় হ'ব পাৰে। ক'ত ৰাধাকৃষ্ণণৰ নামত বা নেহৰুৰ নামত বিশ্ববিদ্যালয়, ক'ত চন্দ্ৰমোহন ঝাৰ নামত বিশ্ববিদ্যালয়। কিন্তু দোষটো জানো তেওঁৰ। চৰকাৰে আইনেই কৰিছে তেনে। টকা থাকিলে বিশ্ববিদ্যালয় খুলি চাধা বেপাৰীও চেঞ্চেলৰ হ'ব পাৰিব। চন্দ্ৰমোহনেতো আৰু তেওঁৰ শোৱনি কোঠাত বা পাকঘৰত নি বিশ্ববিদ্যালয় পতাগৈ নাই। দস্তুৰমত বৰ বৰ হৰফেৰে বিজ্ঞাপন দি, সকলোৱে দেখাকৈ নামফলক লগাই- প্ৰকাণ্ড এটা কাৰ্যালয় পাতিহে বেপাৰখন পাতিছে। তেতিয়া আমাৰ সেই ৰজাঘৰীয়াসকলৰ চকুত কুকুৰে মুতিছিল নেকি? নে ধনৰ

লোভত তেওঁলোকে চববোৰ পৰিস্কাৰ দেখি আছিল।' এনেধৰণৰ কথাবোৰে কেৱল যে হাস্যৰসৰেই সৃষ্টি কৰিছে এনে নহয়, তীব্ৰ ব্যংগই চুৰি-কটাৰীৰ দৰে ৰেপিছে।

ধনবৰ কাশ্যপে আচলতে কাকো এৰা নাই; ৰাজনৈতিক নেতাৰ ভণ্ডামিৰ পৰা সামাজিক জীৱনৰ দোষ-ত্ৰুটি, মন্ত্ৰী-আমোলাৰ দুৰ্নীতিৰ পৰা ব্যক্তিৰ কু-অভ্যাসলৈ সকলো দাঙি ধৰিছে ব্যংগৰ মাজেৰে। মধ্যবিত্তৰ ভেম আৰু অসমীয়া মানুহৰ স্বাৰ্থপৰতাকো লেখকে তীব্ৰভাৱে ব্যংগ কৰিছে। মন্ত্ৰী-আমোলা, সাহিত্যিক-বুদ্ধিজীৱী, সাহিত্য সংগঠক, শিল্পী সকলোকে ধনবৰে তূণৰ পৰা ওলোৱা ব্যংগ কাঁড়েৰে থকা-সৰকা কৰিছে। আমাৰ সমাজ জীয়নৰ এছোৱা সময় আৰু এই সময়ৰ কেৰোণবোৰ চিহ্নিত কৰি তাক সাৰ্থক বিশ্লেষণৰ মাজেৰে আত্মশুদ্ধিৰ বাট ধনবৰ কাশ্যপে মুকলি কৰি দিছে।

যোৱা দুদিন ধৰি বোমা-বাৰুদৰ শব্দ আৰু ধোঁৱাই আকাশ ছানি ধৰিছে। ফে'চবুকত দেখিছো দীনেশ বৈশ্য ডাঙৰীয়াই উশাহ ল'বলৈ কষ্ট পাইছে, ফণীন্দ্ৰ নাৰায়ণ দেৱচৌধুৰীয়েও বোমা মৰাৰ বিৰুদ্ধে আপত্তি তুলিছে। মনুষ্যৰ এনে দৌৰাত্ম্যৰ বাবে সূৰ্য দেৱতাও নোলাওঁ বুলি লাগিছে। ধনবৰে পিছে এনেকুৱা সমস্যাৰ কথা বহু আগেয়ে কৈ থৈছে- 'সূৰ্যে বোলে মনুষ্যৰ চোৱা মুনিষাই/ বিজ্ঞান-প্ৰযুক্তি জানে কাণ্ড-জ্ঞানহে নাই।। পৰিবেশ ৰক্ষাৰ নামত আন্দোলন কৰে. টেঁটুলৈকে মদ গিলি বোমা মাৰি ফুৰে।। ঝাড়ু লৈ দেখুৱাই ৰাজপথ সাৰে/ দুই নম্বৰী বোমাৰ বেপাৰ বুধিব নোৱাৰে।। প্ৰদূষণৰ নামত দিয়ে ডাঙৰ বিজ্ঞাপন/ তাৰ নামত খৰচ কৰে চৰকাৰী ধন।। তেওঁলোকেই বোমা মাৰি আকাশ ঢাকি ধৰে/ বাদ দিয়াহে নোলাওঁ মই মোৰ কি গৰজ পৰে?'

এই গ্ৰন্থখনৰ আন এক বলিষ্ঠ দিশ হৈছে ইয়াৰ ভাষা। সাহিত্যত হাস্য ৰস সৃষ্টি কৰা সহজ, কিন্তু ব্যংগৰ মাজেৰে তাকো ৰাজনৈতিক আৰু সামাজিক বিষয়ক লৈ ব্যংগ কৰা সহজ নহয়। বুদ্ধিদীপ্ত লেখকৰ বাবেহে এনে সম্পৰীক্ষা সম্ভৱ। বেজবৰুৱাৰ ব্যংগ ৰচনা পঢ়ি আমি যিদৰে তেওঁৰ ভাষা প্ৰয়োগৰ শক্তিশালী দিশটো অনুধাৱন কৰো সেইদৰে অসমীয়া ভাষাৰ ভাব প্ৰকাশশালী বলিষ্ঠতাতো আমি সম্মোহিত হওঁ। ধনবৰ কাশ্যপৰ লেখাবোৰ পঢ়ি যাওঁতেও অনুভৱ হয় লেখকৰ ওপৰত পৰা বেজবৰুৱাৰ অখণ্ড প্ৰভাৱ। বেজবৰুৱাৰ জন্মৰ ডেৰশ বছৰ পিছতো কোনো অসমীৱা লেখকৰ হাড়ে-হিমজুৱে যদি বেজবৰুৱাৰ ব্যংগ ৰচনাৰ ষ্টাইল সোমাই পৰিছে তেনতে বুজিব লাগিব ব্যংগ ৰচনাৰ ক্ষেত্ৰত বেজবৰুৱাৰ আছিল এক আদৰ্শ ষ্টাইল। ভাব আৰু ভাষাৰে ধনবৰ নিঃসন্দেহে বেজবৰুৱাৰ পৰিনাতি।

**পলে পলে অনুভৱ**
**লেখক - বিশ্বজিৎ বিশ্বাসী**
**আলোচক - গুণেশ্বৰ কৈৱৰ্ত**

তীৰ্থনগৰী হাজোৰ মালীতোলা নিবাসী বিশ্বজিৎ বিশ্বাসীয়ে ছাত্ৰকালৰে পৰাই ছেগা-চোৰোকাকৈ সাহিত্য সাধনা কৰিছিল। তেওঁৰ শেহতীয়াকৈ প্ৰকাশ পোৱা এই গ্ৰন্থখনৰ বৈশিষ্ট্য এয়ে যে গুৱাহাটীৰ আজাৰাৰ পৰা সুদীৰ্ঘকাল প্ৰকাশ হৈ থকা 'কল্পদ্ৰুম' আলোচনীয়ে পতা কবিতা সংকলনৰ প্ৰতিযোগিতাত শ্ৰেষ্ঠতা অৰ্জন কৰি পুৰস্কাৰ আৰু সন্মান লাভ কৰিছে। প্ৰায় ৪০ টা কবিতা সন্নিৱিষ্ট কৰা কবিতা সংকলনখনৰ কবিতাসমূহৰ ভাব আৰু শব্দমালাই সকলোকে আকৰ্ষিত কৰিব। জীৱন আৰু জগতৰ বাস্তৱ চিত্ৰ তেওঁৰ কবিতাসমূহত বিদ্যমান। সমাজক আওকাণ কৰি কোনেও কবিতা লিখিব নোৱাৰে। সমাজৰ ঘটনা প্ৰবাহ, দেশ-বিদেশৰ ঘটনাৱলীৰ উল্লেখ তেওঁৰ কবিতাত আছে। ছন্দ প্ৰতীক আৰু শব্দ ব্যঞ্জনাৰ প্ৰতি বিশেষ দৃষ্টি ৰখা কবি বিশ্বজিৎ বিশ্বাসীয়ে কেইটামান কবিতত সমাজৰ আন্ধাৰ ফালটো বৰ নগ্নভাৱে প্ৰকাশ কৰিছে। কেইবাটাও

কবিতাৰ যোগেদি তেওঁ অন্যায় আৰু অবিচাৰৰ প্ৰতিবাদ কৰিছে। নিষ্ঠুৰ সময়ৰ প্ৰত্যাহ্বান, মানুহৰ শঠতা, স্বাৰ্থপৰতাতো কবিয়ে এৰি যোৱা নাই। এই পৃথিৱী এচামৰ কাৰণে কেৱল ভোগ-বিলাসৰ থলী। দেশ আৰু জনতাৰ কথা নাভাবি কেৱল নিজক সুখী কৰাৰ কাৰণে মানুহ আজি বলিয়া হৈ পৰিছে। এই ব্যক্তিকেন্দ্ৰিক চিন্তা-চৰ্চাসমূহৰো তেওঁ সমালোচনা কৰিছে কেইবাটাও কবিতাৰ মাজেৰে।

**স্বপ্ন স্মৃতিৰ ককটেইল**
**লেখক - জনাৰ্দন গোস্বামী**
**আলোচক - প্ৰমোদ বৰা**

পঁচিশখনতকৈও অধিক গ্ৰন্থ লিখি অসমীয়া সাহিত্যত ইতিমধ্যে এক নিগাজি স্থান দখল কৰা জনাৰ্দন গোস্বামী আমাৰ বাবে এক সুপৰিচিত নাম। জীৱনৰ বহুমাত্ৰিকতাৰ সৈতে তেওঁৰ পৰিচয় অতি ঘনিষ্ঠ। তেওঁৰ ভাষাত তাৰেই প্ৰতিচ্ছবি ফুটাই তুলিবলৈ চেষ্টা কৰিছে তেওঁৰ শেহতীয়াকৈ প্ৰকাশিত এই গ্ৰন্থখনত। গ্ৰন্থখনত ১৮ টা খণ্ডত বিভক্ত কৰিছে তেওঁৰ ৰঙীন স্বপ্ন আৰু সেউজীয়া স্মৃতিৰ ককটেইল। কৈশোৰৰ জনা-নজনা পৃথিৱীৰ অনুসন্ধিৎসু মনৰ উৎসুকতা, যৌৱনৰ আৰম্ভণিত সকলোৰে অলক্ষিতে হোৱা প্ৰথম প্ৰেমৰ অনুৰাগ আৰু উন্মেষণহীনতাৰ অপ্ৰকাশিত ব্যৰ্থতা, ছাত্ৰ জীৱনৰ ৰোমাঞ্চিত অভিজ্ঞতা, সাংবাদিকতাৰ পৰা শৈক্ষিক প্ৰতিষ্ঠানলৈকে ভিন্ন বৃত্তিত লগ পোৱা বিচিত্ৰ মানুহৰ চাৰিত্ৰিক বৰ্ণনা, মানুহৰ অন্তৰ্জগতৰ অন্ধকাৰ গুহাত লুকাই থকা লোভ-মোহ-কাম-ক্ৰোধ-মদ-মাৎসৰ্যৰ সত্যানুসন্ধান আৰু তাৰ মাজেদি দৈহিক সত্যতাৰ অকুণ্ঠ আহ্বানৰ প্ৰতি সৰল শৰণাপন্নতা, এফালে মানৱ হিতৈষী দেৱতাসদৃশ শিক্ষাগুৰুৰ নিঃস্বাৰ্থ মানৱসেৱা আৰু আনফালে ছালফা হত্যাকাৰীৰ অনুশোচনাহীন হত্যাৰ সপক্ষে মহাভাৰতীয় যুক্তি, নাৰীৰ মনস্তাত্বিক জটিলতাৰ সৰল বিশ্লেষণ আৰু পুৰুষৰ উন্নাসিক চৰিত্ৰত নিৰ্মম আত্মশ্লেঘ... এই সকলোবোৰ লেখকে নিখুঁতভাৱে অংকণ কৰাত সমৰ্থ হৈছে। এইবিলাকৰ উপৰি আদৰ্শবাদৰ সংঘাত, জীৱনত ঘটা কিছুমান ঘটনাৰ ৰহস্যময় কাকতলীয় সংযোগ দেশ-জাতিৰ ঊৰ্ধত মানৱতাৰ জয়গান, বুদ্ধ-অশোক-মহাত্মাৰ মহৎ আদৰ্শৰ বন্দনা আৰু তেওঁৰ জীৱনত ইয়াৰ প্ৰভাৱ লেখকৰ এনেধৰণৰ অনবদ্য অভিজ্ঞতাবোৰৰ বিশ্লেষণাত্মক বৰ্ণনাই গ্ৰন্থখন অধিক সুখপাঠ্য কৰি তুলিছে। অৱশ্যে এটা ঠিক যে গোস্বামীয়ে বহু সময়ত হাতী মাৰি ভুৰুকাত ভৰোৱাৰ চেষ্টা কৰিছে, যাৰ ফলত কিছু কিছু ঠাইত তেওঁৰ ভাবাৱেগ নিয়ন্ত্ৰণহীন গতিত চেঁকুৰিবলৈ ধৰা পৰিলক্ষিত হৈছে। তেওঁৰ কিতাপখন পঢ়িলে ইংৰাজী ভাষাত লিখা ভাৰতীয় লেখিকা শোভা দে'ৰ বৰ্ণনাৰ লগত বহু ঠাইত মিল থকা দেখা যায়। একেদৰেই লেখকৰ 'নীলসমুদ্ৰৰ মাজত উচ্ছল তৰংগৰ লগত সাঁতুৰি ওপৰলৈ চাই আকাশ দেখি হোৱা অতীন্দ্ৰিয় উপলব্ধি' পঢ়ি মনত পৰে বিখ্যাত লেখক আলবেয়াৰ কেমুৰ নায়কে মাকৰ মৃত্যুৰ খবৰ পাই প্ৰেয়সীৰ লগত সাগৰত গা ধুই ধুই আকাশ চাই থকাৰ বৰ্ণনা।

**পণ্ডিত ৰাজমোহন নাথ স্মাৰক আলোচনী**
**সম্পাদক - ছফিউৰ ৰহমান শইকীয়া**
**প্ৰকাশক স্মৃতিৰক্ষা সমিতি**

**যাযাবৰৰ টোকাবহী**
**লেখক - হেমন্ত বেজবৰুৱা**
**প্ৰকাশক - গোৰ্খাজ্যোতি প্ৰকাশন**
**মূল্য - ১৫০.০০ টকা**

**এই হাঁহি কিহৰ হাঁহি**
**লেখক - তবিউল হুছেইন**
**প্ৰকাশক - পূৰ্বাঞ্চল প্ৰকাশন**
**মূল্য - ১০০.০০ টকা**

**বেলিমুখী বনকুঁৱৰী**
**লেখিকা - ধনদা দেৱী**
**প্ৰকাশক - পূৰ্বাঞ্চল প্ৰকাশন**
**মূল্য - ২৫০.০০ টকা**

**মহম্মদ ৰফী দেৱকণ্ঠৰ পৰা দেৱসত্তালৈ**
**লেখিকা - ৰৌশনাৰা বেগম**
**প্ৰকাশক - পূৰ্বাঞ্চল প্ৰকাশন**
**মূল্য - ৩৯৯.০০ টকা**

**শৃংখলিত সপোনৰ সূৰুযমুখী গান**
**লেখক - গুৱাহাটী কাৰাগাৰৰ আবাসীসকল**
**প্ৰকাশক - প্ৰণতি গোহাঁই**
**আলোচক - ৰিতুল ভাগৱতী**

'All may be Prisoners, but all may not be criminals, while some are just simple people' এয়া গুৱাহাটী কেন্দ্ৰীয় কাৰাগাৰৰ এগৰাকী কাৰাবন্দীৰ অভিব্যক্তি। সঁচাকৈ কাৰাগাৰত বিভিন্ন কাৰণত বিভিন্ন শাস্তিস্বৰূপে বন্দিত্বৰ জীৱন কটোৱা লোকসকলৰ মনৰ অৱস্থা জানো আমাৰ জানিবৰ মন নাযায়। কাৰাগাৰৰ বন্ধ কুঠৰীত তেওঁলোকে কি ভাবিছে, কেনেদৰে জীৱন অতিবাহিত কৰিছে সাধাৰণ মানুহৰো জানিবৰ মন যায়। কিন্তু মন থাকিলেও আমি যাব নোৱাৰো, তেওঁলোকৰ মনৰ খবৰ ল'বলৈ।

কিন্তু গুৱাহাটী কাৰাগাৰৰ অধীক্ষক, জেইলাৰ তথা বিষয়া-কৰ্মচাৰীসকলে উদ্যম লৈ এনে অসম্ভৱকো সম্ভৱ কৰি উলিয়ালে। কাৰাবাসীসকলৰ মনোভাব প্ৰকাশ কৰিবলৈ এইসকল ব্যক্তিয়ে নিজা উদ্যোগত ছপা কৰি উলিয়ালে এই গ্ৰন্থখন।

কিন্তু গুৱাহাটী কাৰাগাৰৰ আবাসীসকলৰ এই যাত্ৰাৰ আৰম্ভণি হৈছিল আজিৰ পৰা প্ৰায় পোন্ধৰ বছৰ পূৰ্বে। সেই সময়তে কাৰাগাৰ অধীক্ষকৰ প্ৰচেষ্টাত কাৰাবাসীসকলে প্ৰকাশ কৰি উলিয়াইছিল 'স্পন্দন' নামৰ এখন প্ৰাচীৰ পত্ৰিকা। সেয়াই আছিল আৰম্ভণি। পৰৱৰ্তী সময়ত বৰ্তমানৰ কাৰাগাৰ অধীক্ষক বিদ্যাধৰ শইকীয়াৰ উদ্যোগত 'স্পন্দন'ৰ পৰা বছা বছা কবিতা কেইটামানেৰে সজাই তোলা হ'ল আটকধুনীয়া কবিতাপুথিখন। এই পুথিখন এখন কবিতা পুথি বুলি ক'লে নিশ্চয় ভুল হ'ব। কাৰণ এই কবিতা পুথিখনত আছে একাংশ হতাশাগ্ৰস্ত, অনুশোচিত, আশাবাদী লোকৰ মনৰ কথা।

পুথিখনত সন্নিৱিষ্ট কবিতাসমূহৰ ৰচয়িতাকেইগৰাকীৰ ভিতৰত হাইপ্ৰ'ফাইল ব্যক্তিৰ পৰা সাধাৰণ আচামীশৈ আছে। 'সময় এতিয়া খণ্ডবিখণ্ড' (ঘূৰণীয়া সময়) বুলি অনুশোচনা কৰা কবিৰ মন এতিয়া পৰিতাপত দগ্ধ। সেয়ে হয়তো বন্দীত্বৰ দুৰ্বিসহ বেদনাত ছটফটাই থকা কবিয়ে কৈছে– 'শিল আৰু প্ৰাচীৰৰ কোলাত বন্দী মোৰ উশাহ'। একেদৰে 'জীয়া প্ৰতিচ্ছবি'ত আন এজন কবিয়ে লিখিছে– 'গ্লানি মোৰ সংগী, শাস্তি মোৰ পুৰস্কাৰ'। কিন্তু এইজন কবি নিৰাশাবাদী নহয়, তেও বিশ্বাস কৰে, পথ যিমানেই অন্ধকাৰ নহওক কিয়, যিমানেই পংকিল নহওক কিয় নিষ্ঠাৰে আগুৱালে এদিন আলোকময়, সেন্দুৰী বাট বিচাৰি উলিয়াবলৈ সক্ষম হ'বই।– 'তথাপি দৌৰি ফুৰিছো, সূৰুযৰ ৰেঙনি বিচাৰি...'। '... ইয়াৰ বাহিৰে আৰু বিচাৰিমেই বা কি?' ...কবিৰ বিশ্বাস আছে 'বদ্ধ কুঠৰীতে এদিন উদ্ভাসিত হ'ব মোৰ সপোন...'। ঠিক একেই সুৰ শুনিবলৈ পোৱা যায় 'জীৱনৰ আত্মকথা'ত। সেয়ে কবিয়ে লিখিছে– 'পায়ো হেৰুওৱা আৰু বহুতো নোপোৱাৰেই 'জীয়াই থকাৰ প্ৰয়াস...'। আন এগৰাকী কবিয়ে 'নতুন দিগন্তৰ সন্ধান'ত কৈছে– 'প্ৰতাৰণাৰ নিৰ্মম প্ৰহাৰত 'দগ্ধ হৃদয়ৰ দলিচা...'। তথাপি তেওঁ আগুৱাব বিচাৰে, সেয়ে তেওঁ দিছে 'প্ৰতিশ্ৰুতি জীৱন যুঁজত ব্ৰতী হোৱাৰ! সাহস আৰু ধৈৰ্যৰে প্ৰতিশ্ৰুতি জীৱন গঢ়াৰ...'।

কাৰাগাৰৰ অন্ধকূপত বহি কবিয়ে মাকলৈ মনত পেলাই লিখিছে– 'মা তোমাৰ মুখ দেখে হৃদয় ভৰে যায়...' বুলি (কবিতাৰ শিৰোনাম 'মা আমাৰ')। নিজৰ ঘৰখনলৈ মনত পেলাই নিয়তিৰ নিষ্ঠুৰ সত্য মানি লৈ অনুশোচিত কবিয়ে 'অলপ মৰম বিচাৰি'ত লিখিছে– 'মোৰ বাবে এতিয়া ঘৰৰ স্বপ্ন দূৰৈৰ বাঁহীৰ সুৰ...'। আক্ষেপেৰে পুনৰ কয়– 'এধানি স্পৰ্শৰ বাবে মোৰ বুকুৰে এতিয়া হাঁহাকাৰ কৰে..' বুলি। কেৱল নিজৰ পৰিধিতেই আবদ্ধ নাথাকি বহুকেইগৰাকী কবিয়ে লিখিছে দেশমাতৃৰ কথা। আৱশ্যক হ'লে দেশৰ হকে যুঁজি মৃত্যুক আঁকোৱালি লোৱাৰ কথা। 'মা' শীৰ্ষক আন এটা কবিতাত কৈছে– 'জন্মভূমি মাতৃৰ বাবে এঘড়ী যুঁজাৰ মন'ৰ কথা। তেওঁ পুনৰ লিখিছে 'দুবাহুত অদম্য সঞ্চিত শক্তি, দিম এসেকা চিৰবৈৰী শত্ৰুক..'।

কবিতাপুথিখনত মুঠ ৬০ টা কবিতাৰ আটাইকেইটা কবিতাই ৰসৰাজৰ ভাষাৰে ক'বলৈ গ'লে সোণৰ পানীৰে বন্ধাবলগীয়া। উল্লেখনীয় যে পুথিখনৰ আৰম্ভণিতে গুৱাহাটী কেন্দ্ৰীয় কাৰাগাৰৰ অধীক্ষক, যোগ প্ৰশিক্ষক আৰু চিকিৎসকৰ তিনিটা সুন্দৰ কবিতা সন্নিৱিষ্ট কৰা হৈছে। কাৰাগাৰৰ অইন কৰ্মচাৰীৰো কবিতা এই পুথিখনত সন্নিৱিষ্ট কৰা হৈছে।

**ধৰ্মৰ ঊৰ্দ্ধত - এখন পূৰ্ণ বিশ্বৰ বাবে নৈতিক প্ৰমূল্য**
**অনুবাদ - দিতিমণি গগৈ**
**প্ৰকাশক - লয়াৰ্চ্চ বুক ষ্টল**
**মূল্য - ১২০.০০ টকা**

বিশ্বত শান্তি প্ৰতিষ্ঠাৰ বাণী প্ৰচাৰ কৰা আৰু শান্তিৰ নোবেল বঁটা বিজয়ী দালাই লামাৰ জনপ্ৰিয় গ্ৰন্থ 'বিয়'ণ্ড ৰিলিজিয়ন'– এথিকছ ফৰ এ হোল ৱৰ্ল্ড'ৰ অসমীয়া ৰূপান্তৰ এই গ্ৰন্থখন। অসমীয়ালৈ অনুবাদ হোৱা

এইখন হ'ল দালাই লামাৰ দ্বিতীয়খন গ্ৰন্থ। ইয়াৰ পূৰ্বে দালাই লামাৰ আত্মজীৱনী এখন 'মোৰ দেশ আৰু মোৰ মানুহ' নামেৰে প্ৰকাশ কৰা হৈছিল।

**নুৰজাহান**
**লেখক - অনুপ মহন্ত**
**আলোচক - বনশ্ৰী দেৱী গগৈ**

শ্বাহেনশ্বাহে আপোনাক বিছাৰিছে। আজিৰ নিশাটো আপোনাৰ স'তে কটাব। আৰু কোনো প্ৰশ্ন নকৰিব।' মেহেৰুন্নিচা থৰ লাগিল। কেইটামান মুহূৰ্তত তেওঁৰ মূৰে কাম নকৰা হ'ল। যান্ত্ৰিকভাৱে তেওঁৰ নিজৰ দেহাটো খুলি ডিঙিৰ পৰা ভৰিলৈ আৱৰা চোলাটো খোলা হ'ল। তাৰ পিচত খোলা হ'ল অন্তৰ্বাস। ভৰিৰ পৰা ৰূপালী বৰণৰ চেণ্ডেলযোৰ আঁতৰোৱা হ'ল। এটা সময়ত তেওঁ গম পালে চোতালখনৰ মাজত তেওঁৰ দেহটো সম্পূৰ্ণ নিৰাভৰণ। মেহজবিনে তেওঁৰ কান্ধত ধৰি নিৰাভৰণ দেহাটো চালে ইফালে-সিফালে, কিবা খুঁত আছে নেকি।' প্ৰবল প্ৰতাপী মোগল শাসনসকলৰ দলত চামিল হ'বলৈ যেন এয়া এগৰাকী নাৰীৰ 'প্ৰথম দাৱ'- প্ৰথম চাল।

অভিযন্তা, লেখক অনুপ মহন্তৰ সদ্যপ্ৰকাশিত গ্ৰন্থ 'নুৰজাহান'ৰ কিয়দংশ এয়া। ইতিহাসৰ সমলেৰে অসমীয়াত লিখি উলিওৱা মোগল সম্ৰাট জাহাংগীৰৰ পৰমা সুন্দৰী পত্নী নুৰজাহান ওৰফে মেহেৰুন্নিছাৰ প্ৰেম কাহিনীৰ এয়া অনুপম বৰ্ণনা। কেনেকৈ সম্ৰাট আকবৰৰ লগুৱাৰ জীয়ৰী তেওঁৰ বোৱাৰী হৈ এদিন বিশাল মোগল সাম্ৰজ্য শাসন কৰিছিল; সেইগৰাকী অত্যন্ত ৰূপৱতী, বিচক্ষণ, বিদুষী নাৰীৰ উত্থান, প্ৰেম আৰু আগ্ৰাসী মনোভাবৰ উপন্যাসৰ 'ৰূপ 'নুৰজাহন'। কেনেদৰে কিমান অপমান আৰু বিপদ পাৰ হৈ মেহৰুন্নিছা আহি নুৰজাহান 'জগতৰ পোহৰ' হ'লহি তাৰ ভেটিত গঢ়ি উঠিছে লেখক অনুপ মহন্তৰ উপন্যাসখন। নুৰজাহানক' লৈ ভাৰতীয় সাহিত্যত ঔপন্যাসিক ইন্দু সুদৰ্শনে লিখি উলিয়াইছে তিনিখন গ্ৰন্থ- দা তাজমহল ত্ৰিলজীকে ধৰি দা টুৱেন্টিৱেথ ৱাইফ, দা ফেষ্ট অব ৰ'জেছ শ্বেড' প্ৰিন্সছেছ। বিদেশী লেখক হেৰল্ড লেম্বে লিখি উলিয়াইছে নুৰ মহল আৰু এতিয়া আমাৰ সাহিত্যতো নৱতম সংযোজন হ'ল অনুপ মহন্তৰ 'নুৰজাহান'। অত্যন্ত সুন্দৰ আৰু অভিজাত ৰূপত প্ৰকাশ কৰা গ্ৰন্থখনত অৱশ্যে মোগল হেৰেমৰ ঈৰ্ষা, ৰাজনৈতিক 'দাৱ পেচ' যৌন বাসনাৰ দৰে অত্যন্ত 'ৰোমান্টিক মেটেৰিয়েল' থকা সত্বেও লেখকে তাৰ পুৰ্ণ সুযোগ গ্ৰহণ কৰিব পাৰিছে যেন নালাগিল। উদাহৰণস্বৰুপে 'সমগ্ৰ মোগল সাম্ৰাজ্য পৰ্দাৰ আঁৰৰ পৰা নুৰজাহানৰ মতে চলিছিল। জাহাংগীৰৰ বাহিৰেও দৰবাৰৰ অন্যান্য উচ্চপদস্থ বিষয়াই লাহে লাহে নুৰজাহানৰ কতৃত্ব মানি লোৱাটো ছাহজাহানে লক্ষ্য কৰিছিল। ইয়াত লেখকে কেৱল বৰ্ণনাকাৰী 'সঞ্জয়'ৰ ৰূপতহে অৱতীৰ্ণ হৈছে। ঔপন্যাসিকৰ ৰূপত নহয়। উপন্যাসখনতৰ আন কেতবোৰ ঠাই আছে য'ত লেখকে বুৰঞ্জীৰ গাত ভেজা দিও চমৎকাৰ 'খেল' দেখুৱাব পাৰিলেহেঁতেন। কাৰণ শ শ বছৰ ধৰি মানুহে জানি অহা বিষয় এটাক উপন্যাসৰ ৰূপত সজাবলৈ, পাঠকক নিৰ্বাক কৰি দিবলৈ ঔপন্যাসিক 'যাদুকৰ' হ'ব লাগিব। তথাপি এই কথা অনস্বীকাৰ্য যে অনুপ মহন্তৰ গ্ৰন্থখনে এলাগী হৈ অহা বুৰঞ্জীৰ দৰে সমৃদ্ধিশালী বিষয়ক পুনৰ নৱপ্ৰজন্মৰ হাতত তুলিছে। ভাষা-জাতিৰ এই সংকটকালত বুৰঞ্জীৰ পৰা আমাৰ শিকিবলগীয়া আছে।

**আমাৰ অসমঃ**

**(০৪/১১/২০১৮)**

**অন্য এক পৃথিৱী**
**লেখক - নগেন ভূঞা**
**প্ৰকাশক - পাঞ্জাবাৰী সাহিত্য সভা আৰু হেমদা প্ৰকাশন**
**আলোচক - ৰঞ্জন কুমাৰ চক্ৰৱৰ্তী**

'এজাক ধুমুহাৰ ক্ৰন্দন', 'পঙ্কৰূপা', 'নগ্ন প্ৰত্যয়', 'গোপন বেদনা', 'অদূৰত প্ৰিয়াৰ মুখ', 'লালৰিণৰ সোণালী কাৰেং', 'ব্যক্তি, সমাজ আৰু অৰ্থ-সংবাদ'সহ মুঠ ৮ খন ভিন্নৰসৰ গ্ৰন্থৰ ৰচক নগেন ভূঞাই সাহিত্যৰ পথাৰত প্ৰথম খোজ দিছিল ১২০ পৃষ্ঠাৰ এই উপন্যাসখনেৰে। অসম চৰকাৰৰ অতিৰিক্ত অৰ্থনীতি আৰু পৰিসংখ্যা সঞ্চালক হিচাপে অৱসৰ গ্ৰহণ কৰা নগেন ভূঞাই ১৯79 চনতে লিখি উলিয়াইছিল এই উপন্যাসখন। সেই সময়তে অসম সাহিত্য সভাৰ উপন্যাস প্ৰতিযোগিতাত যোগ্যতাৰ মানপত্ৰপ্ৰাপক এই উপন্যাসখনে চপা ৰূপ পাইছিল প্ৰায় ৭ বছৰ পাছত, ১৯৮৬ চনতহে। মাত্ৰ ছটা মাহতে উপন্যাসখনৰ প্ৰথম সংস্কৰণৰ ৩ হাজাৰ ক'পীয়েই বিক্ৰী হোৱাৰ তিনি দশক পাছত চলিত বৰ্ষৰ অক্টোবৰত সুন্দৰ পকাবন্ধাৰে প্ৰকাশ পায় দ্বিতীয় সংস্কৰণ। বিশ্বনাথ জিলাৰ গহপুৰৰ ভিতৰুৱা অঞ্চল কলাবাৰী গাঁৱৰ পটভূমিত ৰচিত এই উপন্যাসখন। কলাবাৰী গাঁওখনৰ দৈনন্দিন জীৱনৰ এখন চিত্ৰ উপস্থাপন কৰিছে। ঔপন্যাসিক ভূঞাৰ ওপজা ঠাই কলাবাৰী হৈছে তেওঁৰ শৈশৱ-কৈশোৰৰ বহু স্মৃতি বিজড়িত এক ইতিহাস। অসমৰ এই ভিতৰুৱা গাঁওখনৰ পৰাই তেওঁ সপোন দেখিছিল ভাৰত-ছোভিয়েট ৰাছিয়াৰ এক নিবিড় বন্ধুত্বৰ। এই বন্ধুত্ব উপন্যাসখনৰ মূল চৰিত্ৰদ্বয় পলাশ বৰুৱা আৰু ৰেক্সোনা টভস্কিৰ বৈবাহিক সম্পৰ্কৰে অধিক নিকপকপীয়া কৰি তুলিছিল। কলাবাৰী গাঁৱৰ পঠভূমিৰে আৰম্ভ কৰা এই উপন্যাসখনৰ সৰহসংখ্যক পৃষ্ঠাই দখল কৰি আছে ছোভিয়েট ৰাছিয়াৰ সমসাময়িক সামাজিক ঘটনাপ্ৰৱাহেৰে। অসমৰ বোৱাৰী ৰেক্সোনা টভস্কিয়ে সুদূৰ ৰাছিয়াতো নিজকে অসমীয়া হিচাপে পৰিচয় দিবলৈ কৃপণালি কৰা নাছিল। শিৰত সেন্দুৰ লৈ পাটৰ চাদৰ-মেখেলা পৰিধান কৰি গৌৰৱবোধ কৰা ৰেক্সোনাৰ অসমপ্ৰীতি ঔপন্যাসিক ভূঞাই অনন্য ৰূপত পৰিস্ফুট কৰি তুলিছে। মস্কো বিশ্ববিদ্যালয়ৰ ছাউণ্ড ইঞ্জিনিয়াৰিঙৰ স্নাতকোত্তৰ ডিগ্ৰীধাৰী ৰেক্সোনাই বিচাৰিছিল অসমৰ সমাজ জীৱনৰ সম্পৰ্কত গৱেষণা কৰিবলৈও।

**অমৃত মাধুৰী**
**লেখক - জ্ঞানচন্দ্ৰ দেৱগোস্বামী**
**প্ৰকাশকদ্বয় - নীলোৎপল গোস্বামী আৰু বনশ্ৰী গোস্বামী**
**আলোচক - মানস প্ৰতীম শৰ্মা**
**মূল্য - ২০০.০০ টকা**

'চতুৰ্বিংশতি অৱতাৰ' গ্ৰন্থৰ বাবে অসম সাহিত্যসভাৰ 'দুৰ্গাধৰ বৰকটকী' সন্মানেৰে বিভূষিত হোৱা শোণিতপুৰ জিলাৰ জামুগুৰিহাটৰ ঐতিহ্যমণ্ডিত শ্ৰীশ্ৰী কৰতীপাৰ (উত্তৰপাৰ) সত্ৰৰ অধিকাৰ তথা নামৰূপ সাৰ নিগম উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰী শিক্ষক জ্ঞান চন্দ্ৰ দেৱগোস্বামীৰ এখন সদ্যপ্ৰকাশিত বহুচৰ্চিত প্ৰৱন্ধসংকলন 'অমৃত মাধুৰী' তেজপুৰত উন্মোচিত হয়। বিগত তিনি দশক ধৰি নীৰৱে সাহিত্য চৰ্চা কৰি সম্প্ৰতি পৰিচিত হৈ পৰা গোস্বামীদেৱৰ পূৰ্বে প্ৰকাশিত আৰু অপ্ৰকাশিত মুঠ একুৰি বাৰটা প্ৰৱন্ধৰ একমাত্ৰ সংকলন 'অমৃত মাধুৰী'য়ে প্ৰকাশৰ লগে লগেই চৰ্চা লাভ কৰিছে। ১৮৮ পৃষ্ঠাৰ এই গ্ৰন্থখনত সন্নিৱিষ্ট প্ৰৱন্ধ

কেইটা প্ৰাচীন আখ্যান, তত্ব বিষয়ক, সাময়িক প্ৰৱন্ধ তথা জীৱনৰূপে চাৰি ভাগত বিভক্ত কৰা হৈছে।লেখকৰ পৰিপক্ক হাতৰ চাপ সুস্পষ্ট হোৱা প্ৰতিটো লেখাৰে বিষয়বস্তুৰ মান উচ্চ। প্ৰত্যেকতো লেখাতে তথ্যৰ ভিত্তিত লেখকে যুক্তিযুক্ততা প্ৰতিপন্ন কৰাৰ জৰিয়তে লেখক গোস্বামীদেৱে নিজৰ গভীৰ অধ্যয়নপুষ্ট তথা অভিজ্ঞতালব্ধ জীৱনৰ উমান দিছে। গ্ৰন্থখনৰ আগকথা লেখিছে ড° স্বাধীনতা মহন্তই। সংকলনটোৰ প্ৰাচীন আখ্যানৰ অন্তৰ্গত প্ৰৱন্ধৰাজিৰ প্ৰথম প্ৰৱন্ধ 'শ্ৰী শ্ৰী জগন্নাথ ক্ষেত্ৰ'ত লেখক গোস্বামীদেৱে তীৰ্থস্থান জগন্নাথ ক্ষেত্ৰৰ বৰ্ণনা আগবঢ়াইছে।

একেদৰে 'গীতাৰ বিশ্বৰূপ দৰ্শনযোগে', 'তুলসীৰ আখ্যান', 'যজ্ঞৰ প্ৰাসংগিকতা', 'দ্বাদশ জ্যোতিৰ্লিংগৰ আখ্যান', 'গীতা আৰু বেদৰ তাৎপৰ্য', 'পৱিত্ৰ আঁহত গছ' ইত্যাদি লেখা কেইটাত লেখকে নিৰ্দিষ্ট বিষয়ৰ ওপৰত সুন্দৰ বৰ্ণনা আগবঢ়াইছে। একেটা শিতানৰে 'হৰি হৰৰ মাজত ভিন্ন বুদ্ধি' নামৰ লেখাটোত শিৱৰ দ্বাৰা ভস্মাসুৰৰ বৰ প্ৰাপ্তি আৰু পৰৱৰ্তী সময়ত পৃথিৱীত অসুৰটোৱে সৃষ্টি কৰা অৰাজকতাৰ বৰ্ণনা কৰি পৰিশেষত ভগৱান শ্ৰীবিষ্ণুৰ দ্বাৰা পৃথিৱীবাসী আৰু স্বয়ং মহাদেৱ উদ্ধাৰ হোৱাৰ আখ্যান বৰ্ণনা কৰি লেখকে হৰি আৰু হৰ অৰ্থাৎ ভগৱান বিষ্ণু আৰু শিৱ এক আৰু অভিন্ন বুলি মন্তব্য কৰিছে।

**মৰিগাঁৱলৈ আহিবা**
**লেখক - দিগন্ত কুমাৰ বড়া**
**প্ৰকাশক - পূৰ্বায়ন প্ৰকাশন**
**আলোচক - অপূৰ্ব জোনাক দত্ত (৯৯৫৪৯৭৬৯১২)**
**মূল্য - ১০০.০০ টকা**

গ্ৰন্থখনৰ শিৰোনামত কাব্যিকতা প্ৰকাশ পাইছে যদিও কাব্য সংকলন নহয়। তাৰ বিপৰীতে মৰিগাঁৱৰ ঐতিহ্য, পৰম্পৰা, পৰ্যটনস্থলীসমূহকেলৈ ৰচিত ই এক তথ্যমূলক গ্ৰন্থ। আনহাতে, পৰ্যটকৰ আকৰ্ষণৰ কেন্দ্ৰবিন্দু হোৱা বাবে গ্ৰন্থখনক আমি নিমন্ত্ৰণী গ্ৰন্থ বুলিও অভিহিত কৰিব পাৰোঁ। পেছাত বিষয় শিক্ষক দিগন্ত কুমাৰ বড়া ভূগোলৰ ছাত্ৰ যদিও মৰিগাঁৱৰ কেৱল ভৌগলিক দিশকে সামৰি নাৰাখি গ্ৰন্থখনত জিলাখনৰ অৰ্থনীতি, সংস্কৃতি, ইতিহাস, লোকাচাৰ ভিন্ন দিশ বিস্তৃতভাৱে দাঙি ধৰিছে, য'ত অধ্যয়নৰতসকলৰ বাবে মৰিগাঁও সম্পৰ্কে জনাৰ অলেখ থল আছে।

গ্ৰন্থখনৰ আগকথা লিখিছে গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধ্যাপক ড° অৱনী কুমাৰ ভাগৱতীয়ে। পাতনিতে লেখক বড়াই মৰিগাঁৱলৈ আহিবা শীৰ্ষক কবিতাৰে পঢ়ুৱৈ সমাজক মৰিগাঁওৰ সম্পৰ্কে থুল-মূল ধাৰণা দিবলৈ প্ৰয়াস কৰিছে। গ্ৰন্থখনত লেখকে বৰ্তমানেও মৰিগাঁও জিলাৰ পৰম্পৰা ৰূপত বৰ্তি থকা জোনবিলৰ বিনিময় প্ৰথাৰ বজাৰখনৰ সম্পৰ্কে এক কাহিনীৰ মাধ্যমেৰে পঢ়ুৱৈ সমাজৰ আগত বৰ্ণনা কৰিছে। পাহাৰ-ভৈয়ামৰ সম্প্ৰীতিৰ থলী এই জোনবিল মিলাৰ লগতে মৰিগাঁও জিলাৰ অন্যতম পৰিচয়বাহক ম'হযুঁজৰ সম্পৰ্কেও পাঠকক পৰিচয় কৰাই দিছে। আনহাতে, সাংস্কৃতিক-লোকাচাৰৰ ক্ষেত্ৰত মৰিগাঁওৰ উল্লেখযোগ্য উৎসৱ সমূহ যেনে- গোসাঁই উলিওৱা উৎসৱ, তিৱাসকলৰ ছগ্ৰাচাল, ঐতিহ্যমণ্ডিত ত্ৰি-বাৰ্ষিক কমিটী ভাওনাৰ বিষয়েও গ্ৰন্থখনত বিস্তৃত ৰূপত সন্নিৱিষ্ট কৰা হৈছে। অকল সেয়াই নহয়- যাদু বুলিলে গোটেই দেশে জনা তথা মায়ঙৰ যাদুবিদ্যাৰ সম্পৰ্কেও গ্ৰন্থখনত লেখকে বিস্তৃত বিৱৰণ আগবঢ়াইছে। ইফালে, অসমীয়া সাহিত্যজগতৰ কাণ্ডাৰী লক্ষ্মীনাথ বেজবৰুৱা আৰু জগতগুৰু শংকৰদেৱৰ জন্মস্থান বিতৰ্কৰ সম্পৰ্কে উপযুক্ত তথ্যৰে পাঠকৰ আগত বিস্তৃত ৱাখ্যা আগবঢ়াইছে। সমান্তৰালকৈ মৰিগাঁৱৰ অন্যতম পৰ্যটনৰ স্থলী পবিতৰা অভয়াৰণ্য আৰু পৰ্যটনৰ প্ৰচুৰ সম্ভাৱনাময় ৰ'দ নপৰা গাঁও চনকা, সীতাজখলাৰ নৈসৰ্গিকতা, আমচৈৰ

নৈসৰ্গিকতা, চাৰণবিল, গৰংগা মন্দিৰ, গণেশ মন্দিৰ, কইনা কন্দা শিলৰ বিষয়েও পাঠক সমাজক তথ্যসহকাৰে পৰিচয় কৰাই দিয়াৰ প্ৰয়াস কৰিছে।

লেখকে নিজৰ জন্ম জিলাখনৰ সমুহ সম্পদ আৰু সম্ভাৱনাক গ্ৰন্থৰ মাধ্যমেৰে অৱগত কৰাৰ চেষ্টা কৰিছে। তেখেতৰ কলমত থেকেৰাগুৰিৰ ডাবৰ পানীও বাদ পৰা নাই। আনহাতে নলাগে, মৰিগাঁৱৰ চৰ-চাপৰিৰ দুখ-সুখ সকলু সামৰি মৰিগাঁৱক পুনৰ এবাৰ পৰিচয় দিয়াৰ আপ্ৰাণ চেষ্টা কৰিছে। গ্ৰন্থখনৰ শেষৰ ফালে মানচিত্ৰসহ মৰিগাঁৱৰ বিভিন্ন তথ্য সন্নিৱিষ্ট কৰাৰ লগতে আলোকচিত্ৰও সংযোজন কৰিছে। মুঠৰ ওপৰত মৰিগাঁৱৰ সকলো দিশ সামৰি এই গ্ৰন্থখন মৰিগাঁৱবাসীৰ বাবে এক তথ্যসম্বলিত দলিল বুলি ক'লেও বঢ়াই কোৱা নহ'ব। গ্ৰন্থখন প্ৰকাশৰ দুমাহ নহৌওঁতেই বজাৰলৈ দ্বিতীয় সংস্কৰণ অহাটোৱে গ্ৰন্থখনলৈ পাঠকৰ সঁহাৰি যে আশাপ্ৰদ তাকে সুচাইছে।

**গুণাকৰ গুণ মহন্ত**
**সম্পাদনা - শৈলেন শইকীয়া**
**আলোচক - মনোৰঞ্জন কলিতা**

যশস্বী অভিনেতা, গীতিকাৰ, কবি, নাট্যকৰ্মী আৰু সমাজকৰ্মী গুণ মহন্তই কেইবাদশকজুৰি অসংখ্য মঞ্চনাটক, চলচ্চিত্ৰ, দূৰদৰ্শনৰ ধাৰাবাহিক, ভিডিঅ' ছবি আদিত মননশীল অভিনয়েৰে দৰ্শকক মোহাচ্ছন্ন কৰিছিল। এইগৰাকী বহুমুখী প্ৰতিভাধৰ শিল্পীৰ চলিত বৰ্ষৰ ২৭ আগষ্টত মৃত্যু হয়। তেওঁৰ প্ৰতি শ্ৰদ্ধা জনাই এই কিতাপখন প্ৰকাশ কৰা হৈছে। গ্ৰন্থখনত শিল্পী, সাহিত্যিক, সমাজকৰ্মীগৰাকীৰ জীৱনৰ বিভিন্ন দিশ সামৰি অসমৰ কেইবাগৰাকীও প্ৰথিতযশা-জনপ্ৰিয় শিল্পী, সাহিত্যিক আৰু সাংবাদিকে লিখা লেখা সংকলিত কৰিছে। গ্ৰন্থখনত সংকলিত লেখাসমূহে গুণ মহন্তৰ কৰ্মৰাজিৰ আভাস দিছে।

**মহানায়ক লাচিত বৰফুকন**
**লেখক - ডং জগদীন্দ্ৰ ৰায়চৌধৰী**
**আলোচক - নুৰুল হক আহমেদ**

জগদীন্দ্ৰ ৰায়চৌধৰীৰ শাহতীয়া গ্ৰন্থ 'মহানায়ক লাচিত বৰফুকন' লাচিত বৰফুকনৰ জীৱনৰ পটভূমিত ৰচিত এখন উপন্যাস। উপন্যাসখনৰ জৰিয়তে লাচিতবৰফুকনৰ যি দেশপ্ৰেম, বিচক্ষণতা, একাগ্ৰতা, কষ্টসহিষ্ণুতা, ৰাজধৰ্ম পালনৰ যি মানসিকতা, নিজৰ ব্যক্তিত্ব যে আনক উদ্বুদ্ধ কৰা ইত্যাদিৰ বাবে বীৰ নায়কৰ পৰা মহানায়কলৈ ৰূপান্তৰিত হৈছিল। লাচিত বৰফুকনক আমি বীৰ যোদ্ধা হিচাপেহে জানো কিন্তু এই গৰাকী বীৰত্বৰ বাহিৰেও অনেক গুণৰ অধিকাৰী আছিল।

এই উপন্যাসৰ মাজেৰে লেখকে লাচিত বৰফুকনৰ প্ৰাথমিক চৰিত্ৰ গঠনৰ ক্ষেত্ৰত তেওঁৰ দেউতাক মোমাই তামুলী বৰবৰুৱাৰ কথা বৰ্ণনা কৰিছে। মোমাই তমুলীৰ প্ৰকৃত নাম আছিল শুকুতি। শুকুতিৰ আৰ্থিক অৱস্থা অতি শোচনীয় হোৱা বাবে ভাগিনীয়েকে নিজৰ ঘৰলৈ আনি মোমায়েকক খেতিডৰা চম্ভালিবলৈ কৈছিল। মোমায়েকে খেতিৰ কাম ইমানেই নিয়াৰিকৈ কৰিছিল যে সেই সময়ৰ স্বৰ্গদেউ প্ৰতাপসিংহৰ চকুত ধৰা পৰিছিল। প্ৰতাপসিংহই শুকুতিৰ ৰাজকাৰেঙলৈ মাতি নি হাঁচতিধৰা কৰি ৰখা সময়ত স্বৰ্গদেৱে ভাত খোৱাৰ পাছত তামোল আদি যতনাই দিয়া বাবে প্ৰথমতে তামোলৰ বাগিচাত 'তামোলি' আৰু পাছলৈ 'বৰতামোলী'লৈ উন্নতি কৰিছিল। পাছলৈ গৈ মোমাই তামুলী বৰবৰুৱাৰূপে বিখ্যাত হৈছিল। মোমাই তামুলী বৰবৰুৱা ইমানেই

বিচক্ষণ আছিল যে কি ৰাজনীতি, কি কূটনীতি, কি সমাজনীতি সকলো বিষয়তে পাৰদৰ্শিতা দেখুৱাবলৈ সক্ষম হোৱাৰ উপৰি দেশপ্ৰেমৰ যি নিদৰ্শন প্ৰকাশ কৰিছিল, সেই সকলো চৰিত্ৰই আকৰ্শিত কৰিছিল লাচিত বৰফুকনক। লাচিত বৰফুকন যি চৰিত্ৰ অংকিত হৈছে, সেইয়া একমাত্ৰ দেউতাকৰ বাবে হৈছিল। কিয়নো সৰুৰে পৰাই দেউতাকৰ সান্নিধ্যৰ বাবে বিভিন্ন কথাৰ আভাস পাইছিল।

মীৰজমুলাৰ অসম আক্ৰমণৰ প্ৰত্যক্ষদৰ্শী আছিল লাচিত বৰফুকন। কিদৰে মীৰজমুলাই কোনো বাধা নোপোৱাকৈ আহি গড়গাঁৱৰ ৰাজকাৰেং দখল কৰি আড়ম্বৰেৰে সময় কটাইছিল, সেইয়া এই উপন্যাসখনৰ মাজেৰে সুন্দৰকৈ অংকিত হৈছে যদিও ছেগ বুজি অসমীয়া সৈন্যই মোগলৰ বহু সৈন্যক নগুৰ-নাগতি কৰি মৃত্যু মুখত পেলাইছিল, তথাপি মোগলৰ সৈন্যৰ সন্মুখত তিষ্ঠিব পৰা নাছিল। মীৰজমুলাই কৰা চুক্তিত ধন, সোণ, আন আন সা-সম্পত্তিৰ লগত ৰজাৰ অতি মৰমৰ জীয়ৰী ৰমণী গাভৰুক লৈ যোৱাৰ যি দৃশ্য দেখিছিল, তাত অতিকৈ মৰ্মাহত হৈছিল লাচিত বৰফুকন। সেইদিনাই প্ৰতিজ্ঞাবদ্ধ হৈছিল অসমৰ গৌৰৱ পুনৰ উদ্ধাৰ কৰাৰ উদ্দেশ্যে। দেউতাকৰ মৃত্যুৰ পাছত দোপতদোপে আগুৱাই গৈছিল নিজৰ দক্ষতা প্ৰদৰ্শন কৰি আৰু সেনাপতি পদত অধিষ্ঠিত হৈছিল। লাচিত বৰফুকন আৰু প্ৰধান মন্ত্ৰী আতন বুৰহাগোহাগ্ৰিৰ মাজত থকা সু-সম্পৰ্কই কিদৰে সকলো বাধা-বিঘিনি নেওচি লগতে যুদ্ধৰ বাবে সমৰসজ্জা তৈয়াৰ কৰিছিল, সেইয়া উপন্যাসখনৰ মাজেৰে অতি নিখুঁতভাৱে বৰ্ণিত হৈছে। দুয়োজনে আলোচনা কৰি পানীৰ মাজেৰে শৰাইঘাট ৰণৰ যি পৰিকল্পনা কৰিছিল, মোগল সেনাপতি ৰামসিংহয়ো কোনো ফালৰ পৰা তৰ্কিব পৰা নাছিল। বিভিন্ন প্ৰকাৰৰ প্ৰলোভন, কূটনীতি প্ৰয়োগ কৰি কোনোপধ্যে ৰামসিংহই লাচিতক বলে নোৱাৰিলে। এইক্ষেত্ৰত একাংশ লোকে স্বৰ্গদেউক ভূল কথাৰে প্ৰৰোচিত কৰাৰ সময়ত আতন বৰগোহাগ্ৰিয়ে কিদৰে স্বৰ্গদেউক লাচিতৰ নিষ্ঠাৰ প্ৰতি শলাগিছিল আৰু লাচিতক মানসিকভাৱে পুনৰ উদ্বুদ্ধ কৰিছিল, সেইয়া সুন্দৰভাৱে ফুটাই তুলিছে এই উপন্যাসৰ জৰিয়তে।

মহানায়ক লাচিত বৰফুকন উপন্যাসখনৰ জৰিয়তে লেখকে লাচিতৰ চৰিত্ৰৰ লগত গোটেই অসমৰ চিত্ৰ অংকন কৰিছে, সেইয়া অতি মনোগাহী হৈছে আৰু নৱপ্ৰজন্মৰ মাজত লাচিতৰ চৰিত্ৰ অধ্যয়ন কৰি দেশবাসীৰ হকে কিদৰে সেৱা আগবঢ়াব লাগে, সেয়া সহজসাধ্য কৰি তুলিছে।

**(১১/১১/২০১৮)**

**আধাফুটা**
**লেখক - কৌশিক কিশলয়**
**আলোচক - ধীমান বৰ্মন (৮৬৩৮৫৪৬৭৪৬)**
**প্ৰকাশক - পাঞ্চজন্য প্ৰকাশন**

বৰ্তমান অসমীয়া কাব্য জগতৰ অস্থিৰ পৰিৱেশৰ মাজত যিকেইজন অসমীয়া তৰুণ কবিৰ হাতত কবিতা সুৰক্ষিত বুলি ধাৰণা কৰিব পাৰি, তাৰ ভিতৰত কৌশিক কিশলয় অন্যতম। 'আধাফুটা' – কৌশিকৰ প্ৰথম কাব্যগ্ৰন্থ। কৌশিকৰ কবিতাত বিমূৰ্ত্ততা আৰু নাটকীয়তাৰ যুগলবন্দী দেখা যায় যদিও কবিয়ে চেতনাৰ জগত এখন পাঠকক উপহাৰ দিয়াৰ ক্ষেত্ৰত দক্ষতা দেখুৱা পৰিলক্ষিত হয়।

দৰ্দান্ত ৰাতিৰ কবিতাত আমি কৌশিকৰ সামাজিক সচেতনতা উপলব্ধি কৰিব পৰোঁ। কিন্তু সামাজিক দায়বদ্ধতা দেখুওৱাৰ ক্ষেত্ৰত কৌশিক শ্লোগানধৰ্মিতাৰ আশ্ৰয় লোৱা নাই অথবা নান্দনিকতাক লৈ আপোচ কৰা নাই। কোনো নাৰীয়েই সহ্য কৰিব নোৱাৰে সেই দুৰ্দান্ত ৰাতিবোৰ আৰু বুট জোটাৰ চিকমিকনি।

কৌশিকৰ কবিতাৰ গঠনত আমি নেৰেটিভৰ পৰিৱৰ্তে অসংলগ্ন শাৰীৰ সমষ্টিৰে চেতনাক আলোড়িত কৰিব পৰা এক টেকনিক দেখো - অৱচেতনৰ দৰে আৰু কি আছে শৰীৰৰ/ শৰীৰত চেতনাই দিছে যন্ত্ৰণা আৰু সমুদ্ৰ নীৰৱ গভীৰতা। (যাদুমায়া)। কবি এজনৰ বাবে এনেধৰণৰ সম্পৰীক্ষা কোনো দোষণীয় বিষয় নহয়। কাৰণ, সম্পৰীক্ষাইহে কৰিব বাবে নতুন দিগন্তৰ বাট কাটিব।

কিছু দূৰ একেৰেখীয়া হ'লেও কৌশিকে প্ৰতিটো কবিতাতে এক পৃথক কাহিনীৰ কথক হ'বলৈ প্ৰশংসনীয় প্ৰচেষ্টা কৰিছে। কাহিনীৰ কিছু অংশ বাস্তৱৰ আৰু কিছু চেতনাৰ। বাস্তৱ আৰু চেতনাৰ মিশ্ৰণে কবিতাবোৰক এক বিশেষ মাত্ৰা দিছে। মই ভাবিছোঁ- এদিন যেতিয়া বয়স হ'ব, মনটো খহি পৰিব আৰু ৰঙা তেজবোৰো শুকাই যাব।

'কৃষ্ণবৰ্ণ মেঘৰ দৰে' কবিতাত মৃত্যু চেতনা আৰু বিষণ্ণতা পঢ়িলোঁ। বিষণ্ণতাৰ বোধেই কবিতাৰ শাৰীবোৰ উঠি অহাত সহায় কৰে। এই কবিৰ কবিতাই দিগন্ত চুব পাৰিব বুলি 'আধাফুটা' পঢ়ি আমাৰ অনুভৱ হৈছে।

**তুমি হালধীয়া হ'লা**
**লেখক - অপূৰ্ব দত্ত**
**প্ৰকাশক - প্ৰাগজ্যোতিকা কাব্য কানন, গোলাঘাট**
**আলোচক - মুকুল শৰ্মা (৮৮২২২৫৫৩৮৫)**

ব্যক্তিয়ে নিজৰ অন্তৰৰ আৱেগ-অনুভূতি, চিন্তা, ভাৱনা, অভিজ্ঞতা, প্ৰেম, প্ৰকৃতি, সুখ, আশা, নিৰাশা আদি ছন্দোবদ্ধভাৱে প্ৰকাশৰ বাবে প্ৰয়াস কৰে আৰু তেতিয়াই জন্ম হয় কবিতাৰ। প্ৰকাশৰ প্ৰাচীন শ্ৰেষ্ঠ মাধ্যম হিচাপে কবিতাকে ব্যৱহাৰ কৰি আহিছে।

ফৰকাটিং মহাবিদ্যালয়ৰ অধ্যাপক অপূৰ্ব দত্তৰ কাব্য সংকলন 'তুমি হালধীয়া হ'লা । কবিতাসমূহৰ প্ৰায়বোৰ বিমূৰ্তধৰ্মী আধুনিক অসমীয়া কবিতা। সংকলনটোত সমাহাৰ ঘটিছে ভিন্ন স্বাদৰ বিভিন্ন সুৰৰ ৩৭টা কবিতা, কবিৰ মনৰ সুখ, দুখ, হৰ্ষ, বিষাদ, আশা, নিৰাশা, আৱেগ, অনুভূতি সূক্ষ্ম পৰ্যবেক্ষণ, সামাজিক জীৱনৰ বিভিন্ন ঘটনা আদিৰ চিত্ৰকল্প প্ৰয়োগ বৰ সুন্দৰভাৱে উপস্থাপন ঘটিছে। সহজ-সৰল বাক্যভংগী প্ৰয়োগ কৰিছে কবিতাসমূহত। কবিৰ পৰিস্থিতি উদ্ভাৱন কৌশল অতি সুন্দৰ। এটা সাধাৰণ বিষয়বস্তুৰ অসাধাৰণ গুণবোৰ কবিয়ে নিজা স্বকীয় কাব্যশিল্প আৰু নিজা দৃষ্টিভংগীৰে প্ৰকাশ কৰিছে। কবি এজন চিত্ৰশিল্পী।

কাব্য সংকলনখনৰ শিৰোনাম শীৰ্ষক কবিতা 'তুমি হালধীয়া হ'লা' কবিতাটোত কবিৰ প্ৰেয়সীৰ কথাত নৈৰ সোঁতত এটা ঘৰ সাজিলে অৰ্থাৎ কল্পনাৰ পৃথিৱীত। এই পৃথিৱীখন সেউজীয়া ৰঙীন। কিন্তু কবিৰ সেউজীয়া পৃথিৱীখনৰ কল্পনাৰ ৰাণীগৰাকী হালধীয়া হ'ল। সেই নৈৰ ঘাটবোৰত তেওঁৰ হাঁহিহে মাথোন থাকি গ'ল।

'আঁউসীৰ ৰাতি এটা' কাব্য সংকলনখনৰ আন এটা বৰ সুন্দৰ কবিতা। কবিতাটোত কবিয়ে পৃথিৱীয়ে আকৌ প্ৰসৱ কৰিব আঁউসীৰ ৰাতি এটা বুলি পৃথিৱীৰ দুখ, বেদনা, স্পষ্ট ৰূপত শব্দ ছন্দৰে অতি সুন্দৰকৈ প্ৰকাশ কৰিছে।

'লাজ' কবিতাটোত গুৱাহাটীৰ বেলতলাত লক্ষী ওৰাং নামৰ নাৰীগৰাকী আধুনিক সভ্য সমাজৰ মানুহে কিদৰে শাৰীৰিকভাৱে নিৰ্যাতন কৰিছিল এক সুন্দৰ ছবি প্ৰকাশ কৰিছে। এবুকু সেউজীয়াৰ পৰা গুণগুণাই/ ৰাতিবোৰ আহিছিল/ অশ্লীল হাতবোৰে/ আঁজুৰি কাঢ়িলে সমস্ত লাজ/ আকাশত মুখ ঢাকি/ কলঘৰে উচুপিছিল/ গছবোৰ তিতিছিল।

বাৰ্ধক্যৰ দিনলিপি- মানৱ জীৱনৰ শেষ সময়ৰ এক সুন্দৰ প্ৰতিচ্ছবি প্ৰতিফলিত হৈছে। পুৰণি অভ্যাসবোৰ সলনি হৈছে/ খোজ থৰক-বৰক/ কথা লৰক-ফৰক/ হাতৰ আঙুলিত শব্দ বিমুখ/ চিনাকি মানুহৰ কন্ঠত/ অৱহেলিত কলিজা ভঙা বক্যৰ দ্ৰুতি। কাব্যগ্ৰন্থখনত প্ৰকাশ হোৱা কবিয়ে নিজে অঁকা সাতখন সুন্দৰ ছবিয়ে এক সুকীয়া আসন লাভ কৰিছে।

**তাই আজি ৰাধা হ'ব খোজে**
**লেখিকা - বনশ্ৰী দত্ত**
**আলোচক - অঞ্জনা বৰঠাকুৰ**

সুস্পষ্ট শব্দৰ সমাহাৰ আৰু অন্তৰ্নিহিত হৈ থকা ভাবে পাঠকৰ হৃদয় স্পৰ্শ কৰিব পৰাকৈ কবিতাৰ পুথিখনত একুৰি কবিতা সন্নৱিষ্ট হৈছে। সাধাৰণ মানুহৰ ত্যাগ, দুখ-বেদনা উপলব্ধি কৰিয়েই 'আহ্বান-বুৰঞ্জীবিদলৈ' নামৰ কবিতাৰ সৃষ্টি। 'অপৰাহ্নিক' নামৰ কবিতটোত প্ৰৱাসী হোৱাজনেও এটা সময়ত আপোন মানুহ আৰু জন্মভুমিৰ মাটিৰ স্পৰ্শ বিচাৰি হাঁহাকাৰ কৰাৰ ভাব সুন্দৰকৈ প্ৰকাশ পাইছে। নাৰী মনক হৃদয়েৰে অনুভৱ কৰিব পৰাৰ বাবেই নাৰীমনৰ অব্যক্ত অনুভূতিখিনি দুটিমান কবিতাত সুন্দৰকৈ ফুটি উঠিছে। 'ভালপাওঁ সেউজীয়া হাঁহিবোৰ'ত বাগিচাৰ চঞ্চলা গাভৰুহঁতৰ ৰং-ধেমালিৰ মাজতো কোনো কৃত্ৰিমতাই চুব নোপোৱাৰ বাবে হাঁহি হাঁহি সুখত আদিৰ লোৱাৰ লগে লগে দুখ-বেদনাৰ উপলব্ধিও সাৱলীলভাৱে প্ৰকাশ পাইছে। নতুন বছৰৰ আগমনত ৰাজনীতিক,বুদ্ধিজীৱী, শিল্পীসকলে কৰা সংকল্প আৰু পৰিকল্পনাৰ কথাখিনি দিন বাগৰাৰ লগে লগে সকলো আশা ধোঁৱাৰ দৰে উৰি যায় বুলি কৰা আক্ষেপখিনি 'অগ্নিপৰীক্ষা' নামৰ কবিতাটোত স্পষ্টকৈ ফুটি উঠিছে।

**(১৮/১১/২০১৮)**

**সংস্কৃতি আৰু সংঘাত**
**সম্পাদনা - ৰাজু বৰুৱা**
**আলোচক - ড° ভূপেন শইকীয়া**
**মূল্য - ১০০.০০ টকা**

কাব্যলোচনী 'প্ৰয়াস'ৰ সম্পাদক ৰাজু বৰুৱা । 'ৰ'দালি প্ৰেমৰ কবিতা', 'সূৰ্যমুখী', সুদিন সম্ভাৱনা', ৰাতিফুটা দিনবোৰ'কে ধৰি প্ৰৱন্ধ সংকলন, উপন্যাস আৰু জীৱনীমূলক সোতৰখন গ্ৰন্থ ইতিমধ্যে প্ৰকাশ পাইছে। ৰাজু বৰুৱাৰ সম্পাদকীয় সংকলন 'সংস্কৃতি আৰু সংঘাত' । ২০০৪ চনৰে পৰা নিয়মীয়াকৈ প্ৰকাশ হৈ থকা ' প্ৰয়াস' কাব্যলোচনীৰ উনৈছটা সম্পাদকীয় আৰু পৰিশিষ্টত ছগৰাকী মহান শিল্পীলৈ জ্ঞাপন কৰা শ্ৰদ্ধাঞ্জলি 'সংস্কৃতি আৰু সংঘাত'ত সংযোজিত হৈছে।

সংকলনখনত সন্নিৱিষ্ট বেছিখিনি সম্পাদকীয়েই সংস্কৃতিবিষয়ক। 'বজাৰ সংস্কৃতিৰ বিৰুদ্ধে', সংস্কৃতিৰ সংকট আৰু প্ৰগতিশীল সংস্কৃতি', সংস্কৃতিৰ সমস্যা আৰু কৰ্তব্য', 'বৰ্তমান সময়ত নতুন সামাজিক-সংস্কৃতিক ঐক্যৰ প্ৰয়োজন', 'সাংস্কৃতিক অৱক্ষয় আৰু আমাৰ কৰণীয়', 'দেশৰ বহুত্ববাদ সংস্কৃতিৰ বিশিষ্টতাক ৰক্ষা কৰিব লাগিব', 'আমাৰ স্বকীয় ঐতিহ্য, সংস্কৃতিক সুৰক্ষিত কৰিব লাগিব' শিৰোনামৰে সংস্কৃতিৰ বিভিন্ন দিশত আলোকপাত কৰিছে। বিশ্বায়নৰ পৰৱৰ্তী সময়ত ক্ষুদ্ৰ জাতিসত্তাৰ অস্তিত্বলৈ যি সংকট আহিছে; থলুৱা সংস্কৃতিৰ যি বিপদ আহিছে, তেনে সময়ত 'সংস্কৃতি আৰু সংঘাট' সংকলনখনে সমস্যাক অনুধাৱন কৰাত

যথেষ্ট সহায় কৰিব। স্বকীয় ঐতিহ্য আৰু সংস্কৃতিক সুৰক্ষিত কৰাৰ ক্ষেত্ৰত এটা সম্পাদকীয়ত লিখিছে– “সংস্কৃতিৰ স্বকীয়তাক তল পেলাই এতিয়া সৰ্বভাৰতীয় সংস্কৃতি জাপ দিব বিচৰা হৈছে। ‘সংস্কৃতিক ৰাষ্ট্ৰীয়তাবাদ’, ‘অখণ্ড মানৱতা’, ‘একাত্ম ভাৰতীয়বাদ’ ইত্যাদিৰ নামত আমাৰ স্বকীয় সাংস্কৃতিক ঐতিহ্যক কুঠাৰাঘাট কৰিব বিচাৰিছে। আনকি অসমীয়া জাতি ‘এক হিন্দু জাতি’ বুলি দাঙি ধৰি অসমীয়া জাতি গঢ়ি উঠাৰ সমগ্ৰ প্ৰক্ৰিয়াটোক নাকচ কৰাৰ প্ৰচেষ্টা চলিব ধৰিছে। সংস্কৃত বিষয়টোক বাধ্যতামূলক কৰা, দীনদয়াল উপাধ্যায়ৰ নামত মহাবিদ্যালয় স্থাপন কৰিবলৈ চেষ্টা কৰা, ধৰ্মীয় অসহিষ্ণুতা বিয়পাই দিবলৈ বিচৰা, লগতে যুক্তি, বিজ্ঞান মনস্কতাৰ বিপৰীতে কৌটিকলীয়া আচাৰ-নীতিত পুনৰ সাৰ-পানী যোগোৱা, যিকোনো উন্নয়নমূলক কামৰ শুভাৰম্ভণ ভূমি পূজনৰে কৰা আদি কথা-কাম হৈছে তথাকথিত সৰ্বভাৰতীয় সাংস্কৃতিক আধিপত্য বিস্তাৰৰ প্ৰয়াস। সংকলনখনত কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা, নটসূৰ্য ফণী শৰ্মা, বাটৰ নাটৰ স্ৰষ্টা হবিব তনবীৰ আৰু ৰূপান্তৰৰ প্ৰতীক অনিল কুমাৰ বৰুৱাৰ বিষয়ে পাঁচটা সম্পাদকীয় আছে। ইয়াৰ উপৰি পৰিশিষ্টত কবি, গীতকাৰ তথা অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ড° নিৰ্মলপ্ৰভা বৰদলৈ, আবৃত্তি শিল্পক আধুনিক তথা জনপ্ৰিয় ৰূপ দিয়া অধিবক্তা প্ৰণৱ বৰা, সুধাকণ্ঠ ড° ভূপেন হাজৰিকা, জ্ঞানপীঠ বটাঁপ্ৰাপক মামণি ৰয়ছম গোস্বামী, গণশিল্পী হেমাংগ বিশ্বাসৰ প্ৰতি শ্ৰদ্ধাৰ্ঘ্যৰ লগতে শিল্পী ৰবিৰাম ব্ৰহ্মৰ এটি চুটি প্ৰৱন্ধ প্ৰকাশ পাইছে।

**আঙুলি**
**লেখক - দেৱৰাজ মিলি**
**প্ৰকাশক - অলম্পীয়া প্ৰকাশন**
**আলোচক - বিদিশা বুঢ়াগোহাঞি**
**মূল্য - ৭০.০০ টকা**

পেছাত হোজাই মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ সহকাৰী অধ্যাপক দেৱৰাজ মিলিৰ প্ৰথমখন কাব্য সংকলন হৈছে ‘আঙুলি’। সংকলনখনত ইতিপূৰ্বে বিভিন্ন কাকত-আলোচনীত প্ৰকাশিত মিলিৰ মুঠ ২৭টা কবিতা সন্নিৱিষ্ট কৰা হৈছে। এই কবিতাসমূহৰ বেছিভাগেই ২০০৪ৰ পৰা ২০০৮ চনৰ ভিতৰত লিখা বুলি কবিয়ে পাতনিত উল্লেখ কৰিছে।

‘আঙুলি’ত সন্নিৱিষ্ট ভালেকেইটা কবিতাতে কবিৰ ব্যক্তিগত জীৱনৰ অনুৰণৰ শূনা যায়। পাছে বিষয়বস্তুৰ সাৰ্বজনীনতাৰ লগতে ভাবৰ সংবেদনশীলতাই এই কবিতাসমূহক এক নৈৰ্ব্যক্তিক ৰূপ প্ৰদান কৰিছে। উদাহৰণস্বৰূপে– ‘আঙুলি’, ‘এটা গাঁৱলীয়া সপোন’, ‘এতিয়াচোন বিচাৰিকে নাপাওঁ’ আদি কবিতাসমূহলৈ মন কৰিব পাৰি– ‘ধুনীয়া মানেই আঙুলি নহয়/ এই ধৰক মাৰ আঙুলি/জেতুকা সপোনত উৰঁলি যোৱা/ বছৰৰ বাৰিষাত বোকাত ভুঁই ৰোৱা/ মাৰ আঙুলি/ কঁহে ধৰা শোটোৰা পৰা’ (আঙুলি,পৃষ্ঠা-১৫)। ‘টলকিবই নোৱাৰিলোঁ পিতাই/ তোৰ কান্ধৰ পৰা ভুৰুংকৈ উৰি/ কেতিয়াকৈ পালোঁহি এইখিনি/ এতিয়াচোন আবেলিৰ বালি’।

মাটি আৰু মানুহৰ প্ৰতি আছে কবিৰ অপৰিসীম ভালপোৱা। এই ভালপোৱা তেওঁৰ কবিতাৰ মাজেৰে স্পষ্ট ৰূপত প্ৰতিভাত হৈছে। সমান্তৰালভাৱে গ্ৰাম্যজীৱনত আৰু প্ৰকৃতিয়েও মিলিৰ কবিতাত বিশেষ স্থান অধিকাৰ কৰি আছে। যেনে– ‘বুকু জুৰোৱা গীতবোৰ মানুহৰ বুকু জুৰি বৈ থকা নিৰৱধি নৈ/ আপোন গাঁও আপোন মাটি/ আপোন দেশ আপোন জাতি/ আপোন মাত- মাত কথা/ নজহা-নপমা গীত/ শাওণৰ আকাশৰ দোপালপিটা বৰষুণ/ আঘোণৰ পথাৰৰ সোণোৱালী ৰ’দ/ চহা প্ৰাণৰ বুকু জুৰোৱা গান’ (বুকু জুৰোৱা গীত ।

কবি তথা সমালোচক জ্ঞান পূজাৰীয়ে 'আঙুলি'ত সন্নিৱিষ্ট 'ৰাওনমুখ' কবিতাটোৰ বিষয়ে এনেদৰে মন্তব্য কৰিছে- 'মিলিৰ 'ৰাওনমুখ' কবিতাটোত মাটি আৰু মানুহৰ প্ৰতি অসীম ভালপোৱা অভিনৱ ভাষাত ফুটি উঠিছে- মাটি/ আৰু/ মানুহ/ তোৰ ধুলিয়ৰি বাটেৰেই বুটলিব শিকিছোঁ/ লেছেৰি/ জীৱনৰ ৰ'দ বৰষুণ।' (পাতনি, 'নৈপৰীয়া মানুহ', সম্পাঃ ৰূপকোঁৱৰ মিলি, ২০১০ ।

মিচিং সমাজত লালিত-পালিত হৈ ডাঙৰ-দীঘল হোৱা মিলিৰ কবিতাসমূহত স্বাভাৱিকতে কেতবোৰ মিচিং শব্দৰ লগতে মিচিং লোকগীতৰ কলিৰো স্বচ্ছন্দ প্ৰয়োগ ঘটিছে। অৱশ্যে কবিতাসমূহৰ অন্তত এইবোৰৰ ভাবাৰ্থও কবিয়ে সংযোগ কৰিছে। এনে প্ৰয়োগে কবিতাসমূহ মনোগ্ৰাহী কৰি তুলিছে।

**চিঞৰ**
**লেখক - সঞ্জীৱ সাগৰ দাস**
**আলোচক - অনামিকা প্ৰিয়ম**
**প্ৰকাশক - অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ, বজালী জিলা সমিতি**
**মূল্য - ৩০.০০ টকা**

বৰপেটা জিলাৰ ভৱানীপুৰৰ যুৱ কবি, সাহিত্যিক সঞ্জীৱ সাগৰ দাসৰ কব্য সংকলন 'চিঞৰ' পঢ়ি আপ্লুত হ'লো। বহু বছৰ ধৰি সাহিত্যচৰ্চা কৰি অহা সঞ্জীৱ সাগৰ দাসে অসমৰ বিভিন্ন কাকত- আলোচনীত নিজৰ অনুভৱক প্ৰকাশ কৰি আহিছে। তেওঁৰ কাব্য সংকলন 'চিঞৰ' যেন কেৱল তেওঁৰে চিঞৰ নহয়, ইয়াত সন্নৱিষ্ট প্ৰতিটো কবিতাতেই যেন সোমাই আছে আমাৰ সকলোৰে মনৰ চিঞৰ। নিঃসংগ ব্যক্তিসকলৰ চিঞৰ, দুৰ্দান্ত প্ৰেমিকৰ চিঞৰ, আত্মহত্যাৰ পথত নমাসকলৰ চিঞৰ, দুখী ব্যক্তিৰ চিঞৰ আদিক প্ৰকাশ কৰিবলৈ চেষ্টা কৰিছে কবিয়ে।

**২৫/১১/২০১৮**

**স্বৰ্ণকন্যা হিমা দাস**
**লেখক - যুগললোচন দাস**
**প্ৰকাশক - ৰেখা প্ৰকাশন**
**আলোচক - ৰুবুল কান্তি ৰয়**

হিমা দাস- নামেই এতিয়া পৰিচয় হৈ পৰিছে। বিশ্বৰ এথলেটিকছৰ শেহতীয়া চাঞ্চল্য তথা বিস্ময়বালিকা হিচাপে খ্যাত হৈ পৰা নগাঁৱৰ ধিঙৰ কান্দুলিমাৰীৰ ১৮ বছৰীয়া হিমা দাসৰ ৰোমাঞ্চকৰ উত্থান, সংগ্ৰাম, সাধনা, পৰিশ্ৰম, সাফল্যৰ আধাৰত ৰচনা কৰা হৈছে এই গ্ৰন্থখন। অন্যান্য সাহিত্য ৰচনাৰ লগতে ক্ৰীড়া সাহিত্যতো দখল থকা বন্ধুবৰ তথা লেখক দাসে ইতিমধ্যে ১৫ খনৰঅধিক ক্ৰীড়াভিত্তিক গ্ৰন্থ লিখি উলিয়াইছে। এই গ্ৰন্থখনত 'ধিং এক্সপ্ৰেছ' হিমা দাসৰ বিশ্বমুখী যাত্ৰাৰ পাতনি মেলি তেওঁৰ জন্ম, শিক্ষা, খেল-ধেমালি তথা ক্ৰীড়া জীৱনৰ প্ৰাৰম্ভিক পৰ্যায়ৰ পৰা এছিয়ান গেমছৰ সাফল্যলৈকে সামৰি লিখা হৈছে।

হিমাৰ জন্মৰ সময়তেই ঘটি যোৱা এক চমৎকাৰ কাহিনীৰ বৰ্ণনাই পাঠকক পঢ়াৰ প্ৰতি আকৰ্ষিত কৰি তুলিব। হিমাৰ জন্মৰ কেইদিনমানৰ আগতে সুধাকন্ঠ ভূপেন হাজৰিকা হিমাহঁতৰ ঘৰলৈ আহিছিল আৰু খন্তেক জিৰণি লৈছিল। সুধাকন্ঠ বহা বিছনাখনতেই হেনো হিমাৰ জন্ম হৈছিল। তদুপৰি স্কুলীয়া দিনবোৰত

হিমাই এখন টাটা ছুম'ৰ সৈতে দৌৰত ফেৰ মাৰি ছুম'খনক পিছ পেলাই আহিছিল। এনেদৰে অনেক আকৰ্ষণীয় তথ্য-ঘটনাৰ সমাহাৰ ঘটিছে গ্ৰন্থখনত। ১৭ জনীয়া যৌথ পৰিয়ালৰ ছোৱালী হিমাৰ শৈশৱ-কৈশৰৰ প্ৰতিটো ঘটনা ৰসালভাৱে দাসে বৰ্ণনা কৰিছে। অধিক পৰিশ্ৰমী, কষ্টসহিষ্ণু আৰু প্ৰচণ্ড আত্মবিশ্বাসী হিমাৰ খেলপথাৰত ঘটা উত্থানৰ কাহিনীও চমৎকাৰ। হিমাৰ সাফল্যত জড়িত থকা প্ৰতিজন ব্যক্তি তথা দুই প্ৰশিক্ষক নিপন দাস আৰু নৱজিৎ মালাকাৰৰ বিষয়েও দাসে তথ্যসহকাৰে বৰ্ণনা কৰিছে। হিমাৰ প্ৰতিটো সাফল্য সন্নিৱিষ্ট কৰা চেষ্টা কৰা হৈছে। নিজৰ দুভৰিৰ ওপৰত হিমাৰ আশা আৰু মানসিক দৃঢ়তাৰ প্ৰতিটো কথাই দাসে অনুপম ৰূপত তুলি ধৰিছে। হিমাৰ সাফল্যৰ আঁৰত থকা খেতিয়ক পৰিয়ালটোৰ সংগ্ৰামৰ ছবিখনো নিখুঁতভাৱে তুলি ধৰিছে। গ্ৰন্থখনত দাসৰ আৰম্ভণি এনেধৰণৰ- 'এখন বিশ্ব মহাসমৰক লৈ সকলো উন্মাদ। ৰাছিয়াত চৰম মুহূৰ্তত ৰুছ বিপ্লৱ। উৎকন্ঠা, উত্তেজনাৰ চৰম বিন্দুত অৱস্থান। এটা ঘুৰণীয়া বলে বিশ্বক শাসন কৰি থকাৰ এনে যুদ্ধসদৃশ পৰিৱেশৰ মাজতেই ফিনলেণ্ডত হিমাৰ বিস্ফোৰণ এলে-পেঁচা বিস্ফোৰণ নহয়, জগত জিনাৰ বিস্ফোৰণ। হিমা দাসৰ দুভৰিত থকা দুৰন্ত শক্তিৰ বিস্ফোৰণ। বিশ্বক চমকিত কৰি কঁপাই তোলা বিস্ফোৰণ...।'

এনে এটা উৎকন্ঠাপূৰ্ণ আৰম্ভণিৰ পিছত গ্ৰন্থখন পঢ়িবলৈ নিশ্চয় হেঁপাহ জন্মিব। ফিনলেণ্ডৰ টেম্পোৰেত ১২ জুলাইত জুনিয়ৰ বিশ্ব চেম্পিয়নশ্বিপত স্বৰ্ণ পদক জয় কৰি ভাৰতীয় এথলেটিকছত ইতিহাস সৃষ্টি কৰাৰ পৰা এছিয়ান গেমছৰ তিনিটা পদক তথা চেলিব্ৰেটী হোৱাকৈ লিখা এই গ্ৰন্থখনত মুঠ ১৮ টা অধ্যায় আছে। দাসে নিজৰ একাষাৰাত হিমাক লৈ এটি সুন্দৰ কবিতাও লিখিছে। যিটোৱে সকলোকে উদ্বুদ্ধ কৰি তুলিব। নতুন প্ৰজন্মৰ খেলুৱৈসকলক এই গ্ৰন্থখনে যথেষ্ট প্ৰভাৱিত কৰিব। হিমাৰ আদৰ্শ, আত্মবিশ্বাস, কষ্টসহিষ্ণুতাই নতুন চামক উদ্বুদ্ধ কৰাৰ লগতে খেলৰ প্ৰতি সকলোৰে ধাউতি বঢ়াব। এনে এটা চিন্তা কৰিয়েই দাসে লিখিছে এই গ্ৰন্থখন।

**পঢ়াত সফল হোৱাৰ কৌশল প্ৰণালী**
**লেখক - প্ৰদীপ কলিতা**
**প্ৰকাশক - অসম বুক ট্ৰাষ্ট**
**আলোচক - মনোৰঞ্জন কলিতা**

শিক্ষকতা বৃত্তিত জড়িত হোৱাৰ বাবেই চাগে ছাত্ৰ-ছাত্ৰীৰ উপকাৰত অহা কিছুমান লেখা লিখি আহিছে প্ৰদীপ কলিতাই। ইতিমধ্যে তেওঁৰ লেখা 'আমৰ অসম'কে ধৰি বিভিন্ন কাকত-আলোচনীত প্ৰকাশ হৈছে। শিক্ষাৰ্থীৰ উপকাৰত অহা কলিতাৰ তেনে কেতবোৰ লেখা একত্ৰে সংকলিত কৰি প্ৰকাশ কৰা হৈছে এই গ্ৰন্থখন। ছাত্ৰ-ছাত্ৰীয়ে পৰীক্ষাত ভাল নম্বৰ পাবলৈ কেনেকৈ প্ৰস্তুতি চলাব লাগে, মগজুৰ দক্ষতা কেনেদৰে বঢ়াব পাৰি, ধ্যান বা সাধনাই কিদৰে কৃতকাৰ্য হোৱাত সহায় কৰে, পৰীক্ষাৰ সময়ত শিক্ষাৰ্থীয়ে স্বাস্থ্যৰ প্ৰতি কিদৰে নজৰ দিব লাগে, পৰীক্ষাত কিদৰে লিখিব লাগে আদি বিষয় সুন্দৰভাৱে আলোচনা কৰা কেইবাটাও লেখা গ্ৰন্থখনত সন্নিৱিষ্ট কৰিছে। তদুপৰি নৈতিক শিক্ষা, যুৱ উচ্ছৃংখলতা, ছাত্ৰ-ছাত্ৰীৰ প্ৰতি পিতৃ-মাতৃৰ দায়িত্বৰ উপৰি শিক্ষকৰ দায়িত্ব সন্দৰ্ভতো কেইবাটাও লেখা গ্ৰন্থখনত সন্নিৱিষ্ট কৰিছে। আজিৰ এই প্ৰতিযোগিতাৰে ভৰা বিশ্বত ছাত্ৰ-ছাত্ৰীয়ে নিজকে তিল তিলকৈ সময়ৰ স'তে থাপ খুৱাই গঢ় দিব লাগিব। সফলতাৰ কোনো চমু বাট নাই। অধ্যৱসায়, আহোপুৰুষাৰ্থ চেষ্টাৰ বলতে মানুহে জীৱনত সফলতাৰ মুখ দেখা পায়। কলিতাৰ গ্ৰন্থখনত ছাত্ৰ-ছাত্ৰীৰ লগতে শিক্ষক তথা অভিভাৱকৰ দায়িত্ব আৰু কৰ্তব্যৰ বিষয়ে উনুকীয়াই দিছে কেইটামান নিবন্ধত। তদুপৰি গ্ৰন্থখনত সন্নিৱিষ্ট কৰা মহৎ লোকৰ বাণীয়ে ছাত্ৰ-ছাত্ৰীক 'মহা মহা পুৰুষৰ চানেকিৰে জীৱনৰ, আমিও পাৰোঁ যেন জীৱন গঢ়িব' এই আদৰ্শৰে বাট বুলিবলৈ অনুপ্ৰাণিত কৰিব বুলি আশা কৰিব পাৰি।

**ৰ'দ আঁচলৰ গান**
**লেখিকা - ৰাজু বৰুৱা**
**প্ৰকাশক - চিন্তামণি প্ৰকাশন**
**আলোচক - মানস প্ৰতীম শৰ্মা**

লেখিকা অসম প্ৰগতিশীল নাৰী সন্থাৰ সভানেত্ৰী তথা অসমীয়া সাহিত্য জগতত এগৰাকী ঔপন্যাসিক ৰূপেও সুপৰিচিত। এই পুথিত সন্নিৱিষ্ট প্ৰায় প্ৰতিটো গীতেই ৰচকৰ সুন্দৰ মনটোৰ উমান দিয়ে। ৬৫ টা গীতৰ সংকলন। ইয়াৰে বহুকেইটা গীত সুৰাৰোপিত হৈছে আৰু বহুকেইটা গীত কেইবাটাও অনুষ্ঠানৰ প্ৰতীকী গীত ৰূপেও স্বীকৃত হৈছে। বাস্তৱৰ সুন্দৰ প্ৰতিফলন আৰু প্ৰতিবাদৰ স্পষ্ট সুৰ ভাহি অহা ৰাজু বৰুৱাৰ গীতসমূহৰ মাজত পাঠকে বিচাৰি পাব সচৰাচৰ দেখি থকা চিনাকি ছবিসমূহ।

প্ৰতিটো গীততেই কেৱল বাস্তৱক সংগী কৰি আগবঢ়া আৰু সুদিনৰ আশাত অবিচাৰৰ বিৰুদ্ধে এক প্ৰতিবাদৰ মাধ্যম হৈ পৰাৰ বাবেই ৰাজু বৰুৱাৰ এই সংকলনখনৰ এক সুকীয়া উত্তাপ আছে। কবি গৰাকীয়ে কৈছে- 'সুদিনৰ আশাত বঢ়ালো দুহাত/ হে সংগ্ৰামী জনগণ/ ৰঙা সুৰুযৰ সপোন প্ৰত্যুষৰ ৰাজপথত আমি অগণন', 'হাতে হাতে মিলাই ওলাইছোঁ আমি/ সোণালী সুদিনৰ সপোন মুকলি/ প্ৰতিবাদৰ অগনি', 'সঁকীয়াই দে বঞ্চনাৰ ৰহস্য/ অজলা খাটিখোৱা উঠিলি-বহিলি ওৰেটো জীৱন/ আজিওটো শেষ নাই হোৱা' ইত্যাদি গীতাংশত তেওঁৰ চকুৰ আগত দেখি থকা কিছু কথা-ঘটনাৰ প্ৰতি গভীৰ নিৰাশা ফুটি উঠিছে। সৰ্বসাধাৰণৰ অভাৱ-অভিযোগ, ৰজাঘৰৰ পৰা প্ৰজা সাধাৰণে লাভ কৰা বঞ্চনা-প্ৰতাৰণাক বুজি উঠি যে গীতিকাৰগৰাকীৰ মন বিদ্ৰোহী হৈ উঠিছে তাৰ উমান সংকলনটোৰ প্ৰায়কেইটি গীততে পৰিছে স্পষ্টভাৱে।

**সোণালী দিনৰ পদূলিৰ খৰিকাজাঁই**
**লেখক - গুণকান্ত বৰুৱা**
**প্ৰকাশক - জাগৰণ প্ৰকাশন**
**আলোচক - ড° ভূপেন শইকীয়া**
**মূল্য - ১০০.০০ টকা**

অসম সাহিত্য সভাৰ 'অসম কেশৰী অম্বিকাগিৰী ৰায়চৌধুৰী বঁটা'প্ৰাপক ঔপন্যাসিক, গল্পকাৰ, কবি গুণকান্ত বৰুৱা । একেধাৰে গল্প, কবিতা, উপন্যাস আৰু জীৱনী সাহিত্যত সমানে দখল থকা বৰুৱাৰ ইতিমধ্যে প্ৰায় কুৰিখন গ্ৰন্থ প্ৰকাশ পাইছে।

লেখকৰ এই গ্ৰন্থখনত মুঠ ২৯ টা নিবন্ধ সন্নিৱিষ্ট হৈছে। ইয়াৰে ১৩ টা হ'ল খ্যাত-অখ্যাত লোকৰ জীৱনী আৰু আনকেইটা হ'ল আত্মজৈৱনিক। মজলীয়া বিদ্যালয়ত পঢ়ি থকা কালৰে পৰা জীৱনৰ আদ বয়সলৈকে সান্নিধ্যলৈ অহা বুৰঞ্জীবিদ বেণুধৰ শৰ্মা, অতীন্দ্ৰিয়বাদী কবি নলিনীবালা দেৱী, প্ৰসিদ্ধ কবি, গদ্যকাৰ অতুল চন্দ্ৰ হাজৰিকা, ধ্বনি কবি  বিনন্দ চন্দ্ৰ বৰুৱা, বকুল বনৰ কবি আনন্দ্ৰ চন্দ্ৰ বৰুৱা, সাহিত্যচাৰ্য যতীন্দ্ৰ নাথ গোস্বামী, জ্ঞানপীঠ বটাঁপ্ৰাপক ড° বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য, সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ প্ৰতিষ্ঠাতা ড° শীলা বৰঠাকুৰ, ছাত্ৰনেতা তথা অভিনেতা কাৰ্তিক হাজৰিকা, শিক্ষাগুৰু বসন্ত কাকতি, ৰূপেশ্বৰ বৰুৱা, ছবিলাল উপাধ্যায় শাস্ত্ৰী আৰু সাহিত্য সংগঠক প্ৰদীপ কুমাৰ নাথৰ সংক্ষিপ্ত জীৱনী জীৱন্ত ৰূপত তুলি ধৰাত লেখক সফল হৈছে। 'নিবেদন'ত লেখকে লিখিছে- 'প্ৰতিটো প্ৰৱন্ধৰ লগত মোৰ জীৱনৰ সোণালী দিনৰ কিছুমান বিশেষ মুহূৰ্ত, অনাবিল অভিজ্ঞতা আৰু মধুৰ বাংময়তা লিপিত থাই আছে।' জীৱনৰ বিভিন্ন সময়ত গৰকি অহা অনুষ্ঠান-প্ৰতিষ্ঠান ক্ৰমে আদিপাঠৰ বিদ্যালয়, কলাবাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়, ছয়দুৱাৰ মহাবিদ্যালয়, গুৱাহাটী বিশ্ববিদ্যালয়, মঙলদৈ শিক্ষক প্ৰশিক্ষণ মহাবিদ্যালয় আৰু তেজপুৰ

শিক্ষক প্ৰশিক্ষণ মহাবিদ্যালয়ৰ লগত জড়িত মিঠা স্মৃতি তথা বিৰল মুহূৰ্তবোৰ আত্মজৈৱনিক নিবন্ধকেইটাৰ জৰিয়তে লেখকে সুঁৱৰিছে।

লেখক বৰুৱা আছিল এগৰাকী ছাত্ৰনেতা আৰু সাহিত্য সংগঠক। পূৰ্বৰ ছয়দুৱাৰ আঞ্চলিক ছাত্ৰ সন্থা, নিজে সংগঠিত কৰা পদ্মনাথ গোহাঞিবৰুৱা সাহিত্য সভাৰ আৰম্ভণিৰ দিনবোৰ, শৈশৱৰে পৰা যুক্ত হৈ থকা কলাবাৰী সাহিত্য সভা আৰু পৰৱৰ্তী সময়ত নেতৃত্ব দিয়া কবিচক্ৰ, শোণিতপুৰ জিলা সাহিত্য সভাৰ সন্দৰ্ভতো একোটাকৈ নিবন্ধ গ্ৰন্থত সন্নিৱিষ্ট কৰিছে। 'কলাবাৰী চেমনীয়া চ'ৰাই' ১৯৭২ চনত প্ৰকাশ কৰা আৰু লেখকে সম্পাদনা কৰা আলোচনী 'কিশলয়'ৰ জন্ম যন্ত্ৰণাৰ কথা এটা নিবন্ধত উল্লেখ কৰিছে। গ্ৰন্থখনৰ আনকেইটা নিবন্ধ হ'ল – 'মোৰ প্ৰেৰণাৰ উৎসঃ মৰনৈ', 'বিহুৰ বাৰেবৰণীয়া এটি অনুষ্ঠান', কলপাৰ্কত 'অন্ধযুগ' আৰু 'বিদায়'।

**বাৰেক কৰোঁহো প্ৰণাম**
**লেখক – ড০ লক্ষ্মীনন্দন বৰা**
**আলোচক - ড০ বিমল মজুমদাৰ**

ড০ লক্ষ্মীনন্দন বৰা মূলতঃ এগৰাকী সৃষ্টিশীল লেখক। সৃষ্টিশীল লেখক হিচাপে তেওঁ 'সৰস্বতী সন্মান'কে ধৰি 'সাহিত্য অকাদেমি' আদি ভালেমান বটাঁৰে সন্মানিত হৈছে।

বৰাদেৱৰ শেহতীয়াকৈ প্ৰকাশ পোৱা গ্ৰন্থখনৰ শিৰোনাম হ'ল 'বাৰেক কৰোঁহো প্ৰণাম' (নৱেম্বৰ,২০১৮)। অৱশ্যে পূৰ্বৰ দৰে এইখন কোনো মহাপুৰুষৰ জীৱনক লৈ ৰচনা কৰা উপন্যাস নহয়। বৈষ্ণৱ ধৰ্মগুৰু আৰু আন কেইটামান একেগোত্ৰীয় বিষয়ক লৈ ৰচনা কৰা প্ৰৱন্ধৰ সংকলন। প্ৰথম ৰচনাখন মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জীৱনী 'শংকৰদেৱঃ এক মহাজীৱন'। জন্মৰ পৰা মৃত্যুলৈকে মহাপুৰুষগৰাকীৰ জীৱন কাহিনী ইয়াত সংক্ষিপ্তকৈ বৰ্ণনা কৰা হৈছে। দ্বিতীয়, তৃতীয় আৰু চতুৰ্থ প্ৰৱন্ধ তিনিটাৰ মূল উপজীব্য হ'ল তিনিগৰাকী বৈষ্ণৱ গুৰু। প্ৰৱন্ধকেইটাৰ শিৰোনাম এনেধৰণৰ- 'মোৰ দৃষ্টিত শ্ৰীমন্ত শঙ্কৰদেৱ', 'মোৰ দৃষ্টিত শ্ৰী মাধৱদেৱ' আৰু 'মোৰ দৃষ্টিত শ্ৰী শ্ৰী গোপালদেৱ'। বৰাদেৱৰ সূক্ষ্ম নিৰীক্ষণত জাতিটোক একো অৱদান দিবলৈ বাকী নৰখা মহাপুৰুষগৰাকীয়েই হ'ল শ্ৰীমন্ত শংকৰদেৱ। লগতে শংকৰদেৱৰ একমাত্ৰ ধৰ্মগুৰু, যি আছিল দৈহিক, মানসিক, বৌদ্ধিক আৰু আধ্যাত্মিক ভাৰাসাম্য বজাই ৰখাৰ এক অতুলনীয় নিদৰ্শন। যাৰ বাবে তেৰাই দুকুৰি বছৰ আয়ুস লাভ কৰিছিল। অথচ পৰৱৰ্তী কালৰ বিবেকানন্দ জীয়াই আছিল ৩৯ বছৰ, ৰামকৃষ্ণ পৰমহংসৰ মৃত্যু হৈছিল ২৯ বছৰত। শংকৰদেৱ কিমান যুক্তিবাদী আছিল, সমাজ সংগঠন আৰু সংস্কাৰত তেওঁৰ কিমান দক্ষতা আছিল আৰু কিমানখিনি বিপ্লৱী বা প্ৰতিবাদী চৰিত্ৰৰ আছিল তাৰো সমীক্ষা প্ৰৱন্ধটোত আগবঢ়োৱা হৈছে।

মাধৱদেৱ প্ৰসংগত লেখকৰ মন্তব্য- মোৰ দৃষ্টিত মাধৱদেৱ সঁচাকৈয়ে এগৰাকী নিখুঁত পুৰুষ। এগৰাকী একান্ত কৰ্মযোগী। ভোগ-বিলাস আৰু কামনা-বাসনাৰ ঊৰ্ধ্বত। লেখকৰ উপলব্ধিত মাধৱদেৱ কেইবাটাও কাৰণত তেওঁৰ অদ্বিতীয় পুৰুষ। প্ৰথম, তেওঁ এগৰাকী বিৰল অনুবাদক। দ্বিতীয়, তেওঁৰ ৰচনাৰ অসাধাৰণ প্ৰকাশিকা শক্তি। তৃতীয়, শব্দৰ যথাযথ প্ৰয়োগ। চতুৰ্থ, মাধৱদেৱৰ কবিত্ব গুণ।

শংকৰদেৱ-মাধৱদেৱৰ পিছত নৱবৈষ্ণৱ ধৰ্মৰ পূৰ্ণতা লাভৰ ক্ষেত্ৰত যিখিনি কাম কৰিবলৈ বাকী আছিল, সেইখিনি কাম প্ৰচণ্ড দক্ষতাৰে সমাপন কৰিছিল শ্ৰী শ্ৰী গোপালদেৱে। শংকৰদেৱ-মাধৱদেৱৰ পিছৰ সময়খিনিত গোপালদেৱে ধৰ্মপ্ৰচাৰৰ ক্ষেত্ৰত কঠিন প্ৰত্যাহ্বানৰ সন্মুখীন হৈছিল। অসমত বিভাদকামী শক্তিয়ে গা কৰি উঠিছিল, উজনি অসমৰ বৃহৎ ভূখণ্ডৰ বিভিন্ন জনজাতিৰ মাজত শংকৰী ধৰ্ম শিপোৱা নাছিল আৰু

জনগোষ্ঠীয় ঐক্যও নাছিল। এই সকলোকে এক কৰি নামধৰ্ম প্ৰচাৰ কৰাৰ সমগ্ৰ দায়িত্ব মূৰ পাতি লৈছিল গোপালদেৱে। এনেদৰে লক্ষ্মীনন্দন বৰাৰ দৃষ্টিত তিনিগৰাকী বৰেণ্য মহাপুৰুষে ধৰা দিছে।

'শ্ৰীমন্ত শংকৰদেৱৰ সাহিত্য' আলোচনাটোত শংকৰদেৱে অসমীয়া সাহিত্যৰ কেনেকৈ গৌৰৱময় সৌধ নিৰ্মাণ কৰি গ'ল, সেই কথা ব্যক্ত কৰাৰ লগতে সাহিত্যিক অৱদানে তেওঁক কেনেদৰে অমৰত্ব দিছে, তাৰো আভাস দিছে। শংকৰদেৱ যথাৰ্থতে আছিল এগৰাকী সৃষ্টিশীল লেখক। সেইবাবে তেওঁৰ দ্বাৰা প্ৰণীত প্ৰতিখন পুথিৰ পদে পদে আছে সৃষ্টিৰ চমক। লগতে ৰস, ছন্দ, অলংকাৰৰ ফালৰ পৰাও শংকৰদেৱৰ ৰচনা পৰিপূৰ্ণ। সেইবাবে বৰাদেৱৰ মতে শংকৰদেৱ আমাৰ কেৱল ধৰ্মগুৰুৱে নহয়, সাহিত্য গুৰুও। ধৰ্ম-সংস্কৃতিৰ ক্ষেত্ৰত পাটবাউসী এটা জাকত জিলিকা নাম। শংকৰদেৱে হেনো ইয়াত ওঠৰ বছৰ ছমাহ থাকি ৩৭খন শাস্ত্ৰ ৰচনা কৰিছিল। ভাওনাৰ ক্ষেত্ৰত পাটবাউসীৰ বিশেষ খ্যাতি আছিল। উজনিৰ শদিয়াৰ পৰাও ভাওনা চাবলৈ পাটবাউসীলৈ মানুহ আহিছিল। লক্ষ্মীনন্দন বৰাদেৱে 'পাটবাউসীত শ্ৰীমন্ত শঙ্কৰদেৱৰ সৃষ্টিশীল অৱদান'ত পাটবাউসী যে সেই সময়ত এটা সাংস্কৃতিক কেন্দ্ৰ আছিল, সেই চিত্ৰ অংকন কৰিছে।

অংকীয়া নাট আৰু ভাওনা শংকৰদেৱৰ এক অভিনৱ অৱদান। 'পূব ভাৰতত প্ৰথম নাট্য উদ্ভাৱনঃ অংকীয়া নাট আৰু ভাওনা' প্ৰৱন্ধত লেখকে শংকৰদেৱক সমগ্ৰ উত্তৰ-পূব ভাৰতৰ প্ৰথম নৃত্য প্ৰণেতা, নিৰ্দেশক আৰু প্ৰযোজক বুলি আখ্যা দি অংকীয়া নাট আৰু ভাওনাৰ প্ৰায়কেইটা উপাদানৰ বিষয়ে "খৰচি মাৰি বিশ্লেষণ আগবঢ়াইছে। 'শংকৰদেৱৰ সৃষ্টিত ৰাসলীলা আৰু আধ্যাত্মিকতা' আলোচনাত ৰাসলীলা দেখাত শৃংগাৰ ৰসাত্মক হ'লেও ই যে ভক্তিৰ পৰিপন্থী নহয় (কামজয় নামে ইটো কেশৱৰ কলি) সেই কথা সাব্যস্ত কৰিছে। 'শংকৰদেৱ-ভাৰত-অসমঃ এক বৌদ্ধিক আৰু সাংস্কৃতিক সম্পৰ্ক' নিবন্ধত লেখকে মতামত দি কৈছে যে শংকৰদেৱৰ আগতেও কামৰূপ তথা অসম ভাৰতীয় চিন্তাধাৰা আৰু সংস্কৃতিৰ পৰা বিচ্ছিন্ন নাছিল। পৰৱৰ্তী কালত শংকৰদেৱে সেই ঐতিহ্য আৰু পৰম্পৰাক আৰু অধিক সুদৃঢ় কৰি গঢ়ি তুলিছিল। লগতে অঞ্চলৰ থলুৱা সাংস্কৃতিক বৈশিষ্ট্যকো উজ্জীৱিত কৰি তুললিছিল। শংকৰদেৱ আৰু তেওঁৰ ৰচনাসমূহ এসময়ত নামঘৰৰ চাৰিবেৰ আৰু থাপনাৰ মাজতে সীমাবদ্ধ হৈ আছিল। এই চাৰিবেৰৰ মাজৰ পৰা উলিয়াই আনি শংকৰদেৱৰ পুনৰুত্থানৰ প্ৰচেষ্টা চলালে পোনপ্ৰথমে লক্ষ্মীনাথ বেজবৰুৱাই। শংকৰদেৱ আক্ষৰিক অৰ্থত সৰ্বগুণাকৰ আছিল। কিন্তু শংকৰদেৱে বিশ্বৰ ধৰ্ম আৰু সাংস্কৃতিক মহাসভাত প্ৰতিষ্ঠিত হোৱা দূৰৰে কথা ভাৰতবৰ্ষৰ ভিতৰতে আশানুৰূপভাৱে পৰিচিত হৈ নুঠিল। কি কি মাধ্যমেৰে শংকৰদেৱৰ পুনৰুত্থান ঘটাব পাৰি সেই বিষয়ে 'শ্ৰীমন্ত শংকৰদেৱৰ পুনৰুত্থানৰ প্ৰচেষ্টা' শীৰ্ষক প্ৰৱন্ধটোত লেখকে আলোচনা কৰি সম্ভাব্য পথ অৱলম্বনৰ ইংগিত দিছে।

এই গ্ৰন্থখনৰ এটা উল্লেখযোগ্য আলোচনা হ'ল 'শংকৰদেৱ- অধ্যয়নৰ গতি প্ৰকৃতি'। আলোচনাৰ মূল বিষয় হ'ল গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপক ড° বিমল মজুমদাৰৰ দ্বাৰা সম্পাদিত 'শংকৰদেৱ অধ্যয়নৰ গ্ৰন্থপঞ্জী' নামৰ বৃহৎ কলেৱৰৰ গ্ৰন্থখন। এই গ্ৰন্থখনত ২০১৪ চনলৈকে শংকৰদেৱৰ বিষয়ে প্ৰকাশিত ২৮৫ খন গ্ৰন্থৰ সমীক্ষা আগবঢ়োৱা হৈছে। গ্ৰন্থখনে অসমীয়া গ্ৰন্থখনে অসমীয়া, ইংৰাজী, হিন্দী, বাংলা, সংস্কৃত, উৰিয়া আৰু জনজাতীয় ভাষাত লেখা গ্ৰন্থসমূহক সামৰি লৈছে। ইয়াৰে ভিতৰত ভাৰতবৰ্ষৰ বিভিন্ন বিশ্ববিদ্যালয়ত (গুৱাহাটী, ডিব্ৰুগড়, পাটনা, কলকাতা, যাদৱপুৰ, পঞ্জাব আদিত) ডি লিট, পি এইচ ডি, এম ফিল আদি উচ্চস্তৰৰ ডিগ্ৰীৰ বাবে প্ৰস্তুত কৰা প্ৰয় তিনিকুৰি গৱেষণা-গ্ৰন্থও আছে। গ্ৰন্থসমূহ আলোচনা কৰোঁতে বিশ্বাসযোগ্যতা ৰক্ষাৰ বাবে প্ৰতিখন গ্ৰন্থৰে বেটুপাট প্ৰদৰ্শন কৰা হৈছে আৰু নিৰ্দিষ্ট গ্ৰন্থখন ক'ত, কেনেদৰে সংৰক্ষিত হৈ আছে, তাৰো সবিশেষ তথ্য উল্লেখ কৰিছে। বৰাদেৱৰ মতে, গ্ৰন্থখনৰ পৰিকল্পনা নিখুঁত, তথ্যপূৰ্ণ আৰু গঠনযোগ্য। অদূৰ ভৱিষ্যতলৈ এই গ্ৰন্থখনে গৱেষক-গৱেষিকা আৰু অনুসন্ধিৎসুসকলক উপকৃত কৰি থাকিব।

গ্ৰন্থখনৰ অন্তিম আলোচনাটো হ'ল 'আধুনিক দৃষ্টিত শ্ৰীমন্ত শঙ্কৰদেৱ'। লেখকৰ মতে বৈজ্ঞানিক দৃষ্টিভংগীয়েই হ'ল আধুনিক দৃষ্টিৰ নামান্তৰ। এই নিবন্ধটোত শংকৰদেৱ কিমান বৈজ্ঞানিক দৃষ্টিসম্পন্ন আছিল সেই কথা বিভিন্ন উদাহৰণেৰে চালি-জাৰি চোৱা হৈছে। তেনে এটা উদাহৰণ হ'ল- আধুনিক যুগৰ এটা প্ৰধান

সমস্যা বা ব্যাধি হ'ল নিঃসংগতা। বহুতে ক'ব খোজে নিঃসংগতা আধুনিকতাৰ এটা অভিশাপ। কিন্তু এই সমস্যা সমাধান শংকৰদেৱে তাহানিতে দি থৈ গৈছে। নিঃসংগতা দূৰ কৰিব পাৰে ভকতৰ সংগইহে। হৰিভক্ত হ'লে মানুহ নিঃসংগ হোৱাৰ পৰা ৰক্ষা পৰে আৰু যিকোনো এজন যন্ত্ৰণাক্লিষ্ট নিঃসংগ লোকে আধুনিক যুগত সুখী হ'ব পাৰে। সেইবাবে শংকৰদেৱে ধৰ্মত সৎসংগৰ ওপৰত গুৰুত্ব দিছিল।

এনেদৰে বাৰটা আলোচনাৰ সমষ্টি ড০ লক্ষ্মীনন্দন বৰাৰ 'বাৰেক কৰোহো প্ৰণাম' গ্ৰন্থখনত সাম্প্ৰতিক সময়ৰ পৰিপ্ৰেক্ষিতত বৈষ্ণৱ গুৰু আৰু এই ধৰ্মৰ বিভিন্ন দিশ সম্পৰ্কে নিৰ্মোহভাৱে বিচাৰ-বিশ্লেষণ আগবঢ়োৱা হৈছে। গ্ৰন্থখনৰ ঠাইত লেখকগৰাকীয়ে নিজৰ দৃষ্টি আৰু বিচক্ষণতাৰে কিছুমান নতুন কথা ক'বলৈ প্ৰয়াস কৰিছে। গ্ৰন্থখনৰ গুৰুত্বও সেইখিনিতেই। ড০ বৰা মূলতঃ এগৰাকী সৃষ্টিশীল লেখক হোৱা বাবে আলোচনাসমূহত কলাসুলভ গুণ অৰ্থাত সুখপাঠ্যতা সহজে অনুভৱ কৰিব পাৰি।

## The ASSAM TRIBUNE :

**At. 06/11/2018**
**Symphonies**
**Writer - Geetima Devi**
**Publisher - Sarma Prakashan**
**Reviewer - Dr Parag Kumar Bhattacharyya**
**Price - Rs 80.00**

Poetry is a play of words by which something is communicated by the poets to their readers and that some-thing is not a mere notion or an idea, but an emotional state. Element of thought in poetry is more than an accidental concomitant. Any theory which tends to regard the element of thought in poetry is completely irrelevant to it. The thoughts which have no emotional field are alien to poetry. In ordinary men, thoughts are often accompanied by such emotional ardor, but they ignore them because they have no means to express it, but the poet possesses such means. The words in a poet's mind arise mainly from the emotional field and by deliberately employing similes, metaphors, imageries, etc. The spontaneity of poetic sensibilities is, thus, the unison of heart, mind and soul which is betrayed in the outpouring of words.

Such a sincere devotion to poetry and the faculty to use its vocabulary is best manifested by the poems of Geetima Devi, a poet of the younger generation who regularly contributes poetry to the *Horizon*, the literary supplement of *The Assam Tribune*. These poems have been now brought together by the author and published in a book form, titled Symphonies. The outstanding trait of her poems is her appropriate use of words which attributes a lyrical cadence to lift the readers into a state of ecstasy. Her poetry is replete with simple joy, rapture and heartrending sorrow, without paying heed to the clamoring of the outer world. She also possesses wistful melancholy emanating from her instinct of 'Thanatos' (the instinct of death, from Greek mythology). But amidst the state of despondency, her love for the natural world is imminent.

*I'll be free one day some day in future*
*That day I'll tell them to get two doves*
*And leave them free in blue vastness.*

Despite her nostalgic fit and death instinct, she bears love and care for her mother, sister and friend which speak volumes about her optimistic attitude towards life. The hunger for eternity gives her poems a spiritual bliss, which is usually rare in a poet of the new generation.

**The Sun behind the bamboo jungle**
**Writer - Pranabjyoti Nath**
**Reviewer - Dr Tapati Baruah Kashyap**
**Price - Rs 180.00**

A poem is the language of the heart, and for a poet, his or her poems reflect the unique perception of reality around. Yet, each poet has his or her own definition of a poem. Published recently, *The Sun behind the bamboo jungle* is a collection of poems by Pranabjyoti Nath, an IAS officer posted in Odisha, who is also an artist and a poet. A poem for him is like a painting with words and at the same time, each of his poems is accompanied with mu- sic too.

The beauty of his imagination as a poet can be perceived from his imageries and metaphors like "Nothing more to say/ when the sky dwindles/ nothing less to expect/ when the river swells." Defining his own poems, he goes on to say, "You just ask me/ about a poem/ I shall paint you a dream/ and lots of hope." As a poet, sensitive towards the sweet mu- sic of Nature, he speaks out, "Spending a whole night/ listening/ to the sound of rain/ somewhere inside the heart/ trickles down/ a few drops and flows."

Though a poem is simply an exercise of words, yet the urge of a poet to ex press his or her inner feelings requires words from the heart and so every word and each symbol definitely signifies a mental picture. This collection reveals the poet's passion for words, music and painting and in some of his poems, the three synchronies to make an appealing poem. In this regard, his imageries turn out to be heart-touching. "My moon is far away/ O flying clouds/ Please bring her/ and shower moonlight/ in my riveine hut."

His creativity in the process provides him the definition of a poem. "With the snowy trees/ the poet in me cruised/ It is just/ like the relaxed/ traffic seen from a sixth floor/ Holborne window." But his passion for words which makes way into his poetry certainly compels him to stick to his poetic imagination in any situation of life. Ezra Pound once said, "The attempt to find words has produced some of our greatest poetry."

In this regard, the poet Nath's imageries, too, reveal his passion for poetry like "The velvet flowers/ adorned the avenues/ we walked/ along the desired path," and "A still moment elaborates into a majestic canvas". As a lover of music, he says, "When I write a poem, the background music resonates somewhere inside me... I feel like elaborating every word, with a piece of music."

A poem for him is certainly a medium to celebrate life, when his imaginative passion accompanies him everywhere.

**At. 13/11/2018**
**Blooming in the Snow**
**Writer - Sajid Iqbal**
**Publisher - Evincepub Publishing**
**Reviewer - Nayanika Saikia**
**Price - Rs 299.00**

Blooming in the Snow – a collection of poetry and prose by Sajid Iqbal, is, perhaps, the first book on modern and contemporary poetry in this part of the country. Published by Evince pub publishing, it has a mere 193 pages, but is jam-packed with some pieces that are bound to leave an impression on the

readers' minds. Inspiring us to fall in love, whatever the situation may be, this anthology has been divided into three parts viz. 'The First Snow', 'The Avalanche' and 'Blooming In The Snow', under which, there are multiple poetry and prose pieces. A journey of love, heartache, healing, self-love and growing up, *Blooming in the Snow* is bound to help you blossom even in the harshest season of life.

*And when you wake up/ From self- doubt/ Put on some attitude,/ Wear that smile/ And conquer Fearlessly.*

Going in, I didn't expect much; I rarely do, when it comes to contemporary modern poetry, but I was pleasantly shocked and happily surprised. I have to mention here that this is one collection of contemporary modern poetry, very much in the lines of Rupi Kaur. As such, do keep in mind that such contemporary poetry reads are not for everyone.

Employing a soothing tone of voice, the poet has brought in various themes and elements in this collection. Here is one such poem I loved – *Your wounds will heal/ Once you will/ Feed it with/ Acceptance.*

In today's highly competitive world, it is so easy to lose track of one's health – mental and physical, as well as in the pursuit of success, it is so common to damage your relationships with others. What I loved about this collection is that so many of these are based on self-love, which is again something that really needs to be spoken about in today's cut-throat world.

The poems are written in blank verse, as is the tradition of contemporary modern poetry, and the author has done a good job with it. The ones of love, unrequited mostly, are beautiful and poignant. The ending shot that the poet delivers is one that stays with the reader for a long time to come: *I wonder if you / Remember me, / And write like I do. / Probably you won't. / You told me once,/ You are more of a reader. / So, this was for you.*

**Feminist Rani**
**Writers - Shaili Chopra and Meghna Pant**
**Publisher - Penguin Random House India**
**Reviewer - Dr Tapati Baruah Kashyap**
**Price - Rs 299.00**

Are all feminists male-haters? This is certainly a debatable issue. But it is true that feminists often opt for a space which is in the domain of the male members of our society. And they often need a determined effort to create that space. Published by Penguin Random House India, the book under review incorporates the success stories of 14 Indian women in their own respective fields. The book beautifully reveals such victorious women who have their own definitions of feminism. A combined effort of journalists-cum-writers Shaili Chopra and Meghna Pant, the book records the success stories of women from all over India with their candid narratives. Since they have successfully driven their days of struggle with courage and assertion and have now emerged as India's most powerful voices of gender equality.

In the prologue to the book, Meghna Pant clarifies that 'Feminism is not about being a type'. It is about exercising your own choice of representation, discourse and agency. Women throughout the world have been facing multiplicity of problems like sexual assaults, domestic violence, inheritance laws, access to health and education, sex-selective abortions, female infanticide, custodial rape, dowry

harassment, equal wage, gender stereotypes, and so on. She also attempts to define that feminism is about creating an equal society... not just for women, but also for men. It is about believing that women are equal to men – equal in access, opportunities and respect. She also clarifies the fact that men like Raja Ram Mohan Roy and Mahatma Gandhi have historically been powerful allies in India's feminist movement. No wonder, several men who have contributed towards gender equality in India also feature in this book.

On the other hand, Shaili Chopra, in her introduction, emphasizes that feminism is the right to be who you want to be. It is a movement that not only champions gender equality, but also finds ways in which women can empower them- selves to become physically, intellectually, culturally, financially and emotionally independent. The people, who have found place in the book include actor-writer Kalki Koechlin, author and youth leader Gurmehar Kaur, paralympian Deepa Malik, radio jockey Malishka Mendonsa, actor-politician and entrepreneur Gul Panag, Face book public policy director for South and Central Asia Ankhi Das, journalist and activist Aarefa Johari, beekeeper and digital woman Rohini Shirke, journalist Rana Ayyub, and comedian Sorabh Pant, among others.

A record of each of the successful people and their respective ways to stand on their feet in the world, where women are still not getting equal share is definitely a welcome Endeavour. The only flaw is that no one from North-East India has found place in this book.

**At. 20/11/2018**
**Luitor Paror Jatiya Chinta-Chetana**
**Writer - Ramesh Chandra Kalita**
**Publisher - Abha Prakashan, Tezpur**
**Reviewer - Dr Parag Kumar Bhattacharyya**
**Price - Rs 250.00**

*Luitor Paror Jatiya Chinta-Chetana* is a scholarly work on the political, social, academic and literary sphere of Assam by Ramesh Chandra Kalita, a distinguished academician and social thinker. The work is, undoubtedly, a sagacious reflection on some problems relating to national and ethnic subjects like national integration, its different perspectives, identity of Assamese people, its language crisis, along with the ethnic ethos of the Assamese community. The spiritual awakening fostered by Vaishnava saints like Sankardeva and Madhabdeva has also been dealt with elaborately in some essays.

There has been the prevalence of the Shaiva cult in Assam from time immemorial and the author brings our attention to this aspect by giving emphasis on the subject as Tezpur, the author's hometown, was a seat of the Shaiva cult from the reign of Banasur – the pre-historic king. There are also some fascinating discourses on Indian religion which have been written obviously under the influence of orientalism. He also peeps into the tribal culture, an integral part of Assamese life in an article, as the contribution of the Bodos to the integration of Assamese community. The political and socio-economic articles bear his outlook on social customs and government policy where he launches into a long diatribe against them for their apathy in solving the ethnic problems of Assam.

The greatest, however, is the literary segment of the book. Here he dwells on at length about the contribution of great literary personalities of Assam like Lakshminath Bezbaroa, the great humorist and satirist Ambikagiri Raichoudhury and Kamala Kanta Bhattacharyya, the celebrated patriotic poets Dandi Nath Kalita, the satirist Jyotiprasad Agrawala, the poet and the dramatist of outstanding merit

Hem Barua, the pioneer of modern Assamese poetry and the like. The literary beauties of their works, along with their social awareness have been highlighted by the writer in a splendid way. His keen observations on Assamese language, literature and culture can be traced back to his deep knowledge on the socio-cultural history of Assam.

Kalita has a crystal clearness of thought that is best manifested in the logical development of his arguments. His straightforward and simplified diction attribute spontaneity to his narrative artistry.

**The Rule Breakers**
**Writer - Preeti Shenoy**
**Publisher - Westland**
**Reviewer - Jayanta Madhav**
**Price - Rs 350.00**

Rules, beliefs and principles constitute the bedrock on which hinges R the collective success of every individual, society or nation. And as such, any manmade rule that comes in the way of progress and fulfillment ought to be loosened and, perhaps, still, bent and broken.

The Indian society, lamentably, even today persists with some retrograde norms that hold women from realizing their dreams and aspirations. One such rule prevalent primarily in rural India still prohibits girls from going to school or overtly discourages them from pursuing higher studies after a certain stage, in order to either engage the girl in household chores or marry her off at the earliest opportunity with minimal dowry. Yet another rule is to make the girl acquiesce to marry a boy of her parent's choice – without any regard to her wish, hope or sentiment. And this is why and when girls like Veda and Vidya take to bending and breaking rules in Preeti Shenoy's The Rule Breakers, a tale of the indomitable spirit of two small town girls who dare to defy norms and stand up against a prejudicial society that tries bearing them down.

Sober, sensible and studious, Veda – the protagonist, is the eldest among five siblings in a middle class family of Joshimath. Her younger sister – Vidya, intrepid and easy going, is a total extrovert, brilliant in extra-curricular activities. With an excellent Class-XII result, Veda dreams of joining a Delhi college and make her career as a teacher. But citing the futility of pursuing higher studies, her parents marry her off to Pune, ignoring all her passionate pleas.

As a crestfallen Veda struggles to reconcile to her fate and come to terms with her dismal married life at Pune, far away from the refreshing greens she would savour at Joshimath, she finds herself stuck in the mire of a depressive household: a dominating, tormenting mother-in-law and a phlegmatic, workaholic husband, devoid of any love or concern for his newly-wed wife's emotional and physical needs. It is then that a despaired Veda starts sharing her melancholic feelings with Vidya through a series of letters, also counseling her not to silence her inner voice so as not to fall prey to the constant societal demands.

The poignancy with which Shenoy brings out the pangs and passions in each character, as also the remarkable way the story progresses in the form of letters exchanged between the two sisters are what make the novel a riveting read.

**At. 27/11/2018**
**The Paradoxical Prime Minister**
**Writer - Shashi Tharoor**
**Publisher - Aleph Book Company**
**Reviewer - Jayanta Madhav**
**Price - Rs 799.00**

An accomplished author known for his lexical resplendence, Shashi Tharoor has more than 15 books to his credit, quite a few of them being on Indian history, religion, and culture. The Paradoxical Prime Minister is his latest – in effect a virtual report card on Prime Minister Narendra Modi's governance since he took over the reins in 2014.

Dwelling at length on an entire gamut of issues and basing his arguments on hard facts, the author has delved into practically every facet of Modi, from his dramatic rise in the country's political firmament to his style of functioning as the country's CEO, leaving out probably nothing that has rebounded to the moulding of the persona called Narendra Modi and the shaping of his political fortunes. He has also trenchantly scanned the varied narratives across the political spectrum around the PM, his party and the quintessence of "Moditva" that have collectively worked to actualize his transformation into a figure to rank ninth on the Forbes 2018 list of 'The World's Most Powerful People'.

As the title suggests, Tharoor has sought to project the PM's acts of omission and commission as being contrary to his professed thoughts and beliefs and his stated position vis-a-vis issues confronting the nation, dubbing all of his Government's actions as failures and terming him a "Prime Minister of lofty ambition, laid low by underachievement". For instance, he scathingly scrutinizes his "self-inflicted blur of Demonetization that cost India 15 lakh jobs", as also the "blotched rollout of GST – a good idea implemented badly".

The book, at least in parts, however, does not appear to be an equitable assessment of the PM's tenure, as it maintains an inscrutable silence on some of the remarkable achievements of the Modi Government – the likes of transforming the lives of millions of poor rural women by providing them with clean cooking fuel through LPG connections, the humongous task of building around 65 lakh toilets under the Swatch Bharat campaign, or its sagacious step towards emancipation of the Muslim women from the scourge of Triple Talaq through a deft Ordinance; or for that matter, the country's spectacular rise in the global index of Ease of Doing Business. Similar counter arguments can also be held out to the author's averments on the country's GDP growth, Aadhaar, the all inclusive digitization efforts, and the like.

Nevertheless, the book, in all fairness, does provide a brilliant and diverse in- sight into the running of a government in the world's largest democracy through the eyes of a well-read, well-researched scholar on politico-economic affairs, with hands-on experience on international affairs, and that quite makes it a gripping read.

**Asomiya Bhasa-Sahityar Khandachitra**
**Writer – Indrajit Kumar Barua**
**Publisher - Sabyasashi Prakash**
**Reviewer - Bidyut Ranjan Bora**
**Price - Rs 175.00**

The book *Asomiya Bhasa-Sahityar Khandachitra* is an attempt by Indrajit Kumar Barua to bring before the readers some topics that really need serious attention. Aptly titled, the book is a collection of articles published in various vernacular publications of the State.

From discussing Sankardeva and his deep insight and timeless creations that still inspire the Assamese against the Indian perspective, through deliberating about the thoughts and ideals of Bezbaroa, Jyotiprasad, Bishnu Rabha, to analyzing some relatively contemporary issues and problems like the implementation of the Assam Official Language Act, complexity of modern poetry and use of symbolism in Assamese modern poetry, nature of children's literature against Assam's backdrop, challenges faced by writers of the young generation, future of printed books in the Assamese language, etc., the writer has dealt with all of it.

A testimony to the author's ample study and close observation, and deep insight into what he takes up for discussion, the book casts light on some problems that seem to threaten not only Assamese language and literature, but also the Assamese social set-up. For instance, in Chapters 3, 12 and 17 the author legitimately raises his concerns over the current status of and challenges before Assamese language and literature and their future against the contemporary backdrop. The rapid growth of science and technology, negative effects of globalization, mushrooming of English-medium schools against the poor condition of vernacular medium schools, materialistic and apathetic attitude of a section of the guardians, pitiable plight of the libraries and dearth of good books are some of the factors that the author makes responsible for these critical days of Assamese books and Assamese language and literature.